


বাণী বিজয়তাম

# প্ৰজ্ঞা

## অসমীয়া বিভাগৰ মুখপত্ৰ

## মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী



সম্পাদক ঃ ড° লীনা ডেকা

# প্ৰজ্ঞা

**অসমীয়া বিভাগৰ মুখপত্ৰ**

## মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

**২০১৫-১৬ বছৰ**


সম্পাদক

ড° লীনা ডেকা

**Prajna** : Journal of Assamese Department, M.N.C. Balika Mahavidyalaya, Nalbari, Published by Dr. Leena Deka, Head of the Dept. on behalf of the Assamese Department.

**Issue:** 2015-16

**EDITORIAL BOARD**

**Advisors :**

**Dr. K.C. Goudo**
Principal

**Editor :**

**Dr. Leena Deka,** HOD

**Members :**

**Dr. Manima Bhuyan**
**Dr. Hiramoni Talukdar**

**Printed at :** **Saraswati Press**
College Raod, Nalbari (Assam)

# সম্পাদকীয় কলম .........



ভাষা-সাহিত্য-সংস্কৃতিয়ে জাতি একোটাৰ. সমাজ এখনৰ পৰিচয় দাঙি ধৰে। সাহিত্য জাতিৰ দাপোণ স্বৰূপ। সাহিত্য সৃষ্টিত আলোচনীসমূহৰ ভূমিকা যথেষ্ঠ। 'অৰুণোদই'ৰ জন্মৰে পৰা বৰ্তমান সময়লৈকে আলোচনী সমূহে অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাৰ সৃষ্টিৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে। আনকি আলোচনী সমূহৰ নামেৰে সাহিত্যৰ একোটা যুগৰ নামকৰণ কৰা হৈছে। প্ৰসংগত অৰুণোদইৰ পিছতে জোনাকী, জয়ন্তী, ৰামধেনু, আৱাহন আদি আলোচনীৰ কথা উল্লেখ কৰিব পাৰি। এই আলোচনীসমূহে অনেক লেখকৰ সৃষ্টি কৰাৰ লগতে পাঠকৰো সৃষ্টি কৰিছে।

আলোচনীসমূহে লেখাৰ এট পৰিবেশ সৃষ্টি কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক পাঠ্যক্ৰমৰ বাবে নিৰ্দ্দিষ্ট কৰা ভাষা সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশ অধ্যয়ন কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সৃজনী প্ৰতিভাসমূহ জাগ্ৰত কৰাৰ বাবে মহাবিদ্যালয় সমূহত আলোচনী বা মুখপত্ৰ প্ৰকাশৰ ব্যৱস্থা আছে। পিছে এনে মুখপত্ৰই মহাবিদ্যালয়খনৰ সকলো ছাত্ৰ-ছাত্ৰীকে লিখাৰ বাবে সুবিধা দিব নোৱাৰে। সেই বাবেই বিভাগীয় মুখপত্ৰ একোখনৰ জৰিয়তে সেই সুবিধা প্ৰদানৰ প্ৰয়াস কৰা হৈছে। অসমীয়া বিভাগে ২০০৩ চনৰ পৰা 'প্ৰজ্ঞা' নামৰ বিভাগীয় মুখপত্ৰখন প্ৰকাশ কৰি আহিছে। মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজৰ উপৰিও বিভাগৰ নিৰ্দ্দিষ্ট পাঠদান প্ৰক্ৰিয়া, আলোচনা চক্ৰ আদি সঘনে অনুষ্ঠিত কৰিবলগীয়া হোৱাত আৰু পৰীক্ষাৰ যাৱতীয় কাম-কাজবোৰ কৰিবলগীয়া হোৱাত 'প্ৰজ্ঞা'ৰ প্ৰকাশ কিছু অনিয়মীয়া হৈছে। তথাপি বিগত কেইটামান বছৰত 'প্ৰজ্ঞা' নিয়মীয়াকৈ প্ৰকাশ পাই আহিছে।

'প্ৰজ্ঞা'ত প্ৰকাশ পাবলগীয়া প্ৰবন্ধবোৰৰ ক্ষেত্ৰত এটা কথালৈ স'ততে লক্ষ্য ৰখা হৈছে যাতে সেই লেখাবোৰে ছাত্ৰ-ছাত্ৰীৰ নিৰ্দিষ্ট পাঠ্যক্ৰমৰ অধ্যয়নতো সহায় কৰে। 'প্ৰজ্ঞা'ই কিবা জ্ঞানৰ সন্ভেদ দিয়ক বা নিদিয়ক, ইয়াত প্ৰকাশিত লেখাবোৰে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিলেই আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

খৰধৰ হৈছে। ভুল ভ্ৰান্তি হোৱা স্বাভাৱিক। সেয়ে কৃতিত্ব দাবী নকৰো। 'প্ৰজ্ঞা' বৰ্তি থাকিলেই হ'ল ছাত্ৰ-ছাত্ৰীৰ সৃজনী শক্তি বঢ়াবলৈ, সাহিত্য ৰচনা আৰু পাঠৰ পৰিবেশ গঢ়িবলৈ।

ড° লীনা ডেকা
মুৰব্বী অধ্যাপিকা
সম্পাদক 'প্ৰজ্ঞা'।

# সূচীপত্ৰ


- সাম্প্ৰতিক অসমীয়া কবিতাৰ গতিধাৰা — ড° লীনা ডেকা — ০১
- অৰুণোদয় যুগৰ প্ৰখ্যাত লেখক নিধিলিবাই ফাৰৱেল — হীৰামণি তালুকদাৰ — ০৭
- পদ্মনাথ গোহাঞিবৰুৱাৰ 'লীলা' কাব্য ঃ এটি বিশ্লেষণ — ড° মণিমা ভূঞা — ১১
- "জীৱনৰ বাটত" উপন্যাসত সামাজিক চিত্ৰ — মৃগেন বৰ্মন — ১৮
- অসমীয়া সাহিত্যৰ প্ৰথমটো ৰোমাণ্টিক কবিতা—বনকুঁৱৰী — বন্তি শৰ্মা — ২৫
- লক্ষ্মীধৰ শৰ্মাৰ "ব্যৰ্থতাৰ দান" গল্পত প্ৰতিফলিত হোৱা নাৰী মনস্তাত্বিক দিশ — পল্লৱী ডেকা — ২৮
- নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা ঃ দ্ৰৌপদী — ড° লীনা ডেকা — ৩১
- উজনী অসমৰ উপভাষা আৰু মান্য অসমীয়া ভাষা ঃ এক সংক্ষিপ্ত অৱলোকন — নিষ্ঠা শইকীয়া — ৩৭
- অসমীয়া কবিতা আৰু হেম বৰুৱাৰ কবিতা — কৰবী দাস — ৪০
- লোক সংস্কৃতিত — কাহুৰী পূজা — সংগীতা শৰ্মা — ৪৩
- লোক সংস্কৃতিত হিন্দু ধৰ্মৰ বিবাহ উৎসৱ — জোনালী দেৱী — ৪৬
- ধূলিৰ সহজ আপেক্ষিকতা (কবিতা) — বন্তি শৰ্মা — ৪৯
- মোৰ জীৱন সমীক্ষা (কবিতা) — সংগীতা শৰ্মা — ৫০

# সাম্প্ৰতিক অসমীয়া কবিতাৰ গতিধাৰা

● ড° লীনা ডেকা
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

পৃথিৱীত বিজ্ঞানৰ প্ৰগতিৰ লগে লগে সাহিত্য-সংস্কৃতিৰ বুকুতো পৰিবৰ্তনৰ জোঁৱাৰ নামিল। আৰু আগৰ কল্পনাবিলাসী ভাববাদী সাহিত্যৰ বিপৰীতে বাস্তৱমুখী আৰু বুদ্ধিদীপ্ত সাহিত্যৰ সৃষ্টি হ'বলৈ ধৰিলে। সকলো দিশতে বাস্তৱৰ প্ৰতি তীব্ৰ আকৰ্ষণ পৰিলক্ষিত হ'ল। মহাসমৰৰ পাছতে কল্পনাবিলাসহীন বাস্তৱমুখী তথা বুদ্ধিদীপ্ত আধুনিক সাহিত্যৰ সৃষ্টি পাবলৈ ধৰিলে। T.S. Eliot- য়েই এই কাব্য আন্দোলনৰ মুখ্য হোতা। 'Waste Land'-ত যুদ্ধোত্তৰ যুগৰ সুন্দৰ প্ৰতিচ্ছবি ইলিয়টে দাঙি ধৰিছে। John Mansfield, W.H. Davis, Cecil Dayleurs আদিয়ে ইলিয়টৰ আদৰ্শক আগুৱাই নিয়ে। ৰোমান্টিক কবিসকলৰ কবিতাতো বৰ্ণনাৰ যথাৰ্থতা, মানুহৰ প্ৰতি গভীৰ সহানুভূতি, সহজ-সৰল শব্দৰ ব্যৱহাৰ দেখা যায়। মালাৰ্থে প্ৰমুখ্যে ফ্ৰান্সৰ প্ৰতীকবাদী কবি, লগতে ইংৰাজ কবিসকলৰ প্ৰভাৱ, ফ্ৰয়েদীয় মনস্তত্ব, মাৰ্ক্সীয় দৰ্শন, সাধাৰণ আৰু কাৰিকৰী বিজ্ঞানৰ কবিতাত বৌদ্ধিক অনুশীলনৰ বাবে দুৰ্বোধ্যতা অনুভৱ কৰা যায়। কবিতাত ব্যৱহৃত ৰূপক, উপমা, চিত্ৰকল্প, প্ৰতীক আদি বুজাবলৈ অনেক সময়ত প্ৰাচীন Myth সম্পৰ্কে জ্ঞান থকা প্ৰয়োজনীয় হৈ পৰে। আধুনিক কবিতাত প্ৰায়েই বিদ্ৰোহৰ ভাব প্ৰকাশ হ'বলৈ ধৰিলে। চমুকৈ ই হৈ পৰিল 'বিদ্ৰোহৰ কবিতা' (Poetry of revolt).

পাশ্চাত্যৰ এই কাব্য পৰিবৰ্তনৰ ধাৰাটোৰ প্ৰতি স্বাভাৱিকতে আমাৰ অসমীয়া কবিসকলো আকৃষ্ট হৈ পৰিল। তেওঁলোকে পৰম্পৰাগত গতানুগতিক কাব্যৰীতিৰ পৰা আঁতৰি আহি কাব্য-জগতৰ এই নতুন আদৰ্শক শিৰোগত কৰি কবিতা ৰচনাত প্ৰবৃত্ত হ'ল। এইসকল কবিয়ে 'অসমীয়া ৰোমান্টিক কবিতাৰ শেষ পৰ্যায়ৰ ভাবপ্ৰৱণ উচ্ছ্বাসময়তা আৰু শিথিল প্ৰকাশভংগীৰ বিৰুদ্ধে সচেতনভাৱে বিদ্ৰোহ ঘোষণা কৰি অসমীয়া কবিতাত ৰূঢ় বাস্তৱতাৰ চিত্ৰণ, মিশ্ৰিত, কথ্য ভাষাৰ আৰু গদ্য ছন্দৰ প্ৰয়োগ কৰি নতুন বাওঁপন্থী আশাবাদৰ সূচনা কৰিছিল।'[১] এই নৱতম স্তৰৰ কবিতাই হ'ল সাম্প্ৰতিক কবিতা। 'জগতৰ উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ-খিৰিকি খুলি ৰখা সাম্প্ৰতিক কবিৰ ধৰ্ম।'[২]

অসমীয়া কবিতালৈ এই আন্তৰ্জাতিক প্ৰভাৱ কঢ়িয়াই আনিছিল প্ৰধানতঃ ইংৰাজী ভাষা-সাহিত্যই। বঙালী ভাষাৰ যোগেদিও এই প্ৰভাৱ বিস্তাৰিত হৈছিল। পঞ্চাশৰ দশকতে অসমীয়া কবিতাত এই শক্তিশালী ধাৰাটোৰ সূচনা হৈছিল। এই যুগৰ কিছুমানে সামাজিক বাস্তৱবাদৰ ফালে দৃষ্টি ৰাখি কবিতা লিখিছিল। আনহাতে, অন্য কিছুমানে পশ্চিমৰ প্ৰতীকবাদী আৰু

চিত্ৰকল্পবাদী কবিসকলৰ প্ৰভাৱত ব্যক্তিগত উপলব্ধি আৰু বাস্তৱ অভিজ্ঞতাক কবিতাত ৰূপায়ণ কৰিলে। এওঁলোকে বিশ্বাস কৰে যে, কাব্য জীৱনটোৰ নিচিনাই চিৰ গতিশীল। যুগক প্ৰতিফলিত কৰিব পৰাকৈ বাস্তৱ সৰু-বৰ সকলো উপাদানেই এওঁলোকে গ্ৰহণ কৰিলে। এই নতুন কবিসকলে মায়াকভস্কি, মালাৰ্মে, ৰিল্কে, বোদ্‌লিয়াৰ, ইলিয়ট, ষ্টিফেন স্পেণ্ডাৰ আদিক পথ প্ৰদৰ্শক হিচাপে গ্ৰহণ কৰিলে। এই নতুন কবিসকলৰ কবিতাৰ বিশেষত্ব হ'ল—"ফ্ৰয়েদীয় মনোবিজ্ঞানৰ প্ৰভাৱ, সমাজবাদী চিন্তাধাৰাত আস্থাশীলতা, স্থানবিশেষে ছিন্নমূল মনোভাৱ, নগৰকেন্দ্ৰিক যান্ত্ৰিক সভ্যতাৰ অভিঘাত, নানা দেশৰ কাব্য আৰু পৌৰাণিক আখ্যানৰ উল্লেখ, উদ্ধৃতি আৰু নতুন প্ৰতীকাত্মক প্ৰয়োগ, শব্দৰ আভিধানিক অৰ্থ অতিক্ৰম কৰি অভিধাৰিক্ত ব্যঞ্জনা, অনুভৱ আৰু বুদ্ধিনিষ্ঠতাৰ সমন্বয়, অৱচেতন মনৰ অসংলগ্ন খণ্ড খণ্ড অনুভৱৰ টুকুৰাবোৰৰ যথাযথ চিত্ৰণৰ প্ৰয়াস, প্ৰতীকৰ প্ৰচুৰ প্ৰয়োগ আৰু যৌন কামনাৰ ইঙ্গিত আৰু প্ৰকাশভঙ্গীৰ একান্ত, বৈয়ক্তিক আৰু অনৰ্গল-প্ৰয়োগ, চিৰাচৰিত সামাজিক মূল্যবোধত আস্থাহীনতা, উদ্যোগ প্ৰধান নাগৰিক সভ্যতাৰ প্ৰতি ক্লান্তিবোধ, পুৰণি কবি প্ৰসিদ্ধিৰ ঠাইত যুগপ্ৰতীকী ন ন চিত্ৰকল্পৰ সৃষ্টি, ন ন উপমাৰ প্ৰয়োগ, কাল্পনিক নাৰীৰ প্ৰতি যত্ৰতত্ৰ আমন্ত্ৰণ আৰু সম্বোধন, বস্তুবাদী দৃষ্টি, আপাত দৃষ্টিত ভাবৰ অসংলগ্নতা আৰু দুৰ্বোধ্যতা।"[৩]

দ্বিতীয় মহাযুদ্ধই অসমীয়া কবিতাৰ আগৰ সুঁতিটোকে সলনি কৰি দিলে। ব্যক্তিকেন্দ্ৰিকতা, শিথিল শব্দবিলাসী ৰীতি পৰিহাৰ কৰি যুদ্ধোত্তৰ যুগৰ কবিসকলে সমাজবাদী প্ৰগতিশীল চিন্তাধাৰাক তেওঁলোকৰ কবিতাৰ মাজত দাঙি ধৰিলে। মহাসমৰৰ প্ৰভাৱে সমগ্ৰ বিশ্বৰ লগতে অসমতো সাম্প্ৰদায়িক সংঘৰ্ষ, অৰ্থনৈতিক বিপৰ্যয়, ৰাজনৈতিক অস্থিৰতা আদি নানান সমস্যাই জনসাধৰণক বিব্ৰত কৰি তুলিছিল। কবি-সাহিত্যিকসকলে ৰোমাণ্টিক উচ্ছাসৰ পৰা আঁতৰি আহি বিভিন্ন সমস্যা, শোষণ, বুৰ্জোৱা সমাজৰ তথাকথিত আভিজাত্য, সমাজৰ অৱক্ষয়ৰ বিভীষিকাৰ চিত্ৰ কবিতাত ৰূপায়িত কৰিলে। এইখিনি কবিতাই 'সাম্প্ৰতিক কবিতা'ৰূপে অভিহিত হ'ল। 'ৰোমাণ্টিক কবিতাৰ দৰে গতানুগতিক নিয়ম-শৃঙ্খলাৰ পৰা আঁতৰি মুক্তিৰ প্ৰয়াসেই সাম্প্ৰতিক কবিতাৰ প্ৰধান ধৰ্ম।'[৪] পৃথিৱীৰ অন্যান্য সাহিত্যৰ দৰে অসমীয়া কবিসকলেও বিদ্ৰোহ আৰু নতুন নতুন আদৰ্শৰ সূচনা কৰিলে তেওঁলোকৰ কবিতাত। 'জয়ন্তী'ৰ পিছত 'পছোৱা', 'ৰামধেনু' আদি আলোচনীয়ে সাম্প্ৰতিক কবিতাৰ প্ৰবাহক গতিশীল কৰি তোলে। অমূল্য বৰুৱা, ভবানন্দ দত্ত, অজিত বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য, ধীৰেন্দ্ৰনাথ দত্ত, হেম বৰুৱা আদি কবিয়ে অসমীয়া ৰোমাণ্টিক কবিতাৰ বিৰুদ্ধে সচেতনভাৱে বিদ্ৰোহ ঘোষণা কৰি অসমীয়া কবিতাত প্ৰগতিবাদী চিন্তা আৰু জনগণৰ মুক্তিৰ কামনাক প্ৰকাশ কৰি নতুন এক বামপন্থী আশাবাদৰ সূচনা কৰিলে। ৰোমাণ্টিচিজিমৰ ঠাইত বুদ্ধিজীৱী আৰু সাম্যবাদী ভাৱধাৰাই অসমীয়া কবিতাত আসন লৈ বহিল।

কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষত প্ৰাণ হেৰুওৱা অমূল্য বৰুৱা সাম্প্ৰতিক কবিসকলৰ মধ্যমণিস্বৰূপ। অমূল্য বৰুৱাৰ কবিতাত আছে মানুহৰ সামাজিক প্ৰগতি আৰু লাঞ্ছিত-অপমানিত মানৱাত্মাৰ মুক্তিৰ দাবী। মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা উদ্বুদ্ধ হৈ অমূল্য বৰুৱাই সমাজৰ নিষ্পেষিত জনতা, শোষক পুঁজিপতিৰ কামনাৰ বলি

বেশ্যা, এটুকুৰা ৰুটীৰ বাবে যুঁজ কৰা ভিক্ষাৰী ল'ৰা-ছোৱালীৰ দুৰ্দশা দেখি কাতৰ হৈ পৰিছিল। পেটৰ ভোকৰ জ্বালা উপশম তথা দাৰিদ্ৰৰ কবলৰ পৰা মুক্তি লভিবলৈ বেশ্যাবিলাকে অভিজাত ধনীক শ্ৰেণীৰ শোষণ নিৰ্বিবাদে মানি চলিবলগীয়া হোৱা বেশ্যাৰ জীৱনৰ কৰুণময় চিত্ৰ অমূল্য বৰুৱাৰ 'বেশ্যা' কবিতাত আছে—

*সমাজৰ ব্যাভিচাৰত কক্ষচ্যুত,*
*অৰ্থনৈতিক সমস্যাত জ্বলাকলা*
*পৰমুখাপেক্ষী মৰিবলৈ ধৰা তাইৰ জীৱনটোক*
*আত্মসন্মান, নাৰী পৱিত্ৰতাৰ বিৰাট প্ৰৱঞ্চনাৰে ঠগি*
*তিলে তিলে জহি যাবলৈ দিয়া অৰ্থহীন কৌতুহলটোক*
*তাই তাইৰ আৱশ্যকতাহীন জীৱনটোতকৈও বিড়ম্বনা বুলি ভাবে*

(বেশ্যা)

অমূল্য বৰুৱা বিপ্লৱী কবি। বিপ্লৱৰ জৰিয়তেই এখনি সুস্থ নতুন সমাজ গঢ়িব পাৰিব বুলি তেওঁ স্পষ্টকৈ কৈছে—"আমাৰ আছে ভৱিষ্যতৰ সুস্থ ৰঙা সূৰ্যৰ পিনে চকু।" 'কয়লা', 'কুকুৰ' আদি কবিতাত অমূল্য বৰুৱাই প্ৰকৃত সত্যক সাহসেৰে উন্মুক্ত কৰি দিছে। কবিয়ে প্ৰচলিত সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন বিচাৰিছে— "ঘন সম্প্ৰসাৰিত ঔদ্যোগিক সভ্যতাৰ বিকাশ, মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ আৰু নিপীড়িত মানৱতাৰ প্ৰতি আন্তৰিক সংবেদনা এই সকলোবোৰ মিলি তেওঁৰ কবিতাক এটা প্ৰগতিশীল বাস্তৱ নিৰ্ভৰ সুৰ দিলে, যি সুৰ আগেয়ে অসমীয়া কবিতাই নাজানিছিল। সেইবাবেই অমূল্য বৰুৱাক আধুনিক কবিতাৰ অগ্ৰণী বুলি কোৱা হয়।"[৫]

ভৱপ্ৰসাদ ৰাজখোৱাই 'বিদ্ৰোহী বিধৱা', 'মুটীয়া', 'বিক্ষাবালা' আদি কবিতাত সৰ্বহাৰাৰ ছবি আঁকিছে আৰু তেওঁৰ চিন্তা বিপ্লৱমুখী হৈ পৰিছে। ভবানন্দ দত্তৰ নাচিকেতা ছদ্মনামত প্ৰকাশিত 'ৰাজপথ' কবিতাত নগৰীয় সভ্যতাৰ নৈতিক অবক্ষয়ৰ চিত্ৰ পোৱা যায়।

চল্লিশৰ দশকতে হেম বৰুৱাৰ 'বান্দৰ' কবিতাই অসমীয়া কাব্য জগতত এটা নতুন ধাৰাৰ শুভাৰম্ভ কৰে। হেম বৰুৱাই তেওঁৰ কবিতাত শিথিল ৰোমাণ্টিচিজিমৰ ঠাইত বাস্তৱবাদক প্ৰতিষ্ঠা কৰিলে। 'পূজা', 'গুৱাহাটী ১৯৪৪' আদি কবিতাই তেওঁক সমাজ সচেতন কবি হিচাপে খ্যাত কৰিছে। 'বিহুৰ দিনৰ গান', 'জাৰৰ দিনৰ সপোন' আদি কবিতাত আছে উজ্জ্বল ভৱিষ্যৎ-স্বপ্নৰ প্ৰকাশ।

*'আমাৰ বলিষ্ঠ আশাবাদী মন*
*ভৱিষ্যতৰ স্বপ্ন সমুজ্জ্বল'*

(বিহুৰ দিনৰ গান)

জনতাৰ কাষত থিয় হৈ কবিয়ে নিৰ্ভীক চিত্তে জনতাক আশ্বাসৰ বাণী শুনাইছে—

*আমাৰ চকুত আশাৰ নেজাল তৰা*
*এই জ্বলে। এই মৰে*
.... .... .... .... .... .... ....
*আমাৰ বাহুত হেজাৰ যুগৰ শৌৰ্য-বীৰ্য।*
*হাতত তোমাৰ কাচিৰ নাচ*
*চকুৰে নমনা সোণালী ধান।*

(জাৰৰ দিনৰ সপোন)

দৰিদ্ৰ লোকক শোষণ-নিষ্পেষণ কৰা পুঁজিপতি দালালহঁতৰ প্ৰতি তীব্ৰ বিদ্বেষ প্ৰকাশ পাইছে হেম বৰুৱাৰ কবিতাত ....... 'তেজপিয়াৰ বংশনাশলৈ কিমান দিন বাকী?' হেম বৰুৱাৰ কবিতাত আছে নতুন আশাৰ ৰেঙণি। ডঃ মহেন্দ্ৰ বৰাই তেওঁৰ কবিতাৰ বিষয়ে উল্লেখ কৰি কৈছে—"তেখেতৰ কবিতা যেন পঙ্গু ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ওপৰত খহি পৰা এটা বিৰাট অভিশাপ।

বৰ্তমানৰ সমাধিৰ ওপৰত তেখেতে নতুন দিনৰ সুস্থ সমাজ গঢ়ি তোলাৰ সপোন দেখে। কুমাৰী পৃথিৱী বৰুৱাৰ চকুত নতুন সম্ভাৱনাৰে অন্তঃসত্বা। কদৰ্য পৃথিৱীৰ অশ্লীল উষ্মা আৰু দিন সলনিৰ সপোন বৰুৱাৰ কবিতাত সদায় ওচৰা-ওচৰিকৈ আঁউজি থাকে।"[৬]

পুঁজিপতি দালালহঁতৰ প্ৰতি থকা তীব্ৰ বিদ্বেষ 'জাৰৰ দিনৰ সপোন'ত অতি স্পষ্ট। কবিয়ে এই সকলোবোৰ মষিমূৰ কৰি এক বৈপ্লৱিক পৰিবৰ্তনৰ মাজেৰে বন্ধ্যা পৃথিৱীক মাতৃ কুন্তীৰ ৰূপত পাবলৈ বিচাৰিছে। 'বিহুৰ দিনৰ গান'ত এই চিন্তাৰ সুন্দৰ প্ৰকাশ ঘটিছে। বৈপ্লৱিক চিন্তাধাৰাক বাদ দিলেও হেম বৰুৱাৰ কবিতাত আছে অতীত স্মৃতি ৰোমন্থন, ভৱিষ্যতৰ স্বপ্ন—ব্যক্তিগত চিন্তাৰ প্ৰকাশ। টি. এছ. ইলিয়ট, এজ্ৰা পাউণ্ডৰ বৌদ্ধিক বিস্তাৰ হেম বৰুৱাৰ কবিতাত আছে। মিশ্ৰিত বাক্‌ভংগী, ৰোমান্টিকতা বিৰোধী চিত্ৰকল্প, প্ৰতীক আৰু গদ্য ছন্দৰ প্ৰয়োগ কৰি সাম্প্ৰতিক অসমীয়া কবিতাত হেম বৰুৱাই এখন সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল।

মাৰ্ক্সবাদক জীৱনৰ আদৰ্শ হিচাপে গ্ৰহণ কৰা কবি ধীৰেন্দ্ৰ নাথ দত্তৰ কবিতাত বনুৱা শ্ৰেণীৰ মুক্তিৰ আকাংক্ষা তীব্ৰ ৰূপত প্ৰকাশ পাইছে। বুৰ্জোৱা সমাজৰ বিৰুদ্ধে কলম হাতত লোৱা অন্য এজন কবি অজিত বৰুৱাৰ কবিতাত আধুনিক নাগৰিকৰ মানসিকতা, প্ৰতীকবাদৰ ইংগিতময়তাৰ সুন্দৰ প্ৰকাশ দেখা যায়। 'তীখা' আৰু 'হাতুৰী' কবিতাত কবিয়ে জৰাজীৰ্ণ সমাজ ব্যৱস্থা ভাঙি নতুন সমাজ তথা সৰ্বহাৰাৰ নতুন ভৱিষ্যৎ গঢ়াৰ ইংগিত দিছে—

*দৃপ্ত হাতৰ হাতুৰিৰ কোব—*
*ফিৰিঙতি সৌ ছিটিকি পৰে,*
*ৰঙা তীখা পিটি বিজয়ী মানুহে*
*নতুন যুগৰ ভিত্তি গঢ়ে।*

(তীখা)

নৱকান্ত বৰুৱা সাম্প্ৰতিক কাব্য জগতৰ সাৰ্থক কবি। 'হে অৰণ্য হে মহানগৰ' কাব্যগ্ৰন্থৰে আধুনিক কাব্য জগতত আত্মপ্ৰকাশ কৰা কবি নৱকান্ত বৰুৱাৰ কবিতাত বিভিন্ন দিশ উন্মোচিত হৈছে। "মহাযুদ্ধোত্তৰকালৰ অসমীয়া কবিতাৰ ভাষাত যি নমনীয়তা, গদ্যাশ্ৰয়ী ছন্দ আৰু বাক্যৰ গাঁথনি, চিত্ৰকল্প আৰু প্ৰতীকৰ বৈচিত্ৰ্য, নাটকীয় গতিবেগ আদি আমি দেখা পাওঁ, তাৰে বিৱৰ্তনত কবি নৱকান্ত বৰুৱাৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। নৱকান্ত বৰুৱাৰ কবিতা শৈলীৰ সামগ্ৰিক বিশ্লেষণ কৰিলে দেখা যায় তাত প্ৰতীকবাদী শৈলীৰ কিছুমান লক্ষণ কবিৰ নিজা ভংগীৰ অংশ বিশেষ হৈ পৰিছে।"[৭] নৱকান্ত বৰুৱা কোমল অনুভূতিৰ আশাবাদী কবি। 'পলস' কবিতাত এই আশাবাদ স্পষ্ট।

*'আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত*
*আমি সাৰ পাম।'*

মহেন্দ্ৰ বৰা অন্যতম আধুনিক কবি। প্ৰতীকী ভাষা, চিত্ৰকল্প নিৰ্মাণ, সাঙ্গীতিক গীতিময়তা, ৰোমান্টিক চঞ্চলতা মহেন্দ্ৰ বৰাৰ কবিতাৰ বিশেষত্ব। বিচিত্ৰ বৰ্ণনা ভঙ্গী, বৰ্ণাঢ্য উপমা, ভাৰতীয় দৰ্শনৰ লগে লগে পাশ্চাত্যৰ বুদ্ধিদীপ্ততাই ড° বৰাৰ কবিতাক অনিৰ্বচনীয়তা দান কৰিছে।

প্ৰগতিবাদী চিন্তা আৰু জনতাৰ মুক্তি কামনাৰে কবিতা লিখা কবি বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য সবল আশাবাদী কবি। তেওঁৰ গভীৰ বিশ্বাস শোষিত-নিপীড়িত জনতাই মুক্তি লাভ কৰিব আৰু সোণালী

ভৱিষ্যতৰ পিনে অগ্ৰসৰ হ'ব। 'বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি'ত তেওঁ ৰঙা সূৰুযক মুক্তিৰ প্ৰতীক আৰু ৰাভাৰ পুঁজিপতি শোষকৰ দাৰুণ অত্যাচাৰৰ বলিৰ প্ৰতীক হিচাপে চিহ্নিত কৰিছে —

*বিষ্ণু ৰাভা, সৌৱা ঘূৰণীয়া বেলি*
*ৰঙা মুখ-ফুটে সঁচা আবেগত*
*মুক্তিৰ কঁপনি।*
*শেষ নিশা সেইয়া অখ্যাতজনৰ সমদল সমাগত*
*সমস্বৰে ফুটে পোহৰ! পোহৰ!!*
*জীৱনৰ জয়ধ্বনি।*

পঞ্চাদশ দশকত ভালেমান কবিয়ে আত্মপ্ৰকাশ কৰিছে। নীলমণি ফুকন, হৰি বৰকাকতি, কেশৱ মহন্ত, অমলেন্দু গুহ, ৰাম গগৈ, হেমাঙ্গ বিশ্বাস, দিনেশ গোস্বামী, হীৰেণ গোঁহাই, হোমেন বৰগোহাঞি আদিৰ কবিতাত বাস্তৱ চেতনা, বাওঁপন্থী ৰাজনৈতিক দৃষ্টিভঙ্গী প্ৰকট হৈ উঠাৰ লগে লগে ৰোমান্টিক মানসিকতাইয়ো দুই-একৰ কবিতাত মূৰ্ত হৈ উঠিছে।

নীলমণি ফুকনৰ কবিতাত আছে আধুনিক যান্ত্ৰিক সভ্যতাৰ সংঘাতময় প্ৰকাশ, বুদ্ধিনিষ্ঠতাৰ লগত সাঙ্গীতিক গীতিধৰ্মিতাৰ ঐক্য স্থাপন, প্ৰতীক, Myth আৰু Archetype-ৰ সুন্দৰ সমাহাৰ। শব্দ বিন্যাসত ফুকনৰ কৃতিত্ব পৰিলক্ষিত হয়। চিত্ৰকল্পৰো সুন্দৰ প্ৰয়োগ ফুকনে কৰিছে—

*শূন্যতাৰ হাতৰ পৰা সৰি পৰিল*
*দিনৰ হিৰন্ময় হৃদয় পাত্ৰ*
(ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত)

হৰি বৰকাকতিয়ে আধুনিক কবিতাৰ পৰা বিচ্ছিন্ন হৈ পৰা ৰোমান্টিক আমেজক তেওঁৰ কবিতাত পুনৰ প্ৰতিষ্ঠিত কৰিছে। ভবানন্দ দত্তই এওঁৰ কবিতাক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে—“তেওঁৰ জীৱনবোধ ব্যক্তিকেন্দ্ৰিক আৰু সেই হিচাপে উপৰুৱা। ফ্ৰয়েডৰ মনঃস্তত্বৰ মোহত পৰি জীৱনৰ বিকৃত ছবিকে লৈ চাৰিওফালে কেৱল লিবিডো আৰু সাংকেতিক প্ৰকাশহে দেখিছে।”[৮]

প্ৰগতিশীল আৰু প্ৰতীকী দুয়োবিধ চিন্তাধাৰাকে স্থান দিয়া কবি কেশৱ মহন্তৰ কবিতাত বৈপ্লৱিক পৰিবৰ্তনৰ জৰিয়তে নতুন সমাজ গঢ়াৰ দৃঢ়তা আছে। নতুন আলোকেৰে আলোকিত মেহনতী জনতাৰ পৃথিৱীৰ ছবি 'নতুন পৃথিৱী' কবিতাত 'আন্ধাৰ আৰু পোহৰ' কবিতাত নিষ্পেষিত কুলি-মজদুৰৰ ছবি কবি মহন্তই অতি সহানুভূতিৰে অঙ্কণ কৰিছে। শ্ৰমজীৱী মেহনতী জনতাৰ জয়গান গাইছে সাম্যবাদী কবি অমলেন্দু গুহই। অন্য এগৰাকী জনতাৰ কবি হেমাঙ্গ বিশ্বাসে তেওঁৰ কবিতাত সৰ্বহাৰাৰ জীৱন সংগ্ৰামৰ নিৰ্মম অত্যাচাৰৰ ছবি আঁকিছে। বিপ্লৱৰ বাবে সাজু হ'বলৈ তেওঁ জনতাক সকীয়নি দিছে।

সাম্প্ৰতিক কালৰ অন্য দুজন সাৰ্থক কবি হ'ল, হীৰেণ ভট্টাচাৰ্য আৰু নিৰ্মলপ্ৰভা বৰদলৈ। দুয়োগৰাকীয়ে মুখ্যতঃ গীতিকবি। হীৰেণ ভট্টাচাৰ্যৰ কবিতাত আছে অনাস্বাদিতপূৰ্ব তীক্ষ্ণতা, ব্যক্তিগত প্ৰেমৰ আবেগ-অনুভূতিৰ লগত দেশপ্ৰেমৰ অপূৰ্ব সমন্বয়। অনৰ্থক জটিলতা ভট্টাচাৰ্যৰ কবিতাত একেবাৰে নাই। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত আছে নতুন গীতিধৰ্মী সজীৱতা, মধ্যবিত্ত জীৱনৰ প্ৰতিকূল পৰিবেশৰ বৰ্ণনা, কল্পচিত্ৰৰ মৃদু সৌৰভ, ভাবানুভূতিৰ প্ৰগাঢ়তা আৰু কম শব্দৰ সাৱলীল গাঁথনি। হীৰেন্দ্ৰনাথ দত্ত, হৰেকৃষ্ণ ডেকা, ভবেন বৰুৱা আদিয়ে অভিনৱ চিত্ৰকল্প ৰচনাত প্ৰতিভাৰ পৰিচয় দিব পাৰিছে। হীৰেণ

গোহাঁইয়ে বৰ্তমান সমাজ ববস্থাৰ পৰিবৰ্তন বিচাৰিছে কবিতাৰ মাজেৰে। মাৰ্ক্সীয় আশাবাদ গোহাঁইৰ কবিতাৰ উৎস।

এইসকলৰ বাহিৰেও নবীনৰূপে কাব্য জগতত প্ৰৱেশ কৰা আনিজ-উজ-জামান, নিত্যা দত্ত, মোহনকৃষ্ণ মিশ্ৰ, গায়ত্ৰী কোঁৱৰ, হৰিপ্ৰিয়া বৰুকিয়াল, জ্ঞান পূজাৰী, অমিত সৰকাৰ, ৰবীন্দ্ৰ বৰা, দিলীপ ফুকন আদি কবিসকলৰ হাতত প্ৰতীকৰ ব্যৱহাৰ কিছু কমি প্ৰকাশভঙ্গী আগৰ তুলনাত যথেষ্ট সৰলীকৃত হৈছে। নীলমণি ফুকনৰ প্ৰভাৱ এই তৰুণ কবিসকলৰ ওপৰত বাৰুকৈয়ে পৰিলক্ষিত হয়।

সাম্প্ৰতিক কবিতাই স্ব-মহিমাৰে মহিমামণ্ডিত হ'ব পৰা নাই। সাম্প্ৰতিক কবিতাৰ ধাৰণাই অসমীয়া কাব্যজগতত এক নতুন যুগৰ সূচনা কৰিলে। ■

## সূত্ৰ সংকেত ঃ

১. উল্লাহ, ইমদাদ ঃ সৃজন আৰু মনন; পৃঃ ৭৭-৭৮
২. নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ৩৪১
৩. শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ৪৩১
৪. শৰ্মা, হেমন্ত কুমাৰ ঃ "অসমীয়া সাহিত্যত দৃষ্টিপাত", পৃঃ ২৩১
৫. কটকী, চন্দ্ৰ ঃ আধুনিক অসমীয়া কবিতা, পৃঃ ২৩
৬. বৰা, মহেন্দ্ৰ (সম্পাঃ) ঃ 'নতুন কবিতা'; পৃঃ ৫
৭. উল্লাহ, ইমদাদ ঃ সৃজন আৰু মনন; পৃঃ ৩৪
৮. দত্ত, ভবানন্দ ঃ 'অসমীয়া কবিতাৰ কাহিনী'; পৃঃ ৮৩

# অৰুণোদয় যুগৰ প্ৰখ্যাত লেখক নিধিলিবাই ফাৰৱেল

● হীৰামণি তালুকদাৰ
সহকাৰী অধ্যাপিকা

ইয়াণ্ডাবু সন্ধিৰ পিছত ইংৰাজসকলে অসমত কেইবছৰমান ৰাজত্ব কৰাৰ পিছতেই অসমীয় ভাষা আৰু সাহিত্য আকাশ এছটা ক'লা ডাৱৰে আবৰি ধৰে। কিন্তু সৌভাগ্যবশতঃ সেই ডাৱৰ বহু বেছি দিনলৈ থকিব নোৱাৰিলে। বৰং পূব আকাশত 'অৰুণোদয়' হোৱাত সেই ক'লা ডাৱৰৰ লগতে এন্ধাৰ লাহে লাহে আঁতৰিল আৰু অসমৰ সাহিত্য আকাশ নতুন আলোকেৰে উজ্জ্বল হৈ উঠিল। দৰাচলতে, অসমীয়াক সৌভাগ্যৱান বুলিয়ে ক'ব লাগিব যিহেতু অসমীয়াৰ এই দুৰ্ভাগ্যৰ সময়তে খ্ৰীষ্টীয় ১৮৩৬-৩৭ চনত এদল মিছনেৰী আহিল খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ। এই উদ্দেশ্য পূৰণৰ বাবে তেওঁলোকৰ প্ৰয়োজন হৈ পৰিল থলুৱ ভাষাৰ জ্ঞান। সেয়েহে তেওঁলোকে অসমীয়া ভাষা শিকি অসমত খৃষ্ট ধৰ্ম প্ৰচাৰ কৰাৰ লগতে অসমীয়া ভাষাটোকো সঞ্জীৱিত কৰিবলৈ দেহে-কেহে লাগিছিল। ইয়াৰ বাবে তেওঁলোকে ছপাশাল আৰু পঢ়াশালি পতাৰ উপৰিও বাতৰি কাকত, ধৰ্মীয় পুস্তক, পঢ়াশালীয়া পুথি, ব্যাকৰণ, অভিধান, বিবিধ বিষয়ক কিতাপ প্ৰণয়ন কৰিলে। প্ৰথমাৱস্থাত তেওঁলোকে ধৰ্ম কাৰ্যত তীব্ৰ বাধাৰ সন্মুখীন হৈছিল যদিও পিছলৈ দুই এজন থলুৱাই পূৰ্ণ সহযোগ কৰাত থমকি ৰ'বলগীয়া নহ'ল। নিধিৰাম কেওঁট এই থলুৱা সকলৰ ভিতৰত আগৰণুৱা আছিল। এইজনা কেওঁটে পোন প্ৰথমে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰি 'নিধিলিবাই ফাৰৱেল' নাম লৈ মিছনেৰী সকলৰ অসমীয়া ভাষা সাহিত্যৰ উদ্ধাৰ আৰু প্ৰচাৰ কাৰ্যত আত্মনিয়োগ কৰি দেশ আৰু জাতিৰ মাজত অমৰ হৈ থাকিল। তেওঁৰ বৰঙণি আৰু কৃতিৰ বিষয়ে চমু আলোচনা দাঙি ধৰা হ'ল—

১৮২৩ চনত তেজপুৰৰ কলংপুৰ মৌজাৰ সুঁতাৰ গাঁওত জন্মগ্ৰহণ কৰা নিধিৰামক নাথান ব্ৰাউন আৰু ও.টি. কাট্ৰাৰৰ পত্নীয়ে সৰুকালৰে পৰা যত্ন কৰি পঢ়া-শুনা শিকায় আৰু ছপাশালৰ কামৰ প্ৰশিক্ষণ দিয়ে। নিধিৰামৰ বুদ্ধি আছিল চোকা। অসমীয়া হিন্দু সন্তান এই নিধিৰামে খৃষ্টধৰ্ম গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। ১৮৪১ চনৰ ১৩ জুনৰ দিনা জয়পুৰত মাইলছ ব্ৰন্সন চাহাবে নিধিৰামক খৃষ্টান ধৰ্মৰ দীক্ষা দি 'নিধিলিবাই ফাৰৱেল' নাম দিয়ে। খৃষ্টান ধৰ্ম প্ৰচাৰ কৰা আৰু সমাজ সেৱাই নিধিৰামৰ জীৱনৰ ব্ৰত হৈ পৰে।

নিধিলিবাইৰ কৰ্মস্থলী হ'ল শিৱসাগৰ। শদিয়াত প্ৰতিষ্ঠিত মিছনেৰী অনুষ্ঠান খামৃতি বিদ্ৰোহৰ পৰিণতিস্বৰূপে ১৮৩৯ চনত জয়পুৰলৈ উঠি আহে আৰু চাৰিবছৰৰ পিছত মিছনেৰীৰ কেন্দ্ৰ মূল শিৱসাগৰলৈ স্থানান্তৰিত হয়। নিধিয়ো মিছনৰ লগতে আহি শিৱসাগৰত থিতাপি লয়হি। তেতিয়াৰে পৰা

মৃত্যুৰ সময়লৈকে নিধিয়ে শিৱসাগৰতে কৰ্মস্থলী পাতি অসমীয়া সাহিত্যলৈ যথাসাধ্যে বৰঙণি দি যায়।

নিধিলিবাই ইংৰাজী আৰু অসমীয়া দুয়ো ভাষাতে পাৰ্গত হৈ উঠিছিল। ১৮৪৬ চনৰ পৰা প্ৰকাশিত 'অৰুণোদয়' কাকতৰ তেওঁ এজন উদ্যোগকৰ্মী আৰু উৎসাহী লেখক আছিল। তেওঁৰ বিষয়বস্তু আছিল বহুমুখী। বেপ্তিষ্ট মিছন প্ৰেছৰ প্ৰায় সকলো কামত একাণপটীয়াকৈ লাগি থকাৰ উপৰিও ধৰ্ম আৰু সাহিত্যচৰ্চাতো মনোনিৱেশ কৰিছিল। 'অৰুণোদয়' যুগৰ লেখকসকলৰ ভিতৰত নিধি অন্যতম। 'অৰুণোদয়' কাকতত এওঁ আৰম্ভণিৰে পৰা মৃত্যুৰ সময়লৈকে গদ্য-পদ্য দুয়োবিধৰে বৰঙণি যোগাইছিল। এওঁ ন, ফ আৰু ন, ল, ফ, এই দুটা চুটি নামেৰে অৰুণোদয়ৰ পাতত নামঘোষা-কীৰ্তনঘোষাৰ আৰ্হিৰ ছন্দৰ পদ্য, নানা প্ৰবন্ধ আদি লিখিছিল আৰু খ্ৰীষ্টিয়ান লেখক সকলৰ আগশাৰীলৈ আহিছিল। ১৮৫২-৫৩ চনত লিখা অসমৰ 'তীৰ্থৰ বিৱৰণ'ত সূক্ষ্ম পৰ্যবেক্ষণ আৰু কাব্যিক সৌন্দৰ্যৰ পৰশ আছে। অৱশ্যে নতুনকৈ ধৰ্মান্তৰ হোৱা মানুহে ত্যক্ত ধৰ্মৰ প্ৰতি বিৰূপ মন্তব্য প্ৰকাশ কৰাৰ দৰে নিধিয়েও কামাখ্যা, হাজো আদি হিন্দু তীৰ্থৰ বিষয়ে পাতল মন্তব্য প্ৰকাশ কৰিছে। আনপিনে; আকৌ তেওঁৰ কবিতাবোৰ বৈষ্ণৱ ৰচনাৰ অনুৰূপ। 'নিস্তাৰৰ উপাই' নামৰ কবিতাত লিখিছে —

"মতস্যৰূপে অৱতাৰ ভৈলা প্ৰথমতে,
ধধাৰিলা চাৰিবেদ প্ৰলয় জলতে।
ত্ৰিতিয় বৰাহ ৰূপে ভূমি উধাৰিলে,
হিৰৈণ্যাখ্য মহাবিৰ দৈত্যক ধৰিলে।"

এইদৰে, 'হিন্দুৰ দশাৱতাৰ' বৰ্ণনা কৰি শেষত খৃষ্টান ধৰ্মমতে নিস্তাৰৰ উপায় আঙুলিয়াই কৈছে —

খ্ৰীষ্টৰূপে অৱতাৰ হৈয়া প্ৰিথিবিতে,
উধাৰিছে পালিগণ স্বপ্ৰাণ দানতে।

দুলড়ী ছন্দত লিখা আন এটা কবিতা 'প্ৰভু যিচু খৃষ্টৰ অৱতাৰ বিৱৰণ' বিশেষ মনোগ্ৰাহী —

যিচুৰ চৰিত্ৰ অত্যন্ত পবিত্ৰ
গুণবন্ত মনোহৰ,
সুনা মন দিয়া ত্ৰিপ্ত হ'ব হিয়া
অম্ৰিত বাক্য সুন্দৰ।

'বিনয় বচন' পদ্যতো এই একেই কথা। পদ্যটোত যিচু শব্দৰ ঠাইত কৃষ্ণ শব্দ বহুৱাই দিলে বৈষ্ণৱ ৰচনাৰ আত্মীয়তা অনুভূত হ'ব—

"সুনা সৰ্বজন বিনই বচন
ৰিদয়ে দিওক বাস,
পাপ তৰিবৰ যিচু পদ সাৰ
নাহি অন্য আৰ আস।
তেৱে দয়াতুৰ আপুনি ইশ্বৰ
পুৰ্ণ ব্ৰহম সনাতন,
যিচু বিনে আৰ সকলো অসাৰ
ভাবি দেখা সৰ্বজন।।

বৈষ্ণৱ কাব্যাদৰ্শৰ আৰ্হি লৈ তেওঁ পদ; ছবি, দুলড়ী, লেছাৰি আদি ছন্দ প্ৰয়োগ কৰিছিল। ফাৰৱেলৰ কবিতাবোৰ পুৰণি সাঁচত ঢলা। সেইবোৰক প্ৰকৃত অৰ্থত কবিতা বুলিব নোৱাৰি। তথাপি, এওঁৰ হাততে কবিতাই যেন নতুন আদৰ্শ লৈ আঁতৰি আহিবৰ যত্ন কৰা দেখা যায়। গতিকে, আধুনিক অসমীয়া কবিতাৰ দুৰ্বল আৰম্ভণি ফাৰৱেলতে হয়। খৃষ্টধৰ্মৰ মহিমা, হিন্দু ধৰ্ম আৰু অনুষ্ঠানৰ প্ৰতি বিদ্ৰূপ আৰু খৃষ্টধৰ্মই যে একমাত্ৰ ত্ৰাণকাৰক ধৰ্ম সেই কথা কবিতাবোৰত প্ৰকাশ হৈছে।

কবিতাৰ উপৰি 'অৰুণোদয়' কাকতত তেওঁৰ

কিছুমান চিঠি আৰু প্ৰবন্ধও প্ৰকাশিত হৈছিল। আলোচনীখনত প্ৰকাশিত ৰচনাৰাজিৰ উপৰিও কানি বেহেৰুৱাৰ সাধু, সত্য গুৰুৰ পৰিচয় আৰু এজন দেশীয় লোকে লিখা আদি পুথি বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা ছপা হৈ ওলাইছিল। 'ভাৰতীয় দণ্ডবিধি আইন' আৰু 'পদাৰ্থ বিদ্যাৰ সাৰ' নামৰ দুখন পুথিও অনুবাদ ৰূপত প্ৰকাশ হৈছিল। ইয়াৰ উপৰিও তেৰেই বাইবেলৰ কিছুমান খণ্ড আৰু খ্ৰীষ্টীয় প্ৰাৰ্থনা - গীতো অসমীয়ালৈ অনুবাদ কৰিছিল। উল্লেখ্য যে তেওঁৰ সকলোখিনি ৰচনাই ধৰ্মকেন্দ্ৰিক হোৱা বাবে তাত প্ৰচাৰধৰ্মী মনোভাৱ বিৰাজমান। যথাৰ্থতে অৰুণোদয় কাকতৰ ধৰ্মমূলক ৰচনাৰ তেৰেঁই ধৰণী আছিল।

ফাৰৱেলৰ গদ্য ৰচনাও ব্ৰাউন-ব্ৰন্সনৰ আদৰ্শৰ অনুৰূপ। তেওঁৰ প্ৰকাশভঙ্গী প্ৰাঞ্জল আৰু সৰ্বত্ৰতে ওজস্বিতা বিদ্যমান। অৰুণোদয়ত প্ৰকাশিত 'তিনিজন ভাইৰ মিস্যনেৰি জাত্ৰা' শিতানৰ ৰচনাখন বোধকৰো অসমীয়া সাহিত্যৰ প্ৰথম কাহিনী। ৰচনাখনত উজ্জ্বল বৰ্ণনাৰ চানেকি থকাৰ উপৰিও খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে কৰা প্ৰচেষ্টাৰ প্ৰমাণ পোৱা যায়। দৃষ্টান্তৰূপে 'তিনিজন ভাইৰ মিস্যনেৰী জাত্ৰা'ৰ কিয়দাংশ তুলি দিয়া হ'ল—

(ক) "আমি সিৱসাগৰ জিলাৰ পৰা ৬ ডিচেম্বৰত প্ৰথমে গৈ আউনিআটি সত্ৰৰ ভাটি-এ ভেঁকেলিমুখত থকা মিৰি গাওঁ পালোঁ।"

(খ) "আমাৰ ভাইবিলাকে এনে ৰূপে গৈ সিবিলাকৰ আগত সত্য অৱতাৰ প্ৰভু যিচু খ্ৰীষ্টৰ সুভ বাৰ্তা কিৰ্তন কৰাত সিবিলাকে সুনি বিস্মই মানিলে।"

১৮৬১ চনত নগাঁৱৰ ফুলগুৰিত হোৱা কৃষক বিদ্ৰোহীৰ বিষয়ে 'নগঞা দ্ৰোহীসকলৰ চৰিত্ৰ বৰ্ণনা শিতানত লিখা ৰচনাখনত মহৰ সিঙত কঁকিলা দাঁৰ মৰা, 'মৌপীয়া চটকে পৰ্বত লই তুলি' 'ঢোল যেন কণী পাৰে চুঙ্গাৰ বাদুলি', 'পানীৰ তলৰ কাইট', 'লোকলৈ বুলি হুল পুতি' আদি বহল অৰ্থ প্ৰকাশক খণ্ডবাক্যৰ প্ৰয়োগ দেখা যায়। উক্ত কাকততে 'হিন্দুস্থানৰ বুৰঞ্জী' খণ্ড খণ্ডকৈ ওলাইছিল। বুৰঞ্জীখনৰ বৰ্ণনাত বিশালতা আছে। কোনোবা ইংৰাজ লেখকৰ ছাঁ লৈ ফাৰৱেলে বুৰঞ্জীখন লিখা যেন লাগে। অৰুণোদয় কাকতত প্ৰকাশিত 'তয়ো মাৰি দিবি' পঢ়াশলীয়া ল'ৰাবিলাকৰ উদ্দেশ্যে ৰচিত 'গিয়ান' আদি ৰচনায়ো ফাৰৱেলৰ কথাৰীতিৰ চানেকী দাঙি ধৰে। সেই সময়ৰ অসমীয়া ভাষা-সাহিত্যৰ পৰিস্থিতি আৰু পৰম্পৰালৈ চালে নিধিলিবাই ফাৰৱেল নিঃসন্দেহে এজন শিৰফুটা লেখকেই আছিল।

ফাৰৱেল অসমীয়া আছিল যদিও ভাষা ৰীতিৰ ক্ষেত্ৰত ব্ৰাউন-ব্ৰন্সনে ব্যৱহাৰ কৰা বৰ্ণবিন্যাসৰ ৰীতিহে অনুসৰণ কৰিছিল। অৱশ্যে এই ৰীতি সাধাৰণ অসমীয়া কথিত আৰু উচ্চাৰণৰ ঠাঁচৰেই পৰিণতি বুলিব পাৰি। এই ৰীতিত ফাৰৱেলৰ আস্থা আছিল আৰু পৃষ্ঠপোষকতা কৰিছিল। তেওঁৰ 'বিনই বচন', 'নিস্তাৰৰ উপাই' আদি ৰচনা মিছনেৰীৰ বৰ্ণ বিন্যাসৰ ৰীতিৰে লিখিলেও অসমীয়া পুৰণি কাব্যাদৰ্শৰ চানেকি দেখা যায়।

ফাৰৱেল এজন প্ৰকৃত মিছনেৰী কৰ্মী আছিল বুলি মুক্ত কণ্ঠে ক'ব পাৰি। মিছনেৰী চাহাববিলাকৰ লগত থাকি, তেওঁ বিলাকৰ আদৰ্শৰেই অনুপ্ৰাণিত হৈছিল। খৃষ্টান ধৰ্ম আৰু সাহিত্য সেৱাই তেওঁৰ জীৱনৰ ব্ৰত আছিল। ব্ৰন্সন চাহাবে প্ৰণয়ন কৰা অসমীয়া-ইংৰাজী অভিধানৰ বাবে ফাৰৱেলে বহুতো শব্দ সংগ্ৰহ কৰি দিছিল আৰু ছপা কাৰ্যতো সহায়তা কৰিছিল।

ফাৰৱেলে ব্ৰাউনৰ অসমীয়া বাইবেলখনত চিমুএল, সৰু চিমুএল আদি খণ্ড সংযোগ কৰে। সেয়েহে ব্ৰউন চাহাবে আমেৰিকালৈ গৈয়ো নিধিলৈ চিঠি লিখিছিল— "শ্ৰীনিধিলিবাই আৰু কলিবৰ আদি কৰি আমাৰ সকলো খ্ৰীষ্টিয়ান ভাই-ভনীবিলাকলৈ পাদুৰী ব্ৰাউন চাহাব আৰু মেম চাহাবেও হেজাৰ হেজাৰ চেলাম দিছে।"

পৰিশেষত ড° মহেশ্বৰ নেওগদেৱে অৰুণোদয়ৰ ধলফাটৰ ভূমিকাত নিধিৰ বিষয়ে লিখা কথাখিনি ক'ব পাৰি—

"অৰুণোদয়ত সকলোতকৈ বেছি প্ৰবন্ধ কবিতা লিখা লেখক হ'ল নিধিলিবাই ফাৰৱেল। অসমীয়া খ্ৰীষ্টিয়ান সাহিত্যলৈ এওঁৰ বৰঙণিয়েই সেইদেখি আটাইতকৈ ডাঙৰ বুলি আমাৰ অনুমান হয়, এওঁ অৰুণোদয়ৰ সম্পাদকসকলৰ সদায় সোঁহাত আছিল। এওঁৰ প্ৰবন্ধৰ বিষয় অতি বিস্তৃত।"

অসমীয়া ভাষা-সাহিত্যলৈ তেওঁৰ জীৱনৰ জোখাৰে অধিক বৰঙণি দি এই আশাশুধীয়া লেখকজনে ১৮৭৩ চনত শিৱসাগৰত শেষ নিশ্বাস ত্যাগ কৰে। গহপুৰ, জয়পুৰ আৰু ৰংপুৰক যথাক্ৰমে জন্মস্থান, ধৰ্মস্থান আৰু কৰ্মস্থান ৰূপে লাভ কৰি নিধিয়ে জীৱনত সমৃদ্ধি লাভ কৰিছিল। আজিও এই তিনিপুৰে নিধিৰামৰ স্মৃতি ভৰপূৰকৈ ৰাখিছে। ■

# পদ্মনাথ গোহাঞিবৰুৱাৰ 'লীলা' কাব্য ঃ এটি বিশ্লেষণ

● ড°মণিমা ভূঞা
সহকাৰী অধ্যাপিকা
মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পিছতে অসমীয়া নৱন্যাস আন্দোলনৰ গুৰি ধৰোতা বিশিষ্ট সাহিত্যিক গৰাকীয়েই হ'ল পদ্মনাথ গোহাঞিবৰুৱা (১৮৭১–১৯৪৬)। জোনাকী যুগৰ শ্ৰেষ্ঠ সাহিত্যিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰৱৰ্ত্তী স্থান অধিকাৰ কৰি লৈছে পদ্মনাথ গোহাঞিবৰুৱাই। যাক জোনাকী যুগৰ অন্যতম কৰ্ণধাৰ বুলিব পাৰি। 'লীলাকাব্য', 'ফুলৰ চানেকি', 'জুৰণি' প্ৰভৃতি কাব্য পুথিৰে ৰমন্যাসিক কাব্য জগতত বিশিষ্ট আসন লভা গোহাঞিবৰুৱা বহুমুখী প্ৰতিভাৰ অধিকাৰী সাহিত্যিক আছিল। এগৰাকী বিশিষ্ট কবি হোৱাৰ উপৰিও তেখেত একেধাৰে নাট্যকাৰ, উপন্যাসিক, বুৰঞ্জীবিদ তথা সাংবাদিক আছিল। উপন্যাস ৰচনাত জোনাকী যুগত তেৱেঁই প্ৰথম গৌৰৱৰ অধিকাৰী। 'ভানুমতী' (১৮৯১ খ্ৰীঃ) আৰু 'লাহৰী' (১৮৯২ খ্ৰীঃ) অসমীয়া উপন্যাসৰ মাইলৰ খুটা স্বৰূপ। নাটসমূহৰ ভিতৰত 'জয়মতী', 'গদাধৰ', 'লাচিত বৰফুকন', 'সাধনী', 'বাণৰজা', 'গাঁওবুঢ়া' আদি প্ৰধান। 'জোনাকী' দলৰ মূলসুঁতিৰ পৰা আঁতৰি আহি কৃষ্ণপ্ৰসাদ দুৱৰা আৰু বেঁণুধৰ ৰাজখোৱাৰ লগ লাগি 'বিজুলী' (১৮৯০) কাকত সম্পাদনাৰ কাম হাতত লয়। আধুনিক অসমীয়া সাহিত্যলৈ এই কাকতখনিৰো কিছু বৰঙণি আছে। পৰৱৰ্ত্তী সময়ত 'ঊষা' আৰু 'আসাম বন্তি' নামৰ আন দুখন কাকতৰো সম্পাদনাৰ ভাৰ গ্ৰহণ কৰিছিল আৰু ৰমন্যাসিক আন্দোলনলৈ অৰিহনা যোগাইছিল। তেখেতৰ 'মোৰ সোঁৱৰণী' নামৰ আত্মজীৱনীৰ পুথি আৰু 'শ্ৰীকৃষ্ণ' নামৰ তত্ত্বমূলক গ্ৰন্থৰ মাজেৰেও তেখেতৰ স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ জিলিকি উঠিছে।

১৮৯৯ চনত প্ৰথমা পত্নী লীলাৱতীৰ মৃত্যু হোৱাত প্ৰিয়তমা পত্নীৰ সুমধুৰ সোঁৱৰণীৰে উদ্বেলিত হৈ গোহাঞিবৰুৱাই 'লীলা' কাব্য ৰচনা কৰে। গোহাঞিবৰুৱাৰ এই কাব্যখনি প্ৰকৃত অৰ্থত এক দীঘাৱয়বী বৰ্ণনাত্মক শোক কবিতা। ই যেন প্ৰিয়াবিহীন সংসাৰত অকলশৰীয়া কবিৰ শোকবিহ্বল অন্তৰ ভেদি ওলোৱা এক বিষাদ গাঁথা অথবা অনন্ত শোক-সুৰৰ গুণ-গুণনি।

শোক গীতি বা elegy পোনতে গ্ৰীক কবি বিয়োনে ৰচনা কৰিছিল আৰু এনে নীতিকেই অনুসৰণ কৰি মিল্টনে 'লিচিডাছ্' শৈলীয়ে 'এডোনাইছ' আৰু আৰ্ণোল্ডে 'থাৰছিছ্' লিখে। এওঁলোকৰ উপৰিও বেন্ জন্ছন, গ্ৰে, টেনিছন, ৰাটছন আদি কবিয়ে ভালেমান আগশাৰীৰ শোক-কবিতা লিখে। 'Elegy' শব্দটো গ্ৰীক 'Elegos' শব্দৰ পৰা অহা কিন্তু

প্ৰাচীন গ্ৰীক ইলিজিয়ে খেদগীতি বা শোকাত্মক কবিতাক বুজোৱাৰ উপৰিও ব্যক্তিগত অভিজ্ঞতাপ্ৰসুত যিকোনো কবিতাকে বুজাইছিল। শোকানুভূতিৰ আন্তৰিকতাই খেদগীতিৰ মূল সম্পদ। জোনাকী যুগত অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ লগে লগে কবিতাৰ অন্যান্য শাখাৰ লগতে এই শ্ৰেণীৰ কাব্যধাৰায়ো সমৃদ্ধি লাভ কৰে।[২]

শোক কবিতাত কোনো লোক বা জাতিৰ মৃত্যুৰ করুণ কাহিনী ব্যক্ত কৰি গভীৰ শোক প্ৰকাশ কৰা হয়। ব্যক্তিগত বেদনাৰ পোনপটীয়া প্ৰকাশেই শোক কবিতাৰ উপজীব্য। ব্যক্তিগত শোকানুভূতিয়ে কবিতাৰ ৰূপ লাভ কৰিলে সেই কবিতাক 'মনোডি' (monody) বোলা হয়। শোক আবেগৰ গভীৰ আন্তৰিকতা আৰু প্ৰকাশভংগীৰ ঐকান্তিক নিষ্ঠাই হ'ল শোক কবিতাৰ মূল বৈশিষ্ট্য। ইয়াত ভাবৰ কৃত্ৰিমতা নাথাকে। এনে কবিতা কোনো মৃত ব্যক্তিৰ স্মৃতি সম্বন্ধীয় নাইবা প্ৰশংসাসূচক হ'ব পাৰে।

অসমীয়া সাহিত্যত পদ্মনাথ গোহাঞিবৰুৱাৰ উপৰিও ৰত্নকান্ত বৰকাকতি, নলিনীবালা দেৱী আদিয়েও শোক কবিতা ৰচনা কৰিছে। গোহাঞিবৰুৱাৰ 'লীলা' কাব্যৰ মূল উপজীব্য মৃতা পত্নীৰ সুমধুৰ সোঁৱৰণ আৰু সু-গভীৰ প্ৰেম। ১৮২১ শকৰ দুৰ্গোৎসৱৰ বিজয়া দশমীৰ দিনা জহনী ৰোগত আক্ৰান্ত হৈ নৰিয়া পৰাৰ সাতদিনৰ দিনা গোহাঞিবৰুৱাৰ প্ৰাণ-প্ৰিয়া লীলাৱতীৰ দেহাৱসান হয়। গোহাঞিবৰুৱাদেৱে 'মোৰ সোঁৱৰণী'ত সেই মৰ্মান্তিক দৃশ্যৰ বৰ্ণনা কৰিছে এনেদৰে— '...সেই অন্তিম কালত সেহাই সেহাই 'সেই কথাটি' দুনাই ডাঠি মোৰ মনত পেলাই দি চকুৱে চকুৱে চাই ৰ'ল। সেই চকু চোৱা-চুইতে ভৰদুপৰত কৃষ্ণপক্ষৰ দ্বিতীয়াত লীলাৱতীয়ে সাংসাৰিক লীলা সামৰি চিৰকাললৈ মানৱী চকু মুদি সৃষ্টি লীলাৰ কালসাগৰত বুৰ মাৰিলে।'[৪]

ভাৰ্যা বিয়োগৰ দুৰ্ঘটনাই গোহাঞিবৰুৱাৰ জীৱনলৈ সীমাহীন বিষাদ নমাই আনিলে। লীলাৱতীৰ সৈতে কটোৱা অন্তৰঙ্গ মুহূৰ্তৰ মিঠা সোঁৱৰণত ভাৰ্যা বিয়োগৰ পৰা একৈশ দিনৰ ভিতৰতে 'লীলা' কাব্যখনি ৰচনা কৰি উলিয়ায়। 'লীলা' প্ৰকাশ পায় ১৯০১ চনত।

একান্ত ব্যক্তিগত আৰু ঘৰুৱা জীৱনৰ বিৱৰণকে গোহাঞিবৰুৱাই কোনো কাব্যিক মহত্ব দান নকৰাকৈ আৰু সাধাৰণীকৰণ নকৰাকৈ নাইবা নৈৰ্ব্যক্তিক স্তৰলৈ (impersonal level) নিনিয়াকৈ 'লীলা' কাব্যত প্ৰকাশ কৰিছে। লিখকৰ ঘৰুৱা জীৱনৰ বিৱৰণসমূহ আৰু পত্নী বিয়োগৰ শোকসুৰৰ সৈতে আন্তৰিক সহানুভূতি স্থাপন কৰিব পৰা কোনো সংযোগসেঁতু কাব্যখনত নাই যদিও কাব্যখনিৰ প্ৰায়বোৰ সৰ্গতে অনন্য সুন্দৰ প্ৰাকৃতিক শোভা আৰু নিভাজ ঘৰুৱা জীৱনৰ অনুপম চিত্ৰই সমগ্ৰ 'লীলা' কাব্যখনি বিশিষ্ট ৰূপত উদ্ভাসিত কৰি তুলিছে।[৫]

গোহাঞিবৰুৱাৰ 'লীলা' কাব্যখনি সৰ্বমুঠ ২৫টা সৰ্গত বিভক্ত। সাংসাৰিক কাৰ্য আৰু জীৱনৰ বিভিন্ন সুখ-দুখানুভূতি এক ৰহস্যময় লীলা বুলি কবিয়ে কাব্যখনত এক তাত্বিক মৰ্ম প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছে। প্ৰথম সৰ্গ 'বন্দনা'ত দেৱী সৰস্বতীৰ বন্দনা প্ৰসংগত কবিয়ে কৈছে—

'নুবুজো বীণাৰ সুৰ মুৰুখ সন্তান
নকঁপে ফুলৰ ঠাৰি, নসৰে এপাহি
বাঁজী ফুল, অভাগাৰ কল্পনা বনত।

তথাপি হৃদয় তন্ত্ৰী বাজি উঠে ঘনে
মৰ্ম্মাহত চেপা খাই প্ৰিয়া বিৰহত।'

*(বন্দনা, প্ৰথম সৰ্গ)*

পত্নীৰ আকস্মিক মৃত্যুত মৰ্মাহত হৈ কবিয়ে 'লীলা' কাব্য ৰচনা কৰে। 'মৰিলে নাযায় মচা সোঁৱৰণী ৰেখা। ধাৰে বোৱা চকুলোৰে দুগাল ধোৱায়।' —এনে ভাবত নিমগ্ন হৈয়ে কবিয়ে কাব্যখনি বস্তুনিষ্ঠ কৰি তোলাৰ প্ৰয়াস কৰিছিল। বাল্যকাল, শিক্ষা আৰম্ভণ, চাকৰি জীৱনৰ আৰম্ভণি আৰু লীলাৱতীৰ সৈতে বিবাহলৈকে এই সুদীৰ্ঘ কালছোৱাৰ বিৱৰণ সামৰা হৈছে প্ৰথমৰ পৰা অষ্টম সৰ্গলৈকে। গোহাঞিবৰুৱা উত্তৰ লক্ষ্মীমপুৰৰ নকাৰী গাঁৱৰ সম্ভ্ৰান্ত পুৰুষ ঘিনাৰাম বৰুৱা মৌজাদাৰৰ পুত্ৰ আছিল। স্কুলীয়া শিক্ষা লক্ষ্মীমপুৰ আৰু শিৱসাগৰত গ্ৰহণ কৰি প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ কলেজত কিছুদিন অধ্যয়ন কৰে; কিন্তু এফ.এ. পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰি উলতি আহি পোনতে নগাপৰ্বতৰ কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলত হেডমাষ্টৰৰ পদত নিযুক্ত হয় আৰু সেই সূত্ৰে গোহাঞিবৰুৱা কহিমাত থাকিবলৈ লয়। দুই বৰ্যমান এনেদৰে কাৰ্যনিৰ্বাহ কৰি থাকোঁতেই পিতৃৰ আজ্ঞা অনুসৰি বিবাহৰ বাবে ঘৰলৈ আহে আৰু পিতৃ-মাতৃৰ ইচ্ছা অনুসৰি শিৱসাগৰৰ জাঁজীৰ চাওদাং বৰুৱাৰ ঘৰৰ জীয়াৰী লীলাৱতীৰ পাণি গ্ৰহণ কৰে।

'ললেহি আপুনি যেন, পাত্ৰীৰ আসন,
অৰ্দ্ধাঙ্গিনী লীলা মোৰ, আচম্বিত ভাৱে
পূৰ্বপ্ৰেম লীলা খেলা লই লীলাৱতী
জনমত দেখা নাই; তথাপি প্ৰাণত
অদৃশ্য ধাৰেৰে বলে মিলনৰ সোঁত;
চিনিলে আত্মাই মোৰ, অৰ্দ্ধ আত্মা তাৰ'

*('সংসাৰ পাতনি' অষ্টম সৰ্গ)*

লীলাৱতীৰ সৈতে গোহাঞিবৰুৱাৰ প্ৰেম আছিল জন্ম জন্মান্তৰৰ চিৰযুগমীয়া প্ৰেম। আহোমৰ চকলং পদ্ধতিৰে গোহাঞিবৰুৱা আৰু লীলাৱতীৰ বিবাহ সম্পন্ন হৈছিল। বিবাহৰ দিনা লীলাৱতীক ওচৰত পাই গোহাঞিবৰুৱাই যেন অন্তঃকৰণেৰে উপলব্ধি কৰিছিল—

'প্ৰিয়তমা অৰ্দ্ধাঙ্গিনী, অৰ্দ্ধাঙ্গৰ বাবে
ললেহি আসন যেৱে সমাজৰ মাজে
দীৰ্ঘ ওৰণিক ভেদি জিলিকণিটিয়ে
উদঙালে হিয়া মোৰ; হ'ল প্ৰতিভাত
প্ৰিয়তমা অনুকৃতি, হৃদয় ফলিত।'

*(নৱম সৰ্গ, 'বিবাহবাঙ্কোন')*

লীলাৱতীৰ সৈতে গোহাঞিবৰুৱাৰ দাম্পত্য জীৱন অত্যন্ত সুখকৰ আছিল। ভাৰ্যাৰ মৃত্যুত শোকাভিভূত হৈ সেয়েহে কবিয়ে মধুমিলনৰ পহিলা নিশাৰ স্মৃতি ৰোমন্থন কৰিছে—

প্ৰথম মিলনৰ দিনা, পোনে দেখাদেখি
সংকুচিতা অৰ্দ্ধাঙ্গিনী অৰ্দ্ধাঙ্গৰ পাশে।

..........................................................

..........................................বুকুত মুখানি
ধৰি হেঁপাহ বান্ধেৰে, ঘনে সোধো কিবা/
উছাহ, আবেগ, কিবা, কিজানো কিভাবে
ও হ ও তানে এটি সুৰ, ঘন উশাহেৰে
নাকেদি বাহিৰ হ'ল তালুফুটা ৰাগি।
বুজালো হিয়াৰ ভাব হিয়া ভিখাৰীয়ে
কিযে শান্তি কিযে অনুভৱ'

*('পূৰ্ণাঙ্গ গঠন', দশম সৰ্গ)*

লীলাৱতীৰ সৈতে দাম্পত্য জীৱনৰ আৰম্ভণি, সপত্নীক কহিমা যাত্ৰা, পথত পোৱা প্ৰাকৃতিক দুৰ্যোগ আৰু নানা বাধাবিঘিনিৰ মনোৰম বৰ্ণনাৰে একাদশৰ পৰা পঞ্চদশ সৰ্গলৈকে 'লীলা' কাব্য পৰিপূৰ্ণ হৈ আছে। কবি গোহাঞিবৰুৱাৰ প্ৰকৃতি প্ৰেম অনন্য ৰূপত কাব্যখনিৰ ঠায়ে ঠায়ে প্ৰকাশিত হোৱা দেখা যায়। কহিমালৈ যাত্ৰা কৰোতে দেখা পোৱা পৰ্ব্বতীয়া মনোৰম দৃশ্য আৰু নামবৰ হাবিৰ বৰ্ণনা কবিৰ লেখনীত আকৰ্ষণীয় ৰূপত প্ৰতিভাত হৈছে। প্ৰকৃতিৰ নৈসৰ্গিক শোভাৰ বৰ্ণনা থকা এনে এফাকি কবিতা—

চকু মেলি দেখা পাচে অটব্য অৰণ্য
বিদ্যমান সন্মুখত, গহীন আবেশে
নামে 'নামবৰ', সেন্দুৰী সন্ধিয়া বেলা
দিনকৰে দিন দীপ্তি পুনু চুচি লৈ
পদুম বিৰহ তাপে তেজ-গোৰা বান্ধি,
লুকালে নীৰৱে হায়, পৰিলে পাটীত,
পছিমাচলত।'

*('নামবৰ হাবি' ত্ৰয়োদশ সৰ্গ)*

গোহাঞিবৰুৱাৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱাৰ সময়ত লীলাৱতী আছিল তেনেই কোমল বয়সীয়া কিশোৰী। কবিৰ ভাষাৰে—

'লীলা মোৰ
আপুনি কবিতা। মিলিলে কল্পনা বিভা,
সৌন্দৰ্য বুকুত যেনে প্ৰকৃতিৰ শোভা

..............................

কি যে ভাবে হিয়া মোৰ কৰিলে বিভোল/
বুকুত চপাই ধৰি, হাঁহি সুৰগাৰে,
দিলো এটি হিয়া চেপা আবেগ বান্ধেৰে
শুজিলো শলাগ ঋণ।

*('গৰম পানী', দ্বাদশ সৰ্গ)*

পঞ্চদশ সৰ্গত আকৌ প্ৰকৃতিৰ ৰূপ সৌন্দৰ্যত আপোন পাহৰা হোৱা কবি প্ৰিয়াৰ উচ্ছাসিত ৰূপৰ বৰ্ণনা পোৱা যায়। কহিমা অভিমুখে কৰা যাত্ৰাপথত কুকীপানী নামেৰে পাহাৰীয়া অঞ্চলত কবিৰ প্ৰিয়তমাই প্ৰকৃতিৰ অনিবৰ্চ্চনীয় ৰূপ-শোভাত ভোল যোৱাৰ বৰ্ণনা কাব্যখনিত পোৱা যায় এনেদৰে—

'উত্ৰাৱল মন-চিতে আনন্দে নধৰে
জুমি জুমি ৰূপ লীলা, লীলাৰ হিয়াত।
বিশাল প্ৰকৃতি বুকে মুকলি মুৰীয়া
চাৰি ঢাপে বন্ধা থকা নাৰী, বন্ধাপখী
সজা মাজে বহুকাল, পুনু গছডালে

..................................

চপৰাণি মুখে
উধাৰত লীলা হায়, কাচুটি চপায়/'

*('পৰ্বত মঠ', পঞ্চদশ সৰ্গ)*

'লীলা' কাব্যৰ প্ৰত্যেকটি সৰ্গতে অনুভূত হয় নৱাগতা পত্নীৰ প্ৰতি গোহাঞিবৰুৱাৰ গভীৰ প্ৰেমানুৰাগ। লীলাৱতীয়ে যেন কবিৰ জীৱন পৰিপূৰ্ণ কৰি তুলিছিল। বিয়াৰ এবছৰমান পিছত লীলাৱতী সন্তানসম্ভৱা হৈছিল। কিন্তু নিয়তিৰ ইচ্ছাত সেই সন্তানে পৃথিৱীৰ পোহৰ দেখিবলৈ নাপালে। নিৰাশাৰ কলীয়া ডাৱৰে যেন কবিৰ জীৱন ঢাকি ধৰিলে—

'সংসাৰী আশাৰ ফুল যেই মলিয়ালে
কুটিলে ঠাৰিটি তাৰ দুৰদশা পোকে,
পৰিল কলিটি সৰি/ আচৰিত লীলা
সৃষ্টি বিধাতাৰ; —সেই হন্তে অপৰীতি
থিতাপিল লীলা শৰীৰত। একে পোকে,
একে ক্ষণে, ধৰি ছেগ আৰু তিনি কলি,
বিনাশিলে অকালত লীলা লতা গাৰ।'

*(অষ্টাদশ সৰ্গ)*

সন্তান সুখ বিচাৰি ব্যাকুল হোৱা লীলাৱতীক সান্ত্বনা দিবলৈ গোহাঞিবৰুৱাই অৱশেষত অতি যতনেৰে লিখি উলিওৱা এখনি পুথি পত্নীৰ হাতত তুলি দিয়াৰ বৰ্ণনা হৃদয়স্পৰ্শী। যথা ঃ

'মানসী প্ৰসূত যিটি স্বামী অনুকৃতি,
একে ৰূপে পাব শোভা সংসাৰী কোলাত।
পৰশিলে প্ৰিয়া মোৰ সন্তোষ হাঁহিৰে।
ধৰিলো আগত পাচে গ্ৰন্থ-পুত্ৰ এটি;
ফুটিলা ব্ৰতৰ ফল। হৰিষে বুকুত,
অপত্য স্নেহেৰে আটি ধৰিলে লীলাই।
..........। সেই ক্ষণ হন্তে হ'ল,
পুত্ৰৱতী প্ৰিয়া মোৰ, লীলা সংসাৰৰ।'

সুখে-দুখে লীলাৱতীৰ সৈতে গোহাঞিবৰুৱাৰ দাম্পত্য জীৱন আগবাঢ়ি গৈ থাকোতে হঠাতে এদিন লীলাৱতী নৰিয়াত পৰিল। গোহাঞিবৰুৱা সপত্নীক তেজপুৰত থাকোঁতে দুৰ্গোৎসৱৰ বিজয়া দশমীৰ দিনা অপৰাহ্নত হঠাতে লীলাৱতী অসুস্থ হৈ পৰিল আৰু শয্যাগত হ'ল। গোহাঞিবৰুৱাই চিকিৎসক সমন্বিতে সাতদিন সাতৰাতি অশেষ শুশ্ৰূষা কৰিও প্ৰিয়তমা পত্নীক জীয়াই ৰাখিব নোৱাৰিলে। লীলাৱতীয়ে তেওঁৰ অন্তিম ইচ্ছা বেকত কৰি স্বামীৰ কোলাতে মূৰ থৈ শেষ চকু মুদিলে।

...'অন্তিমৰ চোৰা-চুই ভৰ হেঁপাহৰ
পিৰিকনি এটি সতে আন্ধাৰি জগত।'

কবি প্ৰিয়াৰ অন্তিম ই চ্ছা আছিল যাতে গোহাঞিবৰুৱাই লীলাৱতীৰ প্ৰাণৰ লগৰী হীৰাৱতীৰ সৈতে দ্বিতীয়বাৰৰ বাবে যুগ্ম জীৱনৰ পাতনি মেলে। সেই অনুসৰি গোহাঞিবৰুৱাই প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত হীৰাৱতীৰ পাণি গ্ৰহণ কৰে।

জীৱনৰ বুজা-নুবুজা বয়সতে গোহাঞিবৰুৱাৰ সৈতে যুগ্ম জীৱনৰ পাতনি মেলি, স্বামীৰ মৰম আকলুৱা লীলাৱতীয়ে লাহে লাহে ওঠৰ বছৰৰ পূৰ্ণ যৌৱনত ভৰি দিছিল। প্ৰতি মুহূৰ্ততে স্বামীৰ মন যোগাব পাৰিছিল। স্বামীৰ শুশ্ৰূষাত মন-প্ৰাণ ঢালি দিছিল। 'লীলা' কাব্যৰ অন্তিম সৰ্গ 'লীলা-সামৰণ'ত সেই কথা বৰ্ণিত হৈছে এনেদৰে—

.....মনে মনে মন বুজে
ভাব বুজে চাওঁতেই সংকেতে যোগান
প্ৰাণৰ বিচৰা কিবা; প্ৰাণে প্ৰাণ দিয়া,
বিপদে-সম্পদে অহ্ অৰ্দ্ধাঙ্গিনী লীলা।
জন্মান্তৰে মিলনৰ প্ৰাণ পতি সতে।
পূৰ্ণ ভাব প্ৰতিভাত পূৰ্ণ হিয়া জুৰি।

মৃত্যুৰ কিছুদিন পূৰ্বে লীলাৱতীৰ ৰূপৰ জেউতি দুগুণে উজ্বলি উঠিছিল। যথা ঃ

...'পুণ্য লীলা জেউতিৰে পূৰ্ণ আকৃতিত।
উজ্বলিল ছবিটিৰ দিপ্তী লীলাময়ী,
নুমাবৰ পূৰ্বভাগে বত্তি-শলাকানি।'

*(লীলা সামৰণ; পঞ্চবিংশতি সৰ্গ)*

কিন্তু শাৰদীয় দুৰ্গোৎসৱৰ সু-শীতল প্ৰকৃতিক উদ্ভাসিত কৰি আকাশত ভুমুকি মৰা পূৰ্ণিমাৰ জোনৰ ৰূপালী জোনাক মোলান পৰিল। গোহাঞিবৰুৱাৰ জীৱন জোনাক চিৰদিনলৈ নিৰ্বাপিত কৰি লীলাৱতীৰ প্ৰাণ অজান দেশলৈ ঢাপলি মেলিলে। 'বিজয়া দশমী গোসানীৰ লগে লগে' কবিৰ প্ৰাণ পুতলী লীলাৱতীও ভাহি গ'ল। অকালতে—

...'কৃষ্ণপক্ষ দ্বিতীয়াৰ ভৰ দুপৰত সামৰি সংসাৰ লীলা স্বৰ্গত জিলিকে গৈ পুণ্য লীলাৱতী' বুলি অন্তিম সৰ্গত সেয়েহে কবিয়ে আকুল সুৰেৰে বিননি জুৰিছে।

কবি গোহাঞিবৰুৱাই 'লীলা' কাব্যখনি বস্তুনিষ্ঠ কৰি তুলিবলৈ প্ৰয়াস কৰিছিল যদিও ব্যক্তিনিষ্ঠ ভাবানুভূতিৰ তীব্ৰতাৰ বাবে ই সম্ভৱপৰ নহ'ল। এই ক্ষেত্ৰত ড° মহেশ্বৰ নেওগৰ অভিমত প্ৰণিধানযোগ্য— 'লীলা'ক যদিও কাব্য বা বস্তুনিষ্ঠ দীঘলীয়া কাব্য-প্ৰবন্ধৰূপে উপস্থাপন কৰা হৈছে আৰু দ্বিতীয় সংস্কৰণত সৰ্গ বিভাগো কৰা হৈছে ইখনি প্ৰকৃততে আত্মনিষ্ঠ 'ইলিজি' বা শোক-কবিতাহে— কবিয়ে প্ৰথমা পত্নী লীলাৱতীৰ বিয়োগ দুখত দুইৰো সম্পৰ্কৰ কাহিনী বৰ্ণনা কৰিছে। কিন্তু সেই ব্যক্তিগত শোকক মিল্টনৰ Lycidas, শ্বেলীৰ Adonais বা টেনিছনৰ In memorium-অৰ দৰে নৈৰ্ব্যক্তিক আৰু বিশ্বজনীন সুৰ দিব নোৱাৰাত কাব্যিক ৰসায়ন সম্ভৱ হোৱা নাই।"[৬]

তথাপিও মানৱৰ হৃদয়ৰ চিৰন্তন শাশ্বত প্ৰেমৰ অনুভূতিৰে সিক্ত হৈ শৰতৰ নিয়ৰ সিক্ত তলসৰা শেৱালীৰ দৰে 'লীলা' কাব্যই স-হৃদয় পাঠকৰ মন সহজে আকৰ্ষণ কৰিব পাৰে।

পদ্মনাথ গোহাঞিবৰুৱাৰ 'লীলা' অমিত্ৰাক্ষৰ ছন্দত ৰচিত সুখপাঠ্য কাব্য। কবিয়ে বাংলাকবি মাইকেল মধুসূদন দত্তৰ অমিত্ৰাক্ষৰ ছন্দ আৰু শব্দ প্ৰয়োগৰ আৰ্হি অনুসৰণ কৰি 'লীলা' কাব্য ৰচনা কৰা বুলি ধাৰণা হয়। নিমজ আৰু সাৱলীল অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগে কাব্যখনিক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। যথা ঃ

'ধীৰে ধীৰে নামি, লীলা-বাৰেঁ, হাতে যোঁটা,
দিলো থিয় দুয়ো এটি শিল ওপৰত;
প্ৰকৃতিৰ পাৰি থোৱা শুদ্ধ চাম পীৰা।
ধুৱালে পৱিত্ৰ জলে, উথলি আপুনি,
বৰ-কন্যা চাৰি পাৰ। জননী প্ৰকৃতি,
মুকলি গহীন সাজে, মেলি বাহু লতা,
পিন্ধালে সাদৰি, আদৰণী ভাব-মালা।'

'লীলা'ৰ শব্দাৱলী বাচকবনীয়া আৰু সৰলতা বিৰাজমান। প্ৰচুৰ তৎসম আৰু সমাস সিদ্ধ শব্দৰ পয়োভৰেও কাব্যখনিক আকৰ্ষণীয় কৰি তুলিছে। এনে কেতবোৰ শব্দ হ'ল ঃ নৰ-পশু, আজলী-প্ৰাণ, গাড়ী-ঘিলা, উদাসী-পৰাণ, বিৰহ-সংগীত, অনন্ত-আন্ধাৰ, নিমাতী-প্ৰতিমা, মৰম-নিজৰা, চেপনি-শাল, শোক-অশ্ৰু, ভেলেঙী-চাহনি, নাচনী-চকু, ডাক-ভাৰী, জীৱন-যুঁজ, আশা-পখী আদি।

ইয়াৰ উপৰিও সেন্দুৰী-সন্ধিয়া বেলা, পুবালী-মেঘ, কাণে-কাণ মাৰি, বুকু-টিপিয়নি, চেনেহ-চেপনি, বাটৰুৱা-বাটখেদা, চকু-কোচনি, মুদনি-মুখীয়া, ভাব-উথলনি, আকাশী-বাট, উলাহত-চালি ধৰা, বিজুলী-ৰেখীয়া, বোৱাৰী-খোজ, চুলি আগে জীৱ, বিধিৰ-বিধান, ভয়ে ছেপা প্ৰাণী, ভয়গাঁথি-ফৰমুটি খা, শিঙা-উকিয়নি, পোহনীয়া-আশা, ভাত-চৰু ছাই, বোৱাৰী-কোঠা আদি অলেখ অৰ্থবহ শব্দৰ প্ৰয়োগে কাব্যখনিক অনন্য মাত্ৰা প্ৰদান কৰিছে।

লীলাৱতীৰ সৈতে কবি গোহাঞিবৰুৱাৰ সাংসাৰিক জীৱন যাত্ৰা আৰু লীলাৱতীৰ মৃত্যুৰ ওপৰত নিৰ্ভৰশীল বিষয়বস্তু লৈয়ে কাব্যখনি ৰচিত হৈছে। সমগ্ৰ কাব্যখনিত অনুভূত হয় লীলাৱতীৰ প্ৰতি কবিৰ সুগভীৰ প্ৰেম আৰু লীলাবিহীন সংসাৰত অকলশৰীয়া কবিৰ হৃদয় বিদাৰি নিগৰি বোৱা অন্তহীন শোক সুৰ।

'লীলা'ৰ নিমজ ছন্দৰীতি আৰু সাৱলীল শব্দচয়নে কবি গোহাঞিবৰুৱাৰ হৃদয়ৰ সুকোমল ভাবৰাশি সম্যকভাৱে দাঙি ধৰিছে। সেয়েহে ক'ব পাৰি গোহাঞিবৰুৱাৰ 'লীলা' কাব্যখনিৰ এক ঐতিহাসিক মূল্য আৰু স্থান আছে। ■

**প্ৰসংগসূচী ঃ**

১। শৰ্মা, হেমন্ত কুমাৰ, 'কবিতাৰ শ্ৰেণী বিভাগ', *'সাহিত্য সমীক্ষা',* মহেশ্বৰ নেওগ (সম্পা) ১৯৮৬, পৃ. ৩২।
২। ঠাকুৰীয়া, ৰামমল, *'সাহিত্য বিচাৰ',* ১৯৮৮, পৃ. ৪৩।
৩। শৰ্মা, হেমন্ত কুমাৰ, প্ৰাক্ উল্লিখিত গ্ৰন্থ, পৃ. ৩২।
৪। গোহাঞিবৰুৱা, পদ্মনাথ, *'মোৰ সোঁৱৰণী',* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭১, পৃ. ১২১।
৫। শৰ্মা, সত্যেন্দ্ৰ নাথ, *'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত',* ২০০১।
৬। নেওগ, মহেশ্বৰ, *'অসমীয়া সাহিত্যৰ ৰূপৰেখা',* ১৯৮৮।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। সাহিত্য সমীক্ষা ঃ মহেশ্বৰ নেওগ (সম্পা), ১৯৮৬।
২। সাহিত্য বিচাৰ ঃ ৰামলাল ঠাকুৰীয়া, ১৯৮৮।
৩। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ সত্যেন্দ্ৰ নাথ শৰ্মা।
৪। অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ মহেশ্বৰ নেওগ।
৫। সাহিত্য উপক্ৰমণিকা ঃ মহেন্দ্ৰ বৰা।
৬। অসমীয়া কবিতা আৰু জনদিয়েক প্ৰধান ৰমন্যাসিক কবি ঃ হেম বৰা।

# "জীৱনৰ বাটত" উপন্যাসত সামাজিক চিত্ৰ

● মৃগেন বৰ্মন
অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ
এম. এন. চি. বালিকা মহাবিদ্যালয়, নলবাৰী

অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ সাধক বিৰিঞ্চি কুমাৰ বৰুৱাই (১৯১০-১৯৬৪ খৃঃ) "বীণা বৰুৱা" ছদ্মনামত ৰচিত "জীৱনৰ বাটত" (১৯৪৫) উপন্যাস খনেই অসমীয়া সাহিত্যত নতুন যুগৰ সূচনা কৰে। অৱশ্যে বিৰিঞ্চি কুমাৰ বৰুৱাৰ "ৰাস্না বৰুৱা" ছদ্মনামত ৰচিত "সেউজী পাতৰ কাহিনী" (১৯৫৮) আন এখন উল্লেখযোগ্য অসমীয়া উপন্যাস।

"জীৱনৰ বাটত" উপন্যাসখনৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি সামাজিক উপন্যাস বুলি অভিহিত কৰিব পাৰি। উপন্যাসখনৰ বিষয়বস্তু দৈনন্দিন জীৱনৰ সৰল কাহিনীৰে নিৰ্মিত য'ত গ্ৰাম্য সমাজৰ পটভূমি আৱৰ্ত্তিত। বিৰিঞ্চি কুমাৰ বৰুৱাই নিজে কৈছে — "The present day fiction writers have turned their eyes on these who are neglected by society, and try to assess their unique social value. One of such novels on the rural life of Assam is Jivanar Batat." (on the highway of life) Birinchi Kr. Baruah, History of Assamese Literature : Page-172

উপন্যাসখন অসমীয়া সমাজৰ চিত্ৰৰে ভৰপুৰ। গাঁৱৰ ঘৰ-বাৰী, নৈসৰ্গিক পৰিৱেশ, গাঁৱৰ বিভিন্ন ধৰণৰ ব্যৱহাৰ, কথাবাৰ্তা, ধৰণ-কৰণ সুন্দৰভাবে প্ৰতিফলিত হৈছে। অসমীয়া গাঁৱলীয়া সমাজৰ কুসংস্কাৰ, অন্ধ-গোড়ামি, কুৎসা ৰটনা, নাৰীৰ প্ৰতি অবজ্ঞাৰ ভাৱ, মধ্যবিত্ত শিক্ষিত শ্ৰেণীৰ সুবিধাবাদী মনোবৃত্তি সুন্দৰভাৱে কাহিনীত প্ৰতিফলিত হৈছে।[১] উপন্যাসখনিৰ আৰম্ভণিতে আছে—

ঃ মৰঙি আহোম ৰজাৰ সময়ৰ এখনি প্ৰসিদ্ধ অঞ্চল। নগা কছাৰীৰ উৎপাতৰ পৰা আহোম ৰাজ্য ৰক্ষা কৰিবলৈ চুহুংমুং ৰজাৰ দিনত মৰঙিত কোঁঠ মৰা হৈছিল। সৈন্য-সামন্ত আৰু বিষয়াৰ কুমৰ ধ্বনিত মৰঙিৰ আকাশ এদিন তোলপাৰ লাগিছিল।" (পৃষ্ঠা-১)

উপন্যাসখনৰ আৰম্ভণিৰ বাক্য কেইশাৰীয়ে আহোম ৰাজত্বকালৰ গৌৰৱোজ্জ্বল ইতিহাসৰ কথাকে সোঁৱৰাই। য'ত শক্তিশালী আহোমে প্ৰায় ছশ বছৰ অসম শাসন কৰাৰ পিছত আৰম্ভ হৈছিল ইংৰাজ শাসন। বিদেশী শাসনৰ আঁৰত লুকাই নতুন জীৱনাদৰ্শই অসমীয়া জাতীয় জীৱনত কেনে ক্ৰিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল তাৰেই ইতিহাস 'জীৱনৰ বাটত।'[২]

উপন্যাসখনত অসমীয়া সমাজৰ বিবাহৰ ছবিখন সুন্দৰৰূপত উপস্থাপন কৰিছে মৌজাদাৰ ভোগদত্ত শইকীয়াৰ জীয়ৰী আৰু ধৰণী-তগৰৰ বিয়াৰ মাজেদি। দুয়োখন বিয়াতে বিবাহ উৎসৱৰ বিভিন্ন দিশৰ কথা

কৈছে। অসমীয়া সমাজৰ বিয়াত যে গোটেই গাঁওখন আনন্দমুখৰ হৈ পৰে উপন্যাসখনত বৰ্ণিত দুয়োখন বিয়ায়ে উদাহৰণস্বৰূপ। মৌজাদাৰৰ জীয়েকৰ বিয়ালৈ সাঁতদিন থাকোতে গোটেই ঘৰখন হুলস্থূল হৈ পৰিছে। বস্তু যোগোৱা, ভঁৰাল সামৰা, কলপাত যোগোৱা, দোনা সিয়া, দৈ, কোমল চাউল গোটোৱা কামবোৰ গাঁৱৰ মানুহে নিজৰ মাজতে ভগাই লৈছে। ৰভা দিয়া সকলে ৰভা দিছে, ৰাঙলীবাই পাণ-তামোল লৈ বিয়াত মানুহ মাতিবলৈ গৈছে। বিয়াৰ দিনা লগ্নৰ সময়ত দৰা-কইনা ঘৰলৈ অহাত দৰাক ভৰি-ধুৱাই আদৰি হোমৰ গুৰিত বহুৱা, হোম পুৰা, কইনাই মান ধৰা, বাহি বিয়া ইত্যাদি গোটেই অসমীয়া বিবাহ উৎসৱৰ ছবিখন প্ৰকাশ পাইছে। কইনা আদৰা অনুষ্ঠানত ধৰণীয়ে কৈছে, "হঁয়ে পাতনী, চাকি বন্তিৰ কাহীখন ওচৰলৈ নান কিয়?" দৰা-কন্যাৰ ভৰিত পানী ঢালি ধুৱাই দিলে। ধৰণীয়ে জেপৰ পৰা পেলাই দিয়া ছৰতীয়াটো চৰিয়াত কটংকৈ উঠিল, আয়তীসকলে উৰুলি ধ্বনিৰে দৰা-কইনাক ভিতৰলৈ আগবঢ়াই নিলে। (পৃঃ ৮১)

উপন্যাসখনত গাঁৱলীয়া সমাজ জীৱনৰ ছবি সুন্দৰকৈ ফুটি উঠিছে। মৌজাদাৰৰ পুত্ৰ কৃষ্ণকান্তৰ লগত কমলাকান্তই গৰুৰ গাড়ীত ষ্টেচনৰ পৰা আহি থাকোতে ঔপন্যাসিকে সুন্দৰকৈ গাঁৱলীয়া পৰিবেশনৰ বৰ্ণনা দিছে —

ঃ উলঙ্গ আঁহত গছৰ শিৰত কাউৰীয়ে কোলাহলৰ সৃষ্টি কৰিছে। পথৰুৱা বগৰি জোপোহাৰ মাজৰ চৰাই-চিৰিকতিয়ে চিচিয়াইছে। কমলাকান্তই মুখ উলিয়াই চালে। ধোঁৱাৰ দৰে ছাটি ধৰা কুঁৱলী লাহে লাহে আঁতৰিছে। লিংলিঙীয়া তামোল গছ, ভলুকাবাহঁৰ শাৰী গাঁৱৰ চিহ্ন পতাকাৰ দৰে দূৰৈত দেখা গৈছে। (পৃঃ ৫)

গাঁওৰ ঘৰ-বাৰীৰ বৰ্ণনা দিছে এইদৰে —

"গাঁৱৰ আলিৰ দুয়ো কাষে সৰু সৰু খেৰৰ ঘৰ। ক'ৰবাত কাচিৎহে দুই এটা টিনৰ ঘৰ আছে। প্ৰায়বোৰ ঘৰৰ সমুখ ফাল লাগতিয়াল সকলো বিধৰ গছ-গছনিৰ বাৰীয়ে ঘেৰ আছে। কোনোবাজনৰ ঘৰ বাটৰ নিচেই কাষতে; কোনোবাজনৰ ঘৰলৈ বাঁহৰতলৰ সৰু বাটটোৰেদি যাব লাগে"। (পৃঃ ৬)

ঔপন্যাসিকে গাঁৱৰ ছবিৰ লগতে গাঁৱলীয়া কৃষকৰ পথাৰৰ কথা উল্লেখ কৰিছে কাহিনীৰ মাজভাগত। আঘোণ-পুহ মাহত ঘৰৰ প্ৰায়বোৰ মানুহে খেতি চপোৱা আৰু মৰণা মৰাত ব্যস্ত থাকে। কেনেকৈ দাৱণী লগাই খেতিৰ ধান চপাই আনি ভঁৰালত থৈ গোটেই বছৰলৈ চিন্তামুক্ত হ'ব পাৰি তাৰেই চিন্তাত ব্যস্ত।

উপন্যাসত মাঘী, কলিমন, শুনদ, মনোহৰ আৰু ভায়েক সৰুধনেও মৰণা মাৰিছে। সিহঁতৰ মাজত আলোচনাও খেতিপথাৰৰে। ঔপন্যাসিকে ধানৰ বৰ্ণনা দিছে —

"ধান, ধান, ধান। চোতালত ধান, ভঁৰালত ধান, চ'ৰাঘৰত ধান। পথাৰে-ঘৰে, বাহিৰে-ভিতৰে সৰ্বত্ৰতে সোণালী ধানৰ মণি-মুকুতা সিঁচৰিত হৈ পৰিছে। আকাশ পথাৰ চাৰিওদিশে সোণালী ৰহণে চিকি-মিকি কৰিছে। (পৃঃ ৮৬)

বিৰিঞ্চি কুমাৰ বৰুৱাই উপন্যাসখনত এখন নিখুত গ্ৰাম্য সমাজ উপস্থাপন কৰিবলৈ গৈ ফকৰা, প্ৰবচন, লোক-বিশ্বাস আদিৰ ছবিও সুন্দৰ ৰূপত অংকন কৰিছে। মৌজাদাৰ ভগদত্ত শইকীয়াৰ

জীয়েকৰ বিয়া উপলক্ষে গোট খোৱা গাঁওৰ জীয়ৰী-বোৱাৰীসকলে ৰং ৰহইচ কৰিছে। আইদেউক খং তোলাবলৈ তগৰে ফকৰা মাতিছে —

"ঘন ঘন মুৰুচি পৰয় বৰ নাৰী
ফোঁকাৰয় শ্বাস নয়ন জুৰে মাৰি।" (পৃঃ ২)

তগৰক বিয়া দিবলৈ দৰা সম্পৰ্কত বগিলী বাই ফকৰা মাতিছে —

"আই বোপায়ে বিচৰা নাই দৰা
মইনো পাওঁগৈ ক'ত পাভ জোৰা"? (পৃঃ ৩)

আকৌ কৈছে —

"গেন্দেলা মুখখন গাখীৰেৰে ধোৱে,
কঁকাল ভঙ্গা বিড়ালী মনিকুটত শোৱে।
বোলোঁ, আইহে, চন্দ্ৰলৈ নেমেলিব পাও
ভৰিও ভাঙ্গিব, চন্দ্ৰও নেপাব"। (পৃঃ ৪)

অসমীয়া গাঁৱলীয়া সমাজখনত অন্ধবিশ্বাস আৰু লোক-বিশ্বাসে আগুৰি আছে। জীৱনৰ বাটত উপন্যাসতো সমাজ জীৱনৰ লগত নিবিড়ভাৱে বিশ্বাস আৰু সংস্কাৰৰ চিত্ৰ ঔপন্যাসিক বৰুৱাইয়ো নায়িকা তগৰক অন্ধবিশ্বাসৰ সাজত ৰাখিয়ে অংকিত কৰিছে এখন ছবি। য'ত তগৰৰ শ্ৰদ্ধা জড়িত সহজ বিশ্বাসলৈ লক্ষ্য কৰি কমলাকান্তই কৈছিল—

"সেইখন দেখোন ইংৰাজী কিতাপ?"
"ইংৰাজী কিতাপত জানো সৰস্বতী নাথাকে?"
"ওহোঁ।"
"ইচ্ ইংৰাজী কিতাপ জানো শাস্ত্ৰ নহয়?"
"কিয় হ'ব?"
"যাওক, আপুনি ধেমালি কৰিছে।" (পৃঃ ১৮)

এইবোৰৰ উপৰিও লোক ধৰ্ম হিচাপে গাঁৱলীয়া মানুহে পালন কৰি অহা কিছুমান নীতি-নিয়ম যেনে, গা-পা ধুইহে ধানৰ চৰুৰ তলত জালদিয়া, ঘৰলৈ গুৰু গোসাঁই আহিলে সেৱা-সৎকাৰ কৰি টকা-কড়ি বস্ত্ৰ আদি আগবঢ়োৱা, গৃহস্থৰ মঙ্গল কামনা কৰি গোঁসাইৰ আগলৈ সোণ-ৰূপৰ ফুল দিবলৈ মানস কৰা, মাৰি মৰক ইত্যাদিৰ পৰা পৰিত্ৰাণ পাবলৈ শিলামূৰ্তিত চাকি বন্তি জ্বলোৱা আদিও উপন্যাসখনৰ বিভিন্ন প্ৰসঙ্গত সন্নিবিষ্ট হৈছে।[৩]

মানুহৰ মৃত্যু স্বাভাৱিক। এই মৃত্যুৰ লগত জড়িত কাৰ্য্য অসমীয়া সমাজ জীৱনত বহুত। উপন্যাসখনত মৃত্যু সম্পৰ্কীয় লোকাচাৰখিনিৰ আভাস পোৱা গৈছে তগৰৰ শাহুৱেক আহিনী আৰু গিৰীয়েক ধৰণীৰ মৃত্যুৰ জৰিয়তে।[৪] কমলীয়ে মৃতকৰ সাঙীখনৰ আগে আগে আধা নুমুৱা জেওৱা খৰিৰ জোৰ লৈ যোৱাৰ লগতে অইন মানুহে খোল তালেৰে বৈকুণ্ঠ প্ৰয়াণৰ গীত গাইছিল—

"ক্ৰন্দনৰ উৰ্মি অতি উথলিল বড়।
প্ৰভাসক লাগি সবে দিলেক লৰৰ।।
প্ৰাণ সখি গৈলা এৰি।।
গাঁৱত চাপৰ মাৰে শোকে স্মৃতি নাই।
হা পতি পুত্ৰ বুলি গোৰিয়ান্তে যাই।।
প্ৰাণ সখি গৈলা এৰি।।
মৰা পতি পুত্ৰ সোদৰৰ গলে ধৰি।
কান্দে নাৰীগণে অতি আৰ্তৰাৱ কৰি।।
প্ৰাণ সখি গৈলা এৰি।। (পৃঃ ২২২)

মৃতকৰ আত্মাৰ সদ্‌গতিৰ বাবে তগৰে পিণ্ডদান আৰু শ্ৰাদ্ধ বিধি আচাৰ অনুষ্ঠানো কৰিছিল।

সেই সময়ৰ সমাজ ব্যৱস্থাত উচ্চ নীচৰ বাচ বিচাৰ আছিল। উচ্চসকলে নীচ বংশত বিয়া কৰালে সমাজৰ পৰা এঘৰীয়া হ'ব লাগে। ধৰণী মাষ্টৰে

তগৰক বিয়া কৰাই অনাৰ নিম্নবংশৰ আহোমনী বুলি গাঁৱৰ মানুহে ধৰণীহঁতক এঘৰীয়া কৰিব বিচাৰিছিল। শুনদে আহিনীক এই সম্পৰ্কে কৈছিল—“ও তই ক'লেই মই পতিয়াম নহয়? উজনিত কলিতা কায়স্থ কেইঘৰ আছে মোৰ আঙুলিৰ মূৰত?”

“বতৰৰ বতৰা মই বতৰতে কৈ থলোঁ দেই। পুতেৰে কামটো ভাল নকৰিলে একা, পুতেৰৰ লগতে তয়ো ৰাইজৰ দায় দণ্ডৰ ভাগী হবি।”

তন্ত্ৰ-মন্ত্ৰই অসমীয়া সমাজখনক পৰিপূৰ্ণভাৱে প্ৰভাবান্বিত কৰি ৰাখিছিল। নগাঁও জিলাৰ মায়ং মন্ত্ৰবিদ্যাত প্ৰসিদ্ধ ঠাই আছিল। উপন্যাসখনত ধৰণীয়ে আহোমকুলৰ ছোৱালী বিয়া কৰাই আনিব বুলি তন্ত্ৰ-মন্ত্ৰৰে বাধা দিব বিচাৰিছিল শুনদে —

ঃ লাগিলে মায়ঙৰ বেজৰ ওচৰলৈকে মানুহ পঠিয়াম। ঔষধ-আহুদি নকৰিলে ল'ৰাই বিয়া কৰাবলৈ কিয় ওলাব?” নাতিনীয়েক কমলিয়ে মাকৰ পিয়াহ খাব নোখোজাত মুখ লগা বুলি সন্দেহ কৰি বুঢ়ীমাক আহিনীয়ে সৰিয়হ ছটিয়াই মন্ত্ৰ মাতিছেঃ “সাৰিসা গুটি, সাৰিসা মুঠি, দেবী আনি দিলা সৰিসা বাটি। সেহি সৰিসা জৰিলা। কমলিৰ মুখ লগা ভাঙিলা, ফুঁ” আকৌ গাইছে—“শুন সৰিসা তোৰ কহোঁ জন্ম জাতি। মলয়া গিৰি পৰ্বতত ভৈল উতপতি। সোণৰ নাঙল ৰূপাৰ ফাল। কৈলাসৰ গোঁসাই জুৰিলা হাল। হাল-বাহন্তে উঠিল মাটি, গজিলা সৰিসা মেদিনী ফাটি। ভাঙ সৰিসা ভাঙ। অমাবে কমলিৰ মুখলগা ভাঙ ফুঁ-উ-উ-।” সৰিয়হ জুইত পেলাই আহিনীয়ে মাতিলে—

“চন্দ্ৰ সাখী, সূৰ্য্য সাখী। উতলা ভাত থৈছোঁ ৰাখি। মোৰ হোক, গুৰুৰ ডাক। নজৰ বজৰ ইহ, বিহ, কমলিৰ মুখলগা পানী হৈ থাক। ব্ৰহ্মা মহাদেৱৰ আহা পালোঁ, উতলা ভাতৰ অগনিত, কমলিৰ ৰোগ ব্যাধি সমস্তকে পানীকৃত্য কৰোঁ। হৰ বিষ হৰ শিৱৰ বৰ। সিদ্ধ গুৰু পাও, ৰক্ষা কৰা কামাখ্যাও মাওঁ। ফুঁ-উ-উ।” (পৃঃ ১১৮)

উপন্যাসখনত লোকাচাৰ সম্পৰ্কে আকৌ ক'বলৈ গৈ ক'ব পাৰি সন্তান জন্ম দিয়াৰ সময়ত পালন কৰিব লগা নিয়ম, সন্তান জন্ম দিয়াৰ আগতে বিশেষ খাদ্য খাব বিচৰা, যিটো উপন্যাসখনত তগৰে কমলিক জন্ম দিয়াৰ আগতে টেঙা টোকোচা খাবলৈ বিচাৰিছিল। সন্তান জন্মৰ সময়ত প্ৰসৱৰ সুবিধাৰ বাবে জাপ-জাৰি দিয়া, পানী-জৰাই আনি খুওঁৱা লোকাচাৰো ‘জীৱনৰ বাটত’ দেখিবলৈ পোৱা যায়। তগৰৰ দ্বিতীয় সন্তান জন্ম দিয়াৰ সময়ত ধৰণীক দুৱাৰডলিত বৈ থকা গম পাই পেহীয়েক বাহিৰলৈ ওলাই আহি কৈছিল—

“একো নৌ হয় এথোন। মানুহজনীয়ে বৰ কষ্ট পাইছে? ধৰণীয়ে লাহেকৈ ক'লে, “কমলি হওঁতে দেখোন ইমান কষ্ট পোৱা নাছিল। কিবা ভয়ৰ কথা-”

“ভয় আশংকা নাই; পিছে পেটৰ পোৱালীটোলৈহে সন্দেহ সেয়েহে ইমান পলম হৈছে, মাকেও কষ্ট পাইছে। বাৰু, তই গোপী ওজাৰ ওচৰলৈ যাচোন। ডোল এডালো আনিবি, পানী টোপাও জৰাই আনিবি।” (পৃঃ ১৩০)

‘জীৱনৰ বাটত’ উপন্যাসখনৰ মাজেৰে সেই সময়ত বৈষ্ণৱ ধৰ্মৰ বিষয়ে জানিব পাৰি। বিবাহ অনুষ্ঠানত বিশেষকৈ মৌজাদাৰ ভোগদত্ত শইকীয়াৰ জীয়ৰী আইদেউৰ বিয়াত “সীতা সয়ম্বৰ” নতুবা “ৰুক্মিণীহৰণ” নাট মেলাৰ কথা কৈছে।

উপন্যাসখনত চিত্ৰিত ধৰণীও বায়নৰে ল'ৰা। বৈষ্ণৱী সহিত্যৰ মূল বিষয়বস্তু সংগ্ৰহ কৰা ভাগৱত পুথিৰ পাঠ নামঘৰত কৰিছিল। আহিনী মৰিবলৈ ওলোৱা সময়খিনিত শুনদে অজামিল উপাখ্যানৰ পদ সুৰ ধৰি মাতিছিল ঃ

"অনেক অধৰ্ম        কৰান্ত বিপ্ৰৰ
আয়ু ভৈল সমাপত।
ভয়ংকৰ তিনি        গোটা যমদূত
আগে ভৈল উপগত।।
হাতে পাল জৰী        চক্ষু টেৰ কৰি
স্থলতৰ তাৰ জাংগ।
কৃষ্ণবৰ্ণ কায়        দেখি ধাতু যায়
হাতত লোহাৰ ডাঙ্গ
ব্ৰাহ্মণক ধৰি        জীৰ বাজ কৰি
বান্ধিলেক হাতে তুলি
ভয়ে অজামিল        পুত্ৰক ডাকিল
আইস নাৰায়ণ বুলি।।" (পৃঃ ১২৩)

পুলিচে ধৰণীক নাপায় তগৰক থানালৈ যাবলৈ কোৱাত তগৰে ভয় খালে। তগৰে পুলিচৰ হাতৰ লাঞ্ছনাক মৃত্যুতকৈও নিষ্ঠুৰ কল্পনা কৰি মনে মনে কীৰ্ত্তনৰ ঘোষা পদ আঁওৰাইছিল —

প্ৰচণ্ড আদেশ        শুনিয়া অশেষ
ৰাক্ষস উঠিল বাগি।
হাতে শূল বুলি        খেঁখট কৰিয়া
ধাইল প্ৰহ্লাদক লাগি।।
কাট মাৰ বুলি        বেড়িয়া সন্ধানে
দিলেক শূলৰ জাক।
বিষ্ণুক সুমৰি        প্ৰহ্লাদ কুমাৰে
কটাক্ষ নকৰে তাক।

তগৰে ঘৰতে এঠাইত থাপনা এখন পাতিছিল। থাপনাৰ সন্মুখত এখন মুৰুলীধৰ কৃষ্ণৰ ফটো লগতে বঁটা এখনত কীৰ্তন পুথিও ৰাখিছিল। মন ভাল লাগিলে কীৰ্তন-ঘোষা একাধ্যা পাঠ কৰে; বিহুৰে সংক্ৰান্তিয়ে মাহ-চাউল আগবঢ়োৱা তগৰে ধৰণী বেমাৰত পৰাত ডাক্তৰে চিকিৎসা কৰিবলৈ আহি ভাল হৈ যাব বুলি কোৱাত থাপনাৰ মুৰলীধৰ কৃষ্ণৰ ফটোৰ আগত আঁঠুকাঢ়ি গুণ গুণকৈ সুৰ ধৰি প্ৰাৰ্থনা জনাইছিল ঃ

তুমি সৰ্বসাক্ষী        আত্মা হৃষীকেশ
জনাহ মোৰ চিত্তক।
শৰণাগতক        মই আতুৰক
উপক্ষা কৰা কিমক।
হে কৃষ্ণদেৱ        মই আতুৰক
চৰণে কৰা উদ্ধাৰ।
তিনি তাপময়        সংসাৰ নিকাৰ
সহিতে নপাৰো আৰ।। (পৃঃ ২০২)

পুৰণি অসমীয়া সমাজত কৰবালৈ যাত্ৰা কৰিলে যাত্ৰা শুভ হোৱাৰ বাবে যাত্ৰাক্ষণ উলিয়াই লৈহে যাত্ৰা কৰিছিল। উপন্যাসখনত কমলাকান্তই ৰায়বাহাদুৰ মাণিক হাজৰিকাৰ পৰা "চাৰ্টিফিকেট" আনিবলৈ যাত্ৰা চাই ওলাইছিল ঃ "সোমবাৰ দ্বাদশী তিথি। ৫।২৯।৪৭ যোৱাত নক্ষত্ৰামৃত যোগ যাত্ৰা শুভ।" আনহাতে ধৰণীয়ে তগৰক বিয়া কৰাবলৈ ওলোৱাত সেই বিয়া ভাঙি ধৰণীক ঘৰলৈ ঘূৰাই আনিবলৈ মনোহৰে যাত্ৰা চাই ওলাইছিল —

ঃ "নাওৰাম পণ্ডিতে পাঁজি-পুথি চাই বুধবাৰে আবেলি ৩ বাজি ১৮ মিনিটৰ পৰা শুভক্ষণ মিলিছে বুলি গণি পঢ়ি দিছে। ক্ষণটো ভালেই হৈছে।"

আদিম মানৱৰ ব্যক্তিগত আৰু সামূহিক ভাৱ অনুভূতিৰ প্ৰকাশ হিচাপে আৰু সাহিত্যৰ সৌন্দৰ্যৰ কালৰ পৰা লোক গীতবোৰ সকলো ভাষাৰে অমূল্য সম্পদ। শক্তিশালী লোক গীতৰ ভঁৰালে এখন শক্তিশালী সমাজৰে পৰিচয় দিয়ে। 'জীৱনৰ বাটত' উপন্যাসতো ঠায়ে ঠায়ে লোকগীতৰ অন্তৰ্ভুক্তি হৈছে। উপন্যাসখনত আৰম্ভণিতে প্ৰথম ভাগত আছেঃ

"কাম চৰাইৰ ৰঙা ঠোঁট,
তাতে দিলে দীঘল ফোঁট
পিতাদেউ, পিতাদেউ
দূৰলৈ নিদিবি মোক।"

সেইদৰে দ্বিতীয় ভাগত আছে —

"বোৱাৰী হ'বলৈ লাগে ক'ত বেলি?

তৃতীয় ভাগত আছেঃ

ই বোলে আইটী,
সি বোলে বাইটি
আইটিৰে ঘৰেৰ ঘৈণী -

উপন্যাসখনত লোক সাহিত্যৰ অন্যতম ভাগ নিচুকণি গীতো আছে তৃতীয় অধ্যায়ত। ধৰণীয়ে অনুমিত্ৰা গাৰে জীয়েকক নিচুকণি গীত শিকাইছেঃ

"জোনবায়ে বেজী এটি দিয়া
বেজীনো কেলৈ?
মোনা সিবলৈ।
মোনানো কেলৈ।
ধন ভৰাবলৈ
ধননো কেলৈ?
হাতী কিনিবলৈ।"

নিচুকণি গীতো কমলিয়ে সেই সময়ত ধৰণীৰ আগত গাইছেঃ

"হলধীয়া চৰায়ে বাওধান খাই,
সাউদৰ পুতেকে নাও মেলি যাই,
নাৱে বোলে তুলবুল,
বঠাই বোলা বা
গধূলিতে ডবা কোবা। (পৃঃ ২১৬)

বিহুগীত লোক-সাহিত্যৰ অন্যতম ভাগ। অনুষ্ঠানমূলক বিহুগীত সমূহত ডেকা গাভৰু প্ৰেম-প্ৰীতি, বিৰহ-বিচ্ছেদ বা হা-হুমুনিয়াহৰ প্ৰকাশস্থলীৰ লগতে সামাজিক, সাংস্কৃতিক আৰু প্ৰাকৃতিক জগতৰ নানা চিত্ৰ বিচিত্ৰ আহল বহল মানচিত্ৰ স্বৰূপ। উপন্যাসখনত চিত্ৰিত সমাজ খনতো বিহুগীতে প্ৰাধান্য পাইছিল। তগৰক ধৰণীয়ে বিয়া কৰাই লৈ অহাৰ সময়ত গাঁৱৰ ল'ৰাই বিহুগীত গাইছিল। কণৰাই গৰুগাড়ীৰ আৰ কাপোৰখন গুচাই দিয়াত লগৰীয়া কেইটাই নাচি গীত জুৰিছিলঃ

"হাতলৈ কি চাবা হাতীৰে শুঁৰ যেন
ভৰিৰ নো কি চাবা গোট।
মুখলৈ কি চাবা দোলা দাপোণ যেন
ককালটি বীণৰে গোট।
খাই পেলালে থিচিকি মউৰ বাকলি
মধুবনত ধৰিলে পোকে;
দূৰণি বাটলৈ নিদিবা পিতাদেউ
বাটত ধৰি জোকাব লোকে। (পৃঃ ৮০)

উপন্যাস সৰু বহুকেইটা চৰিত্ৰই ভুমুকি মাৰিছে। কমলাকান্ত, ধৰণী, মৌজাদাৰ ভোগদত্ত শইকীয়া, ৰায়বাহাদুৰ মানিক হাজৰিকা, বাপুৰম বৰা, এছ. আই. মাধৱ মহন্ত আৰু ডাক্তৰৰ চৰিত্ৰই পুৰুষৰ মুখ্য চৰিত্ৰক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে তগৰ, আহিনী, সুপ্ৰভা, কমলাকান্তৰ মাক, সুপ্ৰভাৰ মাক, নাদকী পাভৈ,

জেতুকীয়ে মুখ্য নাৰী চৰিত্ৰক প্ৰতিনিধিত্ব কৰিছে। চৰিত্ৰ সমূহৰ ভিতৰত কমলাকান্ত, সুপ্ৰভা, ৰায় বাহাদুৰ মানিক হাজৰিকা, এছ. আই. মাধৱ মহন্ত আদিৰ জৰিয়তে ইংৰাজ সংস্কৃতিৰ অক্ষম অনুকৰণত সেই সময়ত গঢ় লৈ উঠা শিপহীন সমাজখনৰ পৰিচয় দাঙি ধৰিছে। তগৰ চৰিত্ৰ গৰীয়সী চৰিত্ৰ। যিমানেই দ্বন্দ্ব সংঘাতেৰে জৰ্জৰিত নহওঁক তগৰে এক উচ্চ আদৰ্শৰ প্ৰতিনিধিত্ব কৰে। ব্যক্তি জীৱন, ঘৰুৱা জীৱন আৰু সমাজ জীৱনৰ বিভিন্ন অংশত তগৰৰ মহীয়সী নাৰীমূৰ্ত্তি দৰ্শন কৰিব পাৰি। ধৰণী মাষ্টৰক এজন সুশ্ৰী, সুঠাম, বিনয়ী, কৰ্মনিপুণ আৰু ৰুচিবোধ থকা ডেকা হিচাপে চিত্ৰিত কৰাৰ প্ৰয়াস কৰিছে। প্ৰকৃততে ধৰণী গ্ৰামীণ সভ্যতা সংস্কৃতিৰ ছত্ৰ-ছায়াত বিকশিত হোৱা এটা চৰিত্ৰ। জেতুকী, নাদকী, পাভৈ চৰিত্ৰবোৰে উপন্যাসখনত গৌণ চৰিত্ৰ হিচাপে ভুমুকি মাৰি গাঁৱৰ পানী অনা ঘাট, ঢেঁকীশাল ইত্যাদিত হৈ পৰে জীয়ৰী বোৱাৰী কুৎসা ৰচনাৰ চৰিত্ৰ। চৰিত্ৰবোৰে উপন্যাসখনত প্ৰাশ্চ্য সংস্কৃতি আৰু আদৰ্শত থকা চৰিত্ৰ আৰু প্ৰতিনিধিত্ব কৰা সানমিহলি এখন সুন্দৰ অসমীয়া সমাজৰ ছবি দাঙি ধৰিছে।

অসমীয়া সমাজত তাঁত শাঁলৰ সম্বন্ধ যথেষ্ট মধুৰ। উপন্যাসখনত জীয়ৰী বোৱাৰীবোৰে কাপোৰ কানি বৈ সাজ-পোছাকৰ ক্ষেত্ৰত স্বাবলম্বী হৈছিল। অসমীয়া সমাজৰ খাদ্যৰ পৰিচয় দিবলৈ গৈ উপন্যাসত উল্লেখ কৰা খাদ্যৰ ভিতৰত আছিল আখৈ, সান্দহ, জলপান, পিঠা-পনা, পগোৱা গুৰ, দৈ, মাহৰ আঞ্জা, মাটি মাহৰ খাৰ, কলা মাহৰ বৰ, নৰসিংহৰ আঞ্জা, কচুৰ শাক ইত্যাদি। গাঁৱলীয় সমাজৰ গালি-শপনিত অন্যতম। ঘৰৰ কাষৰ মানুহৰ লগতে হওঁক বা সমাজৰ আন মানুহৰ লগতে হওঁক কাজিয়া লাগিলে গালি শপনি দিয়ে। উপন্যাসখনতো আছে নাতেশ্বৰী, গোৱাৰ গোবিন্দ, শাঁখিনী তেজা, মূৰখাতি, চটাই-পাখৰী, ৰচকী-পদকী, গজমুৰি, কটা নৰকী, কটাৰ পো, মৰতী, চুৱাপাত চেলেকা, দগাবাজ, চুৰণী, হাতছিৰি হবি, জহনীত যাবি, মাউৰত মৰিবি ইত্যাদি। এনেবোৰ ছবিয়ে অসমীয়া সমাজৰ সম্পূৰ্ণ ছবিখনকে দাঙি ধৰিছে।

"জীৱনৰ বাটত" উপন্যাস এখন অসমীয়া সাহিত্যৰ গৌৰৱোজ্জ্বল উপন্যাস। বীণা বৰুৱাৰ দ্বাৰা ৰচিত এই উপন্যাসখনে অসমীয়া সমাজৰ এশ শতাংশ দিশকে প্ৰতিনিধিত্ব কৰিছে। উপন্যাসখনৰ সাৰ্থকতা সম্পৰ্কে ড° সত্যেন্দ্ৰ কুমাৰ শৰ্মাই কৈছে— "জীৱনৰ বাটত" যুদ্ধোত্তৰ কালছোৱাৰ উপন্যাস সাহিত্যৰ সিংহ দুৱাৰ স্বৰূপ। ■

**পাদটীকা ঃ**

১. শৰ্মা, ড° সত্যেন্দ্ৰ নাথ ঃ 'অসমীয়া উপন্যাসৰ ভূমিকা'; পৃঃ ১২০
২. বৰা দেৱ চৌধুৰী, ড° বিনীতা ঃ 'উপন্যাস পৰিক্ৰমা'; পৃঃ ৬৭
৩. চহৰীয়া, ড° কনক চন্দ্ৰ ঃ 'অসমীয়া সাহিত্যৰ বিচাৰ'; পৃঃ ৬৭
৪. চহৰীয়া, ড° কনক চন্দ্ৰ ঃ উক্ত গ্ৰন্থ; পৃঃ ৬৭

# অসমীয়া সাহিত্যৰ প্ৰথমটো ৰোমাণ্টিক কবিতা—বনকুঁৱৰী

● বন্তি শৰ্মা
অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ
এম. এন. চি. বালিকা মহাবিদ্যালয়, নলবাৰী

জোনাকী কাকতৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাতে প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' সম্পৰ্কে বেজবৰুৱাই কৈছে—"মনত আছে, এদিন ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বি.এ. আৰু মানিক চন্দ্ৰ বৰুৱাই মোৰ বন্ধুৱাই 'বনকুঁৱৰী' কবিতাটো পঢ়াই শুনি বিস্ময় মিশ্ৰিত আনন্দ লভিছিল। মই স্পষ্ট বুজিব পাৰিছিলোঁ সেইলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ওৱৰ্ডছৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাত্ৰৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে" (বেজবৰুৱাৰ গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃষ্ঠা ৪৮)।

বনকুঁৱৰী কবিতাটোত মুঠতে চাৰিশৰীয়া বাইশটা স্তৱক আছে। কবিতাটিৰ আৰম্ভণিৰ স্তৱকটিৰ দ্বাৰা কবিয়ে বিজন বনৰ চিত্ৰ অংকন কৰিছে এইদৰে —

নিজন দুপৰীয়া সুহুৰিটি মাৰি
মাতিলে নো কোনে কাক?
বিজন বনত কোন ক'ত আছে?
হালিছে গছৰ আগ।

চন্দ্ৰকুমাৰ আগৰৱালাৰ (১৮৬৭—১৯৩৮) কবিতাৰ পুথি 'প্ৰতিমা' (১৯১৪) আৰু 'বীণ বৰাগী'। কবিতা হিচাপে 'প্ৰতিমা'ৰ কবিতাখিনি শ্ৰেষ্ঠতৰ যদিও 'বীণবৰাগী' কবিতাপুথিৰ মাজেৰেহে চন্দ্ৰকুমাৰৰ কবিতাই সামগ্ৰিকৰূপত বিকাশ লাভ কৰিছে। ঘাইকৈ জোনাকী কাকতৰ প্ৰথম পৰ্ব আৰু বাঁহী আলোচনীত প্ৰকাশিত কবিতাৰ দ্বাৰাই চন্দ্ৰকুমাৰে ৰোমাণ্টিক অসমীয়া কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। চন্দ্ৰকুমাৰৰ প্ৰথম ৰোমাণ্টিক কবিতা 'বনকুঁৱৰী'ৰ প্ৰতিটো স্তৱকে ধৰি ৰাখিছে কল্পিত চিত্ৰৰ অচাক্ষুষ শব্দৰূপ আৰু তাৰ মাজত ব্যঞ্জিত হৈছে সৌন্দৰ্য্য সন্ধানী কবি চিত্তৰ নান্দনিক ৰসবোধ' (পাতনি, চন্দ্ৰ কুমাৰৰ কবিতা, সম্পা.- নগেন শইকীয়া) কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশ চন্দ্ৰকুমাৰৰ বনকুঁৱৰী কবিতাৰ অন্যতম বিশেষত্ব। চন্দ্ৰকুমাৰৰ কাব্যিকতা নান্দনিক চেতনা আৰু জীৱনৰ সৌন্দৰ্যৰ সংমিশ্ৰিত ৰূপ। কবিৰ অন্তৰৰ সৌন্দৰ্য চেতনাৰ স্পষ্ট প্ৰতিচ্ছৱি বনকুঁৱৰী কবিতাত প্ৰতিফলিত হৈছে। কবিয়ে নিজম দুপৰীয়া অচিনা-অজানা কাৰোবাৰ সুহুৰীৰ মাত শুনিছে আৰু লগে লগেই কবিৰ মনলৈ ভাবনাৰ ঢল নামি আহিছে। কবিয়ে নাজানে কোনে কাক সেই নিজম দুপৰীয়াখন সুহুৰী মাৰি মাতিছে অথবা বিজন অৰ্থাৎ জনপ্ৰাণহীন সেই বনত কোন সেই দুপৰীয়াখনত উপস্থিত আছে কবিয়ে নাজানে। মাথো বতাহৰ

আগহলা কবিয়ে দেখা পাইছে। কবিয়ে অনুভৱ কৰিছে বিশালকায় গহীন গছবোৰত বতাহৰ বা ছাটি লাগি গছৰ পাত থৰ থৰাই কঁপি উঠিছে আৰু হাবিৰ মাজৰ পৰা কোনোবাই তেনে সময়তে 'মৰ মৰ' কৈ মাতিছে। অনুমান কৰিব পাৰি সেই 'মৰ মৰ' ধ্বনি নিশ্চয় গছৰ শুকান পাতৰ ঘৰ্ষণৰ ফলত ধ্বনিত হোৱা মাত। লতা-লতিকাবোৰ বৃক্ষ বা ডাঙৰ গছত বগাই যোৱাত লতিকাই গছৰ প্ৰতি অংগৰে সৈতে চুমাচুমিহে যেন কৰিছে বুলি কবিয়ে অনুভৱ কৰিছে। সেইদৰে পাতৰ আঁৰত লুকাই লাজুকী কপৌটিয়ে লাজতে জুমাজুমিহে কৰিছে। সেই কপৌটিয়ে লাজতে মাত ফুটো নুফুটো স্বৰেৰে গানো গাইছে। হাবি কাষেৰে বৈ যোৱা নৈত গছৰ ডাল প্ৰতিবিম্বিত হৈছে। বতাহত সেই গছৰ ডাল হলা-জলা কৰাত এনেহে প্ৰতিভাত হৈছে যেন বৃক্ষই নৈৰ মুখলৈ চাই হাঁহি হাঁহি হালি-জালি নৃত্যহে কৰিছে। নৈয়ে কুলু কুলু স্বৰেৰে যেন কিবা কথাহে কৈছে আৰু বিজন বনত নৈয়ে কথাৰে ধেমালিহে কৰিছে। কবিৰ মনত প্ৰশ্ন হয় যে নিতৌ বনৰ ধেমালী কোনে চায় আৰু কোনে কাক ধেমালিৰ মাতেৰে মাতে? গছৰ আগত এটি মইনা পখীয়ে সুললিত স্বৰেৰে মাতি মাতি কাৰো পৰা প্ৰত্যুত্তৰ নাপাই নিচুক হ'ল। কবিৰ মনত মইনা চৰাইৰ মাত শুনাৰ হেঁপাহৰ যেন অন্ত নহ'ল। যিজনে এই এৰাবাৰীত বকুলজোপা কাহানিবাই ৰুইছিল, তেওঁ সেই ঠাইৰ পৰা কাহানিবাই আঁতৰি গ'ল; কিন্তু ভেটিৰ কাষৰ তামোল লেটেকু গছে বকুল ৰোৱা ব্যক্তি গৰাকীৰ কথা যেন আজিও সোঁৱৰায়। বাঁহৰ ছঁয়াত গজালি মেলা দেখা গৈছে, কোনোবাই নিশ্চয় এই ঠাইত বাঁহগাজ বিচাৰিছেহি (বাঁহগাজৰ খৰিচা এবিধ ৰুচিকাৰক খাদ্য) বাঁহ গছৰ মাজে মাজে জুৰ বতাহ বৈছে। তেওঁলোকে বাঁহগাজ বিচাৰি আহি নিশ্চয় গৰমৰ এই জুৰ বতাহত অকনমান দেহা শাত পেলায়। বাঁহৰ গছৰ পাতৰ আঁৰত কোনোবাই ফুচফুচাই কতা কৈছে আৰু হাঁহিছে। এনেহে লাগিছে যেন বাঁহগছৰ পাতবোৰে পৰস্পৰৰ মাজত ফুচফুচাই হাঁহি কথা কৈছে। প্ৰচণ্ড ৰ'দৰ বতৰত এক কলাঘুমতিয়ে যেন ভাগৰুৱাজনক জোকাই গৈছে আৰু এজাক বতাহ সুৰসুৰকৈ বিয়পি ভাগৰুৱাজনৰ দেহ-মনত সুখ নিগৰাইছে। এহালি কপৌ চৰাইয়ে পৰস্পৰৰ মাজত হিয়া উজাৰি মৰমৰ আদান-প্ৰদান কৰিছে। এফেৰি ফুলৰ পাহি হেন যক্ষিণী কন্যা এজনীয়ে লাহি দেহৰ হৰিণা পোৱালী এটিক জানৰ কাণত পানী খুৱাইছে। ভেলেঙী থৰ লাগি হৰিণা পোৱালীটিয়ে যক্ষিণী কন্যাৰ মুখলৈ ৰ' লাগি চাই ৰৈছে। অকনি যক্ষিণী ছোৱালীজনীয়ে হৰিণীজনীক কিনো চাইছ বুলি সুধি গালচে ছাঁহি চৰায়ছে। হৰিণাজনী যেন যক্ষিণী কন্যাৰ আমন্ত্ৰণৰ বাবেহে ৰৈ আছিল, যক্ষিণী কন্যাই মতাৰ লগে লগে সি দৌৰী যক্ষিণী কন্যা দুজনীৰ ওচৰ পালেগৈ। দুয়োজনী যক্ষিণী কন্যাই বনফুলৰ সাজ পিন্ধি আঁহতৰ তলত নাচিছে। যক্ষিণী কন্যা দুজনীয়ে মুকলি চুলিৰে টুক্ টুক্ টুক্ কৈ চাপৰি বজাই নাম গাইছে। সেই দুজনী ৰূপহী, বনকন্যা, দেৱযোনি সম্ভূত, সিহঁতক মানুহে দেখা নাপায়। খিল্‌খিল্‌কৈ হাঁহি হাঁহি সিহঁতে নানান ফুল ছিঙি নাচি বাগি হাঁহি মাতি দিহাদিহি উভতি গ'ল। কোনোজনীয়ে কপৌৰ বাহলৈ গৈ কপৌপোৱালীক মৰম-চুমা যাঁচিলেগৈ। আকৌ কোনোজনী বনকুঁৱৰীৰ খোপাত বন পখিলা পৰি ৰূপত ৰহন চৰাইছে। কোনোৱে বা আকৌ বন ফুলৰ মৌ পান কৰিছে। কবিয়ে মানুহৰ মনক উদ্দেশ্য কৰি চিত শান্ত কৰিবলৈ পৰামৰ্শ দিছে। শ্যামল পাটী সদৃশ এই সেউজীয়া বননিৰ ফুলে ফুলে অমৃত সম মৌ যেন

উপচি আছে। উজ্বল শ্যাম বৰণীয়া মুখেৰে নীল চুলি মেলেৰোজন নিশ্চিতভাবে বনকুঁৱৰী দেবীয়েই হ'ব বুলি কবিৰ ধাৰণা। মুকুতাৰে সাজোন-কাচোন কৰা আনজনী হ'ল জলৰ দেৱী নীয়ৰী। কুঁৱৰীহঁতৰ মেলা চুলি এজনীয়ে আনজনীৰ বান্ধি দি খোপাবোৰ মালাৰে [illegible] কৰি তুলিছে। লগতে সুগন্ধি সুন্দৰ বনফুলেৰে [illegible] সুসজ্জিত কৰা হৈছে। জুৰ জুৰকৈ বলা [illegible] কেতেকী ফুলৰ পাহি উৰুৱাই আনিছে। সেই [illegible] ফুলৰ মলমলোৱা গোন্ধ বতাহে চাৰিওফালে [illegible] দিছে। বতাহে যেন দুয়োগৰাকী বন দেৱীৰ [illegible] মনৰ ভিক্ষা কৰি প্ৰাণৰ অমিয়া মাধুৰীহে [illegible]। দুই প্ৰকৃতি কুৱৰীয়ে মিচিকিয়া হাঁহিৰে তাৰ [illegible] অথিৰ বায়ুৰ হেন্দোলনিত জানৰ বুকুত [illegible] উঠিল আৰু কাৰণ নেদেখা আনন্দৰ ঢৌৱে [illegible] প্ৰাণ বুৰাই পেলালে।

ড° নগেন শইকীয়াই 'চন্দ্ৰ কুমাৰৰ কবিতা সমগ্ৰ' গ্ৰন্থৰ পাতনিৰ শেষাংশত উল্লেখ কৰিছে 'কবিতাৰ ব্যাখ্যা যে সম্ভৱ নহয়, চন্দ্ৰকুমাৰৰ শ্ৰেষ্ঠ কবিতা কেইটিয়ে তাকেই নীৰৱে ঘোষণা কৰিছে।' *—এই কথা স্বীকাৰ কৰিয়ো সমলোচক গৰাকীয়ে* কবিতাৰ সামগ্ৰিক মূল্যায়নৰ প্ৰয়োজনীয়তাও অস্বীকাৰ কৰা নাই। বনকুঁৱৰী চন্দ্ৰকুমাৰৰ প্ৰথম কবিতা বা অসমীয়া সাহিত্যৰ প্ৰথমটো ৰোমাণ্টিক কবিতাই নহয় এই কবিতাৰ জৰিয়তেই ৰোমাণ্টিক কবিতাৰ ভেঁটিটো সুদৃঢ়কৈ নিৰ্মাণো কৰিছিল। অসমীয়া সাহিত্যৰ প্ৰথমটি ৰোমাণ্টিক কবিতা হিচাপেই নহয় এক সাৰ্থক ৰোমাণ্টিক কবিতা বা সাহিত্যিক বেলাড (Litarary Ballads) ৰূপেও বনকুৱৰীয়ে অসমীয়া কাব্য সাহিত্যত মহিমামণ্ডিত স্থান অধিকাৰ কৰি থাকিব। ■

# লক্ষ্মীধৰ শৰ্মাৰ "ব্যৰ্থতাৰ দান" গল্পত প্ৰতিফলিত হোৱা নাৰী মনস্তাত্বিক দিশ

● পল্লৱী ডেকা
অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ
এম. এন. চি. বালিকা মহাবিদ্যালয়, নলবাৰী

লক্ষ্মীধৰ শৰ্মা আবাহন যুগৰ এগৰাকী বিশিষ্ট গল্পকাৰ। এওঁৰ গল্পসমূহ পৃথক বৈশিষ্ট্যপূৰ্ণ। সমাজত দেখা দিয়া বিভিন্ন সমস্যাক বিষয়বস্তু হিচাপে লৈ শৰ্মাদেৱে গল্প ৰচনা কৰিছিল যদিও তেওঁৰ সৰহভাগ গল্পৰ বিষয়বস্তু আছিল মূলত নৰ-নাৰীৰ প্ৰেম। তেওঁৰ প্ৰায়বোৰ গল্পতে নাৰী চৰিত্ৰইপ্ৰাধান্য লাভ কৰিছে। নাৰীৰ মানসিক স্থিতি, চিন্তা, কল্পনা আৰু নোপোৱাৰ বেদনা গল্পবোৰত সজীৱ হৈ দেখা দিছে। নাৰী মনস্তত্বৰ সকলো দিশ বিভিন্ন গল্পৰ নানান নাৰী চৰিত্ৰৰ মাধ্যমেদি জীৱন্ত ৰূপত উপস্থাপন কৰিছে। কিন্তু সেই নাৰী চৰিত্ৰবোৰ আছিল বলিষ্ঠ। পৰম্পৰাগত অসমীয়া নাৰীৰ বিপৰীতে আধুনিকতাৰ স'তে খোজ মিলাবলৈ আগবাঢ়ি আহিছে লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ নাৰী চৰিত্ৰবোৰে।

'ব্যৰ্থতাৰ দান' শৰ্মাৰ উল্লেখযোগ্য গল্পবোৰৰ ভিতৰত অন্যতম। বিভিন্ন দিশৰপৰা এই গল্পটোৱে শ্ৰেষ্ঠতাৰ দাবী কৰিবলৈ সক্ষম হৈছে। অগতানুগতিক কাহিনী, সুন্দৰ উপস্থাপন শৈলীয়ে আৰু চৰিত্ৰৰ বিকাশে গল্পটোক আকৰ্ষণীয় ৰূপ দিছে। গোটেই গল্পটোৰ কাহিনীভাগ 'লিলি' নামৰ চৰিত্ৰটোৰ মাধ্যমেৰে আগবঢ়াই নিয়া হৈছে। লিলি আঢ্যৱন্ত ঘৰৰ, উচ্চ শিক্ষিতা, সৌন্দৰ্য্যময়ী নাৰী। কাহিনী অনুসৰি লিলি যিজন পুৰুষৰ লগত বিয়া হৈছিল, সেই পুৰুষজনো আছিল ধনী ঘৰৰে সন্তান। তিনিখনকৈ চাহ বাগিছাৰ মালিক। দিনে-ৰাতিয়ে তেওঁ নিজৰ কৰ্তব্য পালন কৰি যায় কেৱল ধনৰ লালসাত। পত্নী লিলিৰ লগত তেওঁৰ দৈহিক সম্পৰ্কৰ বাদে সাধাৰণতে স্বামী-স্ত্ৰীৰ মাজত থাকিবলগীয়া আত্মিক সম্পৰ্ক নাই। লিলিয়ে নিজেই কৈছে— "মোৰ লগত তেওঁৰ সম্বন্ধ বৈচিত্ৰ্যহীন। মই তেওঁৰ কামনাৰ সহচৰী আৰু তেওঁৰ কণ্ঠত মোৰ ৰূপৰ স্তুতি মুখৰ হৈ উঠিছিল। পুৰুষৰ মুখত মোৰ ৰূপৰ জয়গান, তাত নতুনত্ব একো নাছিল। মুঠতে মোৰ স্বামীয়ে মোৰ অন্তৰৰ সুপ্ত নাৰী প্ৰকৃতিক জগাব পৰা নাছিল। অন্য দহজন স্থাৱকৰ দৰে তেঁৱো এজন। প্ৰভেদ মাথো মই তেওঁৰ কামনাৰ সংগী।" লিলিৰ এই কথাখিনিয়ে প্ৰমাণ কৰিছে যে বৈবাহিক জীৱনত তাই মুঠেও সুখী নহয়। ইয়াতে নাৰী মনস্তত্বৰ এটা দিশ পোহৰলৈ আহিছে। সাধাৰণতে প্ৰত্যেক নাৰীয়ে নিজৰ স্বামী স্বনিৰ্ভৰশীল হোৱাটো বিচাৰে। কিন্তু টকা-পইচাৰ পিছত দৌৰি জীৱনৰ সৌন্দৰ্য্য হেৰুৱাব নিবিচাৰে। লিলিৰ স্বামীয়ে কিন্তু দিনে-নিশাই কাম কৰে কেৱল টকা ঘটিবলৈহে। পত্নীৰ লগত দৈহিক মিলনৰ বাদে একেলগে বহি এসাজ খাবলৈ, অন্তৰৰ কথা পাতিবলৈ তেওঁৰ আহৰি নাই।

লিলিয়ে কোৱা "পুৰুষৰ মুখত মোৰ ৰূপৰ জয়গান, তাত নতুনত্ব একো নাছিল"—কথাষাৰ নাৰী মনস্তত্বৰ আন এটা সজল দিশ। কিয়নো প্ৰত্যেক নাৰীয়ে পুৰুষৰ মুখত নিজৰ প্ৰশংসা বিচাৰে। সি লাগে সচাই হওঁক বা মিছাই হওঁক। লিলিয়ে সৰুৰে পৰা দেখিবলৈ ধুনীয়া নাৰী হিচাপে পুৰুষ সমাজখনত এখন সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছিল। তাই জীৱনত বহুজন পুৰুষৰ পৰা প্ৰেমৰ প্ৰস্তাৱ পাইছে, ৰূপৰ প্ৰশংসা পাইছে। সেইবাবে বিয়াৰ পিছত স্বামীয়ে তাইৰ ৰূপৰ প্ৰশংসা কৰাত লিলি অভিভূত হৈ পৰা নাই, আচৰিত হোৱা নাই নাইবা তাই সুখীও হোৱা নাই। তাইৰ স্বামী বাহ্যিক দৃষ্টিকোণৰ পৰা সক্ষম, সুন্দৰ-সুঠাম চহকী ব্যক্তি। কিন্তু লিলিৰ লগত সুখে-সন্তোষে সংসাৰ কৰিব পৰা মানসিকতা তাৰ নাই। সেয়ে লিলি কোনোপধ্যে সুখী হ'ব পৰা নাই।

ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই কোৱাৰ দৰে সাধাৰণতে নাৰীয়ে বিবাহৰ জৰিয়তে জীৱনৰ পূৰ্ণতা কামনা কৰে। কিন্তু লিলি এই পূৰ্ণতাৰ পৰা বঞ্চিত হ'ব লগা হ'ল তাইৰ অযোগ্য স্বামীৰ বাবে। বিবাহিত নাৰীয়ে স্বামীৰ পৰা বিচৰা মৰম-চেনেহ একোৱে নাপালে তাই। নিজৰ ইচ্ছা আকাংশাক জলাঞ্জলী দি যন্ত্ৰবৎ স্বামীৰ দৈহিক কামনা-বাসনা পূৰণ কৰি গৈ থাকিল। স্বামীৰ পৰা পোৱা এনে অনাদৰে লিলিক বিচলিত কৰি তুলিলে। যাৰ বাবে তাই স্বামীঘৰত লগ পোৱা সম্পৰ্কীয় ননন্দ তৰুৰ স্বামী ললিতক দেখি মুগ্ধ হৈ পৰে। লিলিৰ স্বামীৰ তুলনাত ললিত আৰ্থিকভাবে দুৰ্বল। তেওঁ এজন উকিল। কিন্তু ললিতৰ বুদ্ধি বৃত্তি অতি প্ৰখৰ আৰু মনোভাব উচ্চ পৰ্য্যায়ৰ। ওকালতি কৰি তেওঁ যথেষ্ট টকা-পইচা আৰু সুনাম অৰ্জন কৰিছে। কিন্তু টকা-পইচাই তেওঁৰ বাবে শেষ নহয়। ওকালতি কৰাৰ উপৰিও সাহিত্য, সংগীত সাধনাৰ লগতে বিভিন্ন ধৰণৰ ৰাজহুৱা সভা-সমিতিৰ লগত জড়িত আছিল। ললিতৰ এই ব্যক্তিত্বই স্বাভাৱিকতে লিলিক ললিতৰ প্ৰতি আকৰ্ষিত কৰিছিল। পৰপুৰুষৰ ৰূপ গুণত আকৰ্ষিত হোৱাটোও নাৰী মনস্তত্বৰে আন এক প্ৰকাশ।

গল্পটোত আন এটা উল্লেখযোগ্য চৰিত্ৰ 'তৰু'। সৌন্দৰ্য্যৰ ফালৰ পৰা লিলিৰ তুলনাত তৰু বহুগুণে শুৱনী। তাই উচ্চ শিক্ষিতা যদিও তাইৰ ব্যৱহাৰত এই পৰিচয় পোৱা নাযায়। এইগৰাকী তৰুক ললিতে অত্যন্ত মৰম-স্নেহ কৰাৰ উপৰিও প্ৰতিটো সৰু-বৰ কথাৰ প্ৰতি যত্ন লয়। যিয়ে লিলিক ললিতৰ প্ৰতি আকৰ্ষিত আৰু তৰুৰ প্ৰতি ঈৰ্ষান্বিত কৰি তোলে। এই ঈৰ্ষাও নাৰী মনস্তত্বৰে আন এটা দিশ। তাইৰ এই ঈৰ্ষা অধিক ভয়াবহ ৰূপ লয় তৰুৰ শয্যাগত সময়ত। ইতিমধ্যে লিলিয়ে ললিতক অন্তৰেৰে ভাল পাই পেলাইছিল। তৰুৰ শয্যাগত সময়ত তাইৰ ওচৰত বহি মৰম-চেনেহ কৰা দেখি লিলিয়ে মনে মনে ভাবিলে—"মই যদি তৰুৰ দৰে বেমাৰী হৈ পৰি থাকিব পাৰিলোহেঁতেন, মোৰ মৃত্যুৰ আশংকাত যদি ললিত ব্যাকুল হৈ উঠিলহেঁতেন, তাতকৈ ডাঙৰ আনন্দৰ কথা কি আছিল?" লিলিৰ এই কথাষাৰতো নাৰী মনস্তত্বৰ আন এটি লক্ষণ দেখিবলৈ পোৱা যায়। নাৰীয়ে বিচাৰে স্বামীৰ মৰম-আদৰ আৰু যত্ন। কিন্তু লিলি এই সকলোবোৰৰ পৰা বঞ্চিত। সেয়ে তৰুক দেখি তাই ঈৰ্ষান্বিত হৈছে।

অৱশেষত তৰুৰ মৃত্যু হ'ল। লিলিয়ে ভাবিলে তাই মুক্ত হ'ল। ইমানদিনে তাই ললিতক মনে মনে ভাল পাই আছিল যদিও ললিতৰ কাষ চাপিবলৈ সাহস কৰা নাছিল। এতিয়া তৰু নাই গতিকে ললিত অতি সহজে তাইৰ প্ৰতি আকৰ্ষিত হ'ব। কিন্তু তৰুৰ অবৰ্তমানতো ললিতৰ দেহ-মন তৰুৰ প্ৰেমে আৱৰি আছিল। আনহাতে লিলিয়ে

সম্পূৰ্ণ এটা ভুল ধাৰণা লৈ ললিতৰ বাবে অপেক্ষা কৰি আছে। তাই ললিতলৈ চিঠি পঠিয়ালে তাক ওচৰত পোৱাৰ উদ্দেশ্যে। কিন্তু ললিতৰ উত্তৰ কি নিৰ্বিকাৰ— "আজি দেহে নিজ প্ৰয়োজনত নাৰীক বিচাৰিব পাৰে, হৃদয়ে বিচৰা নাই, আৰু সম্ভৱ মোৰ হৃদয় চিৰকাললৈ ভাগি গৈছে।" ইয়াৰ পিছতো কিন্তু লিলি ক্ষান্ত নহ'ল। লিলিয়ে পুনৰ ললিতৰ সংগ পাবলৈ বাউলী হৈ পৰিল। তাই আকৌ মাতি পঠিয়ালে তাক তাইৰ কামনাৰ সহচৰ হ'বলৈ। ললিতে কোনো উত্তৰ নিদিলে। ইয়াতে লিলিৰ ভুল হ'ল। ললিত আহিব বুলি গোটেই দিনটো নিজৰ লগতে ঘৰখনকো সজাই-পৰাই তুলিলে। ইয়ো নাৰী মনস্তত্বৰে আন এটা দিশ। তাই কৈছে—"মোৰ হৃদয় তন্ত্ৰীত যেন অপূৰ্ব সংগীত বাজি উঠিল। আজি মোৰ জীৱনৰ মহা উৎসৱ। মোৰ হৃদয়ৰাজ্যৰ ৰাজত্বত অভিষেক কৰি ল'বলৈ সকলো প্ৰস্তুত কৰি থলো।" ঘৰৰ কোঠাবোৰ, বাহিৰ-ভিতৰ সকলো পুষ্প আৰু সুগন্ধি দ্ৰব্যৰে উপচায় পেলালে। লাহে লাহে ৰাতি হ'ল। বাৰ বাজিল। লিলিৰ দেহ-মন কঁপি উঠিল ললিত আহিব এতিয়া। ললিতৰ স্পৰ্শৰ বাবে তাইৰ দেহৰ প্ৰতি ৰক্ত বিন্দু, প্ৰতি অনু, প্ৰতি পৰমাণু, উন্মুখ, উদগ্ৰীৱ, উদভ্ৰান্ত। নিশা তিনি বাজিল; চাৰি বাজি গ'ল। ললিত নাহিল। এতিয়া যে আৰু সময় নাই। লাহে লাহে ৰাতি পুৱাল। তাই নিজৰ ভিতৰত থকা কামনা-বাসনা, ললিতক স্পৰ্শ কৰাৰ হেঁপাহ সকলো জলাঞ্জলী দিলে। পিছদিনা ৰাতিপুৱা ললিতে তাইক মাত লগাই ঘৰলৈ গ'ল। অতি সাধাৰণ তাৰ ব্যৱহাৰ; যেন আগদিনা কি হৈছিল, তাৰ একো ভু সি নাপায়। পিছত উপায়হীন হৈ লিলিয়ে স্বামীৰ হতুৱাই ললিতে তাইক অসৎ প্ৰস্তাৱ দিয়া বুলি কৈ অপমান কৰিব বিচাৰিলে। ইয়াতে লিলিৰ মন পাশৱিক হৈ উঠা দেখা যায়। ইয়ে নাৰীৰ মানসিক প্ৰকৃতিৰ স্বৰূপ উদঙাই দিছে। কিন্তু কি আচৰিত ললিতৰ ব্যৱহাৰ ...? সকলো মিছা অপবাদ নিজে মুৰ পাতি ললে। ললিতৰ এই ধৰণৰ ব্যৱহাৰত তাইৰ ধৈৰ্য্যৰ বান্ধ ছিঙি গ'ল। শেষত নিজে তাক অপমান কৰিবলৈ বুলি ঘৰত উপস্থিত হ'ল। কিন্তু লিলিয়ে ললিতক দেখি উপলব্ধি কৰিলে—"বেথাৰ অনন্ত সাগৰত পৰি ললিতে যেন প্ৰেয়সী নাৰীৰেই উপাসনা কৰিছে। ললিতৰ চকুহাল দেখি লিলি স্নেহত নিমজ্জিত হ'ল আৰু ললিতৰ মুখখনি তাইৰ বুকুৰ মাজত সোমাই লৈ সান্ত্বনা দিবলৈ মন গ'ল। কেনে আচৰিত নাৰীৰ মনোভাব' ইমানদিনে ললিতৰ ওপৰত জ্বলি থকা খঙৰ জুইকুৰা ললিতক দেখাৰ লগে লগে নাইকীয়া হ'ল। সেই খং গৈ স্নেহত পৰিণত হ'ল। এয়াও যেন নাৰী মনস্তত্বৰে এক সুষম প্ৰকাশ।

ললিতৰ প্ৰতি লিলিৰ ব্যৱহাৰ, তাইৰ সাহস প্ৰশংসনীয়। সাধাৰণতে নাৰীয়ে কামনা কৰা কোনো বস্তু যেতিয়া পুৰুষে উপেক্ষা কৰে, তেতিয়া নাৰীৰ যি মানসিক দ্বন্দ্ব, সেই দ্বন্দ্ব লিলি চৰিত্ৰৰ যোগেদি সাৰ্থকভৱে উন্মোচিত হৈছে। পৃথিৱীৰ সকলো নাৰীয়ে নিজৰ ৰূপ লাৱণ্যৰ দ্বাৰা পুৰুষৰ হৃদয় জয় কৰিব বিচাৰে। এই ক্ষেত্ৰত লিলি বহু পৰিমাণে সফলো হৈছিল। গোটেই গল্পটোৰ আৰম্ভণিৰ পৰা শেষলৈ লিলি চৰিত্ৰটোৰ মাধ্যমেৰে নাৰী মনস্তত্বৰ সকলো দিশ সুন্দৰভাৱে উদ্ভাসিত হোৱাৰ লগতে নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰতিফলিত হৈছে। ললিতৰ প্ৰতি লিলিৰ যি প্ৰেম সেই প্ৰেমে সাৰ্থকতা নাপালে কিন্তু এই ব্যৰ্থ প্ৰেমেৰে লিলিয়ে ললিতৰ জীৱনৰ জয় গান গায় থাকিল। ■

# নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা ঃ দ্ৰৌপদী

● ড° লীনা ডেকা
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

আধুনিক অসমীয়া কবি জগতত নিৰ্মলপ্ৰভা বৰদলৈ (১৯৩৩—২০০৪) এক পৰিচিত নাম। সমগ্ৰ জীৱনটোকে সুদীৰ্ঘ কবিতা বুলি বিবেচনা কৰা [illegible]কীয়ে কৈছিল — 'জীৱনতকৈ ডাঙৰ কবিতা একো নাই।' সঁচাকৈয়ে নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনটোৱেই এটা মনোৰম কবিতা। জীৱন, মনোজগত আৰু চৌপাশৰ পৃথিৱীখনৰ পৰা আহৰণ কৰা বিচিত্ৰ অভিজ্ঞতাৰ ফচল তেওঁৰ কবিতা। সমগ্ৰ জীৱনতে নিৰ্মলপ্ৰভা বৰদলৈয়ে নিৰীক্ষণ কৰিছিল মানুহৰ জীৱনৰ সমস্যাসমূহ; প্ৰত্যক্ষ কৰিছিল মানুহৰ অন্তৰ্জীৱনৰ হাঁহাকাৰ, বেদনা আৰু শূন্যতা। চকুপানীৰে জীৱনৰ অভিজ্ঞতাক তেওঁ ৰূপ দিছিল কবিতাত। সংক্ষিপ্ততা, আবেগঘন অনুভূতি, শব্দৰ অপূৰ্ব নিৰ্বাচন, আংগিকৰ সংহত ৰূপ, অৰ্থৰ ব্যঞ্জনা তেওঁৰ কবিতাৰ মন কৰিবলগীয়া কেইটামান বিশেষত্ব।

১৯৩৩ চনত শিৱসাগৰত জন্মগ্ৰহণ কৰা কবি নিৰ্মলপ্ৰভা বৰদলৈয়ে সেই সময়ৰ সমাজৰ নিয়ম-পৰম্পৰা অনুসাৰে তেনেই কম বয়সতে বিবাহ পাশত আবদ্ধ হ'বলগীয়া হৈছিল। বিদ্যা শিক্ষা আধৰুৱা হোৱা বাবে মনত আঘাত পাইছিল তেওঁ। অৱশ্যে পিছত তেওঁ স্বামীগৃহ ত্যাগ কৰি পুনঃ অধ্যয়ন কৰিবলৈ লয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত ১৯৫৮ চনত নিৰ্মলপ্ৰভা বৰদলৈয়ে বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰিবলৈ লয়। ১৯৭৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপিকা হিচাপে যোগদান কৰি জৱহৰলাল নেহৰু আসনৰ অধ্যাপিকাৰূপে অৱসৰ গ্ৰহণ কৰে। 'The treatment of Nature in Assamese poetry' গৱেষণা গ্ৰন্থৰ বাবে ডক্তৰেট ডিগ্ৰী লাভ কৰা নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত পোৱা যায় প্ৰকৃতিৰ সৈতে আত্মিক বন্ধনৰ পৰিচয়। সৰু কালতে পিতৃয়ে পৰিচয় কৰাই দিছিল প্ৰকৃতিৰ জগতখনৰ সৈতে। সেয়েহে তেওঁৰ কবিতাত আছে প্ৰকৃতিৰ পৰা আহৰণ কৰা অপূৰ্ব চিত্ৰৰ সমাহাৰ। এনে অপূৰ্ব চিত্ৰেৰে তেওঁ প্ৰকাশ কৰিছে প্ৰাণৰ বিষন্নতা, আকুলতা, নাৰী মনৰ সংশয়, যন্ত্ৰণা, হতাশা, ক্ষোভ, প্ৰেমৰ পাৰ্থিৱ আৰু অপাৰ্থিৱ ৰূপ আদি। সমসাময়িক জগতখনে নিৰ্মলপ্ৰভাৰ সংবেদনশীল মনটোক বাৰুকৈয়ে জোকাৰি গৈছিল। কেতিয়াবা কবি গৰজি উঠিছে চামুণ্ডা হৈ, মাঁৰৈ পূজাৰ দেওধনী হৈ, কেঁচাইখাতী গোসানী হৈ।

নিৰ্মল প্ৰভাৰ কাব্যগ্ৰন্থ একাধিক। 'বন ফৰিঙৰ ৰং' (১৯৬৭), তেওঁৰ প্ৰথম কাব্যগ্ৰন্থ। তেওঁৰ আন আন কবিতাগ্ৰন্থসমূহ হ'ল— 'দিনৰ পিছত দিন' (১৯৭৭), 'সমীপেষু' (১৯৭৭), 'অন্তৰংগ' (১৯৭৮), 'সুদীৰ্ঘ দিন আৰু ঋতু' (১৯৮২), 'শব্দৰ ইপাৰে শব্দৰ সিপাৰে' (১৯৯২), 'অমিতাভ শব্দ' (১৯৯৪), 'বসন্তৰ এদিন'। 'সুদীৰ্ঘ দিন আৰু ঋতু' কবিতা পুথিখনৰ বাবে নিৰ্মলপ্ৰভা বৰদলৈয়ে লাভ কৰিছিল সাহিত্য অকাডেমী বঁটা (১৯৮৩)। আটাইবোৰ কবিতা পুথিতে পোৱা যায় অনুভূতিৰ গাঢ়তা, বিচিত্ৰতা, অভিনৱ প্ৰকাশশৈলী। সমাজ আৰু যুগ চেতনা, প্ৰকৃতিৰ সৌন্দৰ্য চেতনাৰে নিৰ্মলপ্ৰভাৰ কবিতা সমূহ সদা-উজ্জীৱিত। তেওঁৰ ভালেমান কবিতা হিন্দী, পাঞ্জাৱী, গুজৰাটী, নেপালী ভাষালৈ অনুদিত হৈছে। ভাৰতবৰ্ষৰ বাহিৰৰ কেতবোৰ আলোচনীতো নিৰ্মলপ্ৰভাৰ কবিতা সিঁচৰতি হৈ আছে।

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ সকলোতকৈ মন কৰিবলগীয়া বিশেষত্বটো হ'ল গীতিময়তা। দৰাচলতে গীতিকাৰ হিচাপেহে তেওঁ বেছি জনপ্ৰিয়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত কল'ৰিজৰ সেই বিখ্যাত কবিতাৰ সূত্ৰটো বিচাৰি পোৱা যায়।'Best words in the best order' বৰদলৈৰ কবিতাৰ শব্দ সমূহো তেনেকৈয়ে Best words অৰ্থাৎ 'উৎকৃষ্টতম'। শব্দ চয়নত নিৰ্মলপ্ৰভাৰ দৰে সুদক্ষ কবি নাই। অথচ নিৰ্মলপ্ৰভাৰ কবিতাৰ শব্দ সমূহ তেনেই সহজ-সৰল; কিন্তু শুৱলা আৰু যথোপযুক্ত। শব্দচয়নৰ এই ধৰণৰ নৈপুণ্যৰ বাবেই নিৰ্মলপ্ৰভাৰ কবিতাত পোৱা যায় সুৰৰ মাদকতা, গুণগুণনি। স্বৰূপাৰ্থত নিৰ্মলপ্ৰভা এগৰাকী গীতিকাৰ। 'সোণ বৰণীয়া আই' আৰু 'সুৰীয়া মাত' তেওঁৰ দুখন গীতৰ পুথি।

সাহিত্যৰ অন্যান্য দিশতো নিৰ্মলপ্ৰভা বৰদলৈৰ বৰঙণি অসীম। 'দেৱী', 'শিৱ' আৰু 'সূৰ্য'—এই তিনিখন বৃহৎ গৱেষণাগ্ৰন্থৰ জৰিয়তে বৰদলৈৰ অধ্যয়নশীল আৰু পৰিশ্ৰমী মনোভাৱৰ পৰিচয় পাব পাৰি। 'অসমৰ লোক সংস্কৃতি' নামৰ গ্ৰন্থ প্ৰণয়ন কৰি বৰদলৈয়ে লোক-সংস্কৃতি অধ্যয়ন প্ৰীতিৰ পৰিচয় দাঙি ধৰিছে। বৰদলৈৰ 'অসমৰ লোক সংস্কৃতি' গ্ৰন্থত অসমৰ বিভিন্ন লোকাচাৰৰ পৰিচয় পোৱা যায়। কঠোৰ সাধনা, নিৰৱচ্ছিন্ন অধ্যয়ন, পৰিচ্ছন্নতাবোধ, সংস্কাৰকামী মনোভাৱাপন্ন নিৰ্মলপ্ৰভা আছিল স্থিতপ্ৰজ্ঞ। পৰিস্থিতিৰ মুখামুখী হোৱাৰ অদম্য সাহস তেওঁ অৰ্জন কৰিছিল। জীৱনৰ কতনা দুখ-যন্ত্ৰণা, অন্যায়-অত্যাচাৰ সহ্য কৰিয়ো কবি নিৰ্মলপ্ৰভাই ভাল পাইছিল জীৱনটোক, প্ৰকৃতিক, মানুহক আৰু পৃথিৱীক।

প্ৰাচীন ভাৰতীয় নাৰীসকলে নিৰ্মলপ্ৰভাৰ অন্তৰত বাৰুকৈয়ে আলোকপাত কৰিছিল। সেয়েহে তেওঁ দ্ৰৌপদী, সীতা, গান্ধাৰী আদি চৰিত্ৰৰ ব্যতিক্ৰমী কাব্যৰূপ দান কৰিছিল। এই নাৰী চৰিত্ৰসমূহৰ জৰিয়তে নিৰ্মলপ্ৰভাই ৰচনা কৰিছিল নাৰীমুক্তিৰ স্বপ্ন। ৰামায়ণ-মহাভাৰতৰ এই নাৰী সকলক কবিয়ে নতুনকৈ মূল্যাংকন কৰিছে। ইতিপূৰ্বে জ্যোতিপ্ৰসাদ আগৰৱালাই 'অসমীয়া ছোৱালীৰ উক্তি' আৰু হেম বৰুৱাই 'মমতাৰ চিঠি' কবিতাৰ জৰিয়তে নাৰীৰ

ৰিদ্ৰ আৰু কাৰুণ্যৰ কথা প্ৰকাশ কৰিছে যদিও সেই কবিতা দুটিত নাৰী মনৰ গভীৰতম স্থানৰ সূক্ষ্ম অনুভূতিৰ প্ৰকাশ ঘটা নাই। নিৰ্মলপ্ৰভা বৰদলৈয়ে এই নাৰী চৰিত্ৰ তিনিটাৰ জৰিয়তে নাৰীৰ অন্তৰ্জগতখনৰ ৰহস্যৰ উমান দিছে। নাৰীৰ শাৰীৰিক অন্তৰৰ মাজত থাকে এক বিশেষ অনুভৱৰ স্তৱ; মানসিক উপলব্ধি। 'দ্ৰৌপদী' কবিতাত তাকেই লেখুৱা হৈছে। প্ৰাচীন নাৰী চৰিত্ৰত বৰদলৈয়ে আৰোপ কৰিছে এক বিচিত্ৰ অনুভূতি। 'বন ফৰিঙৰ ৰং' কাব্যগ্ৰন্থৰ অন্তৰ্ভুক্ত 'দ্ৰৌপদী' নিৰ্মলপ্ৰভাৰ এটা ব্যতিক্ৰমী কবিতা। কবিতাৰ আৰম্ভণিতে কবিয়ে উত্থাপন কৰিছে এই প্ৰশ্ন —

'মই ব্যতিক্ৰম?
নহয়, নহয়।
মই, মই যে মাথোঁ চিৰন্তন নাৰী
যুগমীয়া ৰহস্যৰে ভৰা বিচিত্ৰ বৰ্ণালীৰ এক সহজ প্ৰকাশ'।

'দ্ৰৌপদী' চিৰ সৌন্দৰ্য সন্ধানী এটি প্ৰেম উন্মুখ নাৰী, গান্ধাৰী ধৰ্মীয় আত্মবিশ্বাসৰ বলি আৰু সীতা পুৰুষৰ যথেচ্ছাৰ আৰু উৎপীড়ণৰ বিৰুদ্ধে নীৰৱ বিদ্ৰোহিনী।[১] এশ পুত্ৰৰ মাতৃ হৈও গান্ধাৰীয়ে অনুভৱ কৰিছিল যে তেওঁ মাতৃ নহয় — তেওঁৰ এশ পুত্ৰ তেওঁৰ বাবে 'এশ দুঃস্বপ্নৰ সি যে এক কাল আবিৰ্ভাৱ'। নিৰ্মলপ্ৰভাৰ কবিতাত গান্ধাৰী চিত্ৰিত হৈছে ৰহস্যময়ী হিচাপে —

'মাতৃ হলো সন্তানৰ
তথাপি নহ'লো মাতৃ
নিজৰ জীৱন যি আগুৱাই দি
অধীৰ বাউলী হৈ কৰে তন্ময় প্ৰাৰ্থনা
পুত্ৰৰ কল্যাণৰ বাবে
মইতো নহওঁ মাতৃ
মোৰতো সন্তান নাই'

একেদৰে নিৰ্মলপ্ৰভাৰ কবিতাৰ সীতা হ'ল 'পুৰুষৰ যথেচ্ছাচাৰ আৰু উৎপীড়ণৰ বিৰুদ্ধে নীৰৱ বিদ্ৰোহিনী'। এই তিনি প্ৰাচীন নাৰীৰ মাজেৰে নিৰ্মলপ্ৰভা বৰদলৈয়ে নাৰীৰ অন্তৰ্জগতৰ এক বিশেষ অনুভূতিক বৰ সাৱলীল ৰূপত দাঙি ধৰিছে।

দ্ৰৌপদী চৰিত্ৰত নিৰ্মলপ্ৰভাই বিচিত্ৰ অনুভূতি আৰোপ কৰিছে যদিও দ্ৰৌপদী-চিৰন্তন নাৰীৰেই প্ৰকাশ। দ্ৰৌপদী চিৰসৌন্দৰ্য সন্ধানী প্ৰেম উন্মুখ নাৰী। পঞ্চ পাণ্ডৱৰ অমৃতময় প্ৰেমৰ মাজত ডুবি থকা দ্ৰৌপদীৰ ধীৰ-স্থিৰ মনীষাৰ ধৰ্ম যুধিষ্ঠিৰ, শালবৃক্ষসম, ভীম, শৌৰ্য বীৰ্য সৌন্দৰ্যৰ প্ৰতীক অৰ্জুন, সৌম্য, শান্ত, নম্ৰ বীৰ নকুল আৰু সহদেৱৰ দৰে স্বামী থকা সত্বেও মনত যে অতৃপ্তি। অতৃপ্ত সেই নাৰীমনে সন্ধান কৰে অন্তৰ্জগতত মায়াৰ খেলা কৰা এখনি ছবিৰ। সেই ছবি কৰ্ণৰ, যি কৰ্ণৰ বোধ, মেধা, বীৰত্ব, পাণ্ডিত্য, ব্যক্তিত্ব আৰু সুঠাম মনত লুকাই আছে অপৰিসীম সৌন্দৰ্য। দ্ৰৌপদী সেই সৌন্দৰ্যৰে অক্লান্ত পিয়াসী নাৰী।

নাৰী মনৰ এই গোপন অভিব্যক্তি নিৰ্মলপ্ৰভা বৰদলৈয়ে প্ৰতীকী ব্যঞ্জনাৰে অতি কৌশলগতভাৱে প্ৰকাশ কৰিছে। বাহ্যিক ভাৱে সংসাৰৰ চিৰাচৰিত নিয়ম পৰম্পৰাক সন্মান জনাইও দ্ৰৌপদীয়ে অন্তৰ্জগতত কৰ্ণৰ প্ৰেমৰ বাবে উন্মুখ হয়। দৈহিক কামনা-বাসনাৰ উৰ্দ্ধত মনোজগতত এখন সৌন্দৰ্যৰ ৰাজ্য থাকে। এই 'সৌন্দৰ্য নহয় মাথো অপৰূপ অৱয়ৱ'। এয়া মনৰ এখ

গভীৰ উপলব্ধি। নিৰ্মলপ্ৰভা বৰদলৈয়ে দ্ৰৌপদীৰ মাজেৰে চিৰন্তন সেই প্ৰশ্ন উপস্থাপন কৰিছে —

মোৰ দোষ ক'ত?
মই মাথো কৰি গ'লো
সত্যৰ সহজ স্বীকাৰ

সঁচা কথা, পাঁচজন পুৰুষৰ অংকশায়িনী হ'ব লগীয়াতো নাৰী হিচাপে দ্ৰৌপদীৰ বাবে চৰম দুখৰ কথা। কিন্তু দ্ৰৌপদীৰ জীৱন যেন আনৰ ইচ্ছাৰ অধীন। এয়াইতো ভাৰতীয় নাৰীৰ জীৱন। কুন্তীৰ মুখ নিসৃত বাণীৰ যেন বলি হ'ল দ্ৰৌপদী। সত্য ভ্ৰষ্টতাৰ পৰা কুন্তীক ৰক্ষা কৰিবলৈ গৈ দ্ৰৌপদীয়ে নীৰৱে মানি ললে সেই ভয়ংকৰ কথা। কিন্তু মনৰ ওপৰত আন কাৰোৰেই শাসন থাকিব নোৱাৰে। দেহৰ উৰ্দ্ধত সকলোৰে থাকে এটি নিজস্ব মন। আৰু সেই বাবেইও দ্ৰৌপদীয়ে পঞ্চ স্বামীৰ পৰা সকলোখিনি পোৱাৰ পিছতো কিবা এটা বাসনাৰ বাবে উন্মুখ হয়। সেই অতৃপ্ত তৃষ্ণাৰ বাবেই দ্ৰৌপদীয়ে সন্ধান কৰে কৰ্ণৰ প্ৰেমৰ। 'প্ৰাণৰ পাত্ৰ জানো কেতিয়াবা ভৰে?—সকলো ঐশ্বৰ্য বৈভৱ আৰু প্ৰাপ্তিৰ আনন্দত নিজকে 'ঐশ্বৰ্যমণ্ডিতা' বুলি বিবেচনা কৰাৰ পিছতো মনৰ মাজত এই প্ৰশ্ন উদয় হয়। অৱচেতন মনত বৈ যোৱা কৰ্ণ-প্ৰেমে দ্ৰৌপদীক বিয়াকুল কৰি তোলে। অথচ মহাভাৰতত ক'তো দ্ৰৌপদী চৰিত্ৰৰ মনৰ এনে বিশ্লেষণ পাবলৈ নাই। নিৰ্মলপ্ৰভা বৰদলৈৰ কবি প্ৰতিভাৰ বলত দ্ৰৌপদী চৰিত্ৰ হৈ পৰিছে অনন্য; ব্যতিক্ৰমী এক চৰিত্ৰ।

ফ্ৰয়েডীয় মনস্তত্বৰ প্ৰভাৱ দ্ৰৌপদী কবিতাত পৰিলক্ষিত হয়। ফ্ৰয়েডে মানুহৰ মনৰ সচেতন, অৱচেতন আৰু অচেতন এই তিনি অৱস্থাৰ কথা কৈছে। ফ্ৰয়েডৰ যৌন মনস্তত্ব দেহজ সম্ভোগৰ সৈতে সম্পৰ্কিত। মানুহৰ মনৰ কামনা-বাসনাবোৰৰ কেতিয়াও পূৰ্ণপ্ৰাপ্তি নঘটে। অৱচেতন মনত তেনে কামনাবোৰে ক্ৰিয়া কৰি থাকে। অৱচেতন মনৰ এনে আকাংক্ষাবোৰে কেতিয়াবা সচেতন ৰূপতো ধৰা দিয়েহি। এনে হোৱাৰ বাবে সচেতন মনক দোষী কৰিব নোৱাৰি। দ্ৰৌপদী কবিতাতো নিৰ্মলপ্ৰভাই 'মোৰ দোষ ক'ত?' প্ৰশ্নেৰে সেই কথাকে ব্যক্ত কৰিছে? দ্ৰৌপদীৰ নাৰী মনৰ মাজত সুপ্ত হৈ থকা প্ৰথম প্ৰেমানুভূতি কোনো এক মুহূৰ্ত্তত জাগ্ৰত হৈ উঠে আৰু তেতিয়াই দ্ৰৌপদীয়ে 'চেতনাৰে দৃঢ় হৈ থাকিব খুজিও কৰ্ণক বিচাৰে। আকৌ 'অমৃত ভৰি থকা সত্বেও কৰ্ণৰ বাবে তৃষ্ণা জাগে।' এয়াইতো ফ্ৰয়েডীয় মনস্তত্বৰে প্ৰকাশ।

নাৰী জীৱনৰ পূৰ্ণতা আহে মাতৃত্বত। দ্ৰৌপদীৰ হৃদয়তো আছে সন্তানৰ প্ৰতি আকুল তৃষ্ণা। নিৰ্মলপ্ৰভা বৰদলৈয়ে দ্ৰৌপদীৰ মনৰ এই হেঁপাহক অতি কৌশলগতভাৱে প্ৰতীকী ব্যঞ্জনাৰে প্ৰকাশ কৰিছে—

'প্ৰতিটো ৰঙৰে প্ৰতিপাহ ফুল যদি থাকিলেহেঁতেন মোৰ মৰমৰ, জীৱনৰ সৰু এই বননিখনত।'

পৰৱৰ্ত্তী সময়ত নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ সুৰ সলনি হৈছিল। মধ্যবিত্ত জীৱনৰ প্ৰতিকূল পৰিবেশ, অভাৱ-অনাটনে জুৰুলা কৰা মানুহৰ বাস্তৱ জীৱনৰ ছবি, নগৰ জীৱনৰ প্ৰতি বিদ্বেষ, মানুহৰ প্ৰতাৰণা-ভণ্ডামি, প্ৰকৃতিৰ ৰমণীয় পৰিবেশ

আদিয়ে নিৰ্মলপ্ৰভাৰ কবিতাক চহকী কৰিছে। সমসাময়িক সমাজৰ প্ৰতিকূল পৰিবেশলৈ লক্ষ্য কৰি নিৰ্মলপ্ৰভা বৰদলৈয়ে নিজস্ব সত্বাক বিচাৰি কেতিয়াবা আৰ্তনাদ কৰি উঠিছে — 'মই মোক ক'ত বিচাৰি পাম'। কবিৰ সহজ উক্তি—'মই মোকে সোধো/মোৰ নাম/কবিয়ে নিজকে কেতিয়াবা অচিনাকি যেন ভাবে। তেতিয়াই কবিৰ মনত জাগে প্ৰশ্ন—'মই বৈ আছো ক'ত'। পিছ মুহূৰ্ততে কবিয়ে বিচাৰি পায় নিজক—'কেৱল জানো যে মই ইয়াতেই/এই খিনিতেই এদিন আছিলোঁ।

বৰ্তমানৰ ছিন্নমূল জীৱনৰ আশংকা নিৰ্মলপ্ৰভা বৰদলৰ কবিতাত আবেদনময়ী হৈ ধৰা দিছে —

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকৈ নাকত আহি লাগিলে
মই হেৰাই পাওঁ মোৰ দেউতাক
দোকানৰ জাপভঙা
গামোচাৰ সুবাসত
মই হেৰাই পাওঁ মোৰ আইক
মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম?
ক'ত?

ব্যক্তিগত দুখ বেদনা হুমুনিয়াহৰ চিত্ৰ থাকিলেও সেয়াই নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ একমাত্ৰ বিশেষত্ব নহয়। সমসাময়িক সমাজৰ চিত্ৰ, কৰ্ত্তব্যৰ প্ৰতি আহ্বান, শান্তি-সম্প্ৰীতিৰ প্ৰতি আকাংক্ষা— নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত সহজ সৰলভাৱে চিত্ৰিত হৈছে। কেইটামান কবিতাৰ স্তৱক উদ্ধৃত কৰিলেই কথাষাৰৰ প্ৰমাণ পোৱা যাব —

(১) হেমন্ত ঋতুত
কাঁচিখন মই কেনেকৈ
হাতত ল'ম
যদিহে জহৰ দিনতে
মোৰ কপালৰ ঘামে
পথাৰ কোমল কৰি
নোতোলে।

(২) তোমাৰ মাটিত
তেজে ডোঙা বান্ধি থাকিলে
মোৰ মাটিত
ফুল নুফুলে

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ ভাষা প্ৰায়েই কোমল; সহজ-সৰল। দুই এটা কবিতাত কঠিন শব্দ প্ৰয়োগ ঘটিলেও সিয়ে কবিতাটোক গতিশীলতাহে দান কৰিছে। নিৰ্মলপ্ৰভাৰ কবিতা পাঠৰ লগে লগেই কবিতাৰ অৰ্ন্তনিহিত ভাৱ আৰু চিত্ৰসমূহে এখনি আলফুলীয়া দৃশ্যপটৰ সৃষ্টি কৰে। তেওঁ এগৰাকী **imagist** কবি। তেওঁৰ কবিতাৰ বিষয়ে চন্দ্ৰ কটকীয়ে এনেদৰে লিখিছে ঃ

> 'মানুহৰ মনোজগত আৰু তেওঁৰ চাৰিওফালৰ জগতখন কবিৰ আলোচনাৰ বিষয়। মুক্তক ছন্দ তেওঁৰ কাব্য ৰীতিৰ নিৰ্মাণ কৌশল। ....... কম শব্দত সুসংহত গাঠনিৰে তৈয়াৰ কৰা কল্পচিত্ৰসমূহে পাঠকৰ মনত তীক্ষ্ণ ছাপ বহুৱায়। কেতিয়াবা কেতিয়াবা তেওঁ মনো জৈৱিক স্তৱৰ পৰাও উপমা আৰু চিত্ৰকল্প গ্ৰহণ কৰে।' [২]

নিৰ্মলপ্ৰভা বৰদলৈ ৰোমান্টিক ধাৰাৰ কবি যদিও

তেওঁৰ এটা নিজস্ব শৈলী আছে, যাৰ বাবে কবিগৰাকীয়ে অসমীয়া কাব্য সাহিত্যত অনন্যৰূপে পৰিচিতি লাভ কৰিছে। শব্দ চয়নৰ অপূৰ্ব কুশলতাই নিৰ্মলপ্ৰভাৰ কবিতাক দান কৰিছে অনিৰ্বচনীয় সৌন্দৰ্য্য। তেওঁৰ কবিতাত মানৱতাবাদৰ জয়গীতি ঘোষিত হৈছে। চৰাইৰ কিচিৰ মিচিৰ কবিৰ বাবে অধিক প্ৰিয় বন্দুকৰ শব্দৰ তুলনাত —

'বন্দুকৰ শব্দত -
ৰাতি পুৱায় নে
ওহো!
পুৱায় সেই চৰাইটোৰ মাতত
যি কুটি খায়
ৰাতিৰ আন্ধাৰবোৰ
লাহে
লাহে।'

'বন্দুকৰ শব্দত'—শব্দ দুটিত আছে গভীৰ অৰ্থৰ ব্যঞ্জনা। কবিয়ে জীৱনক অতি বেছি ভাল পাইছিল। যদিও আঘাতৰ শৰেৰে থকা-সৰকা কবিৰ জীৱন, তথাপি বন্দুক কবিৰ প্ৰিয় নহয়। কবিৰ বাবে 'জীৱন জীৱন বৰ অনুপম'। ■

**সূত্ৰ সংকেত ঃ**

১. কটকী, চন্দ্ৰ ঃ 'আধুনিক অসমীয়া কবিতা'; পৃঃ ১১২
২. ঐ ঃ পৃঃ ১১১

# উজনি অসমৰ উপভাষা আৰু মান্য অসমীয়া ভাষা ঃ এক সংক্ষিপ্ত অৱলোকন

● নিষ্ঠা শইকীয়া
অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ
এম. এন. চি. বালিকা মহাবিদ্যালয়, নলবাৰী

বিস্তৃত ভৌগোলিক পৰিৱেষ্টনৰ সকলো ঠাইতে ভাষা এটাৰ একেটা ৰূপতে প্ৰয়োগ নহয়। সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ভৌগোলিক, অৰ্থনৈতিক আদি ভিন্ন কাৰণত একেটা ভাষা কোৱা মানুহৰ মাজতো ভাষিক ভিন্নতাই দেখা দিয়ে। ভাষাৰ এনে ভিন্নতাই অঞ্চল বিশেষে একোটা সুকীয়া ৰূপৰ সৃষ্টি কৰে, যিটো সেই অঞ্চলৰ মানুহৰ মাজত সহজবোধ্য হৈ পৰে। আঞ্চলিক ভেদে গঢ়ি উঠা ভাষাৰ ভিন্ন ৰূপকে একো একো উপভাষা বোলা হয়।

ড° উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া উপভাষাক প্ৰধান দুটা ভাগত ভাগ কৰি দেখুৱাইছে — (১) উজনি অসমৰ উপভাষা আৰু (২) নামনি অসমৰ উপভাষা। প্ৰায় সোতৰ শতিকা মানৰ পৰা উজনি অসমৰ উপভাষাই প্ৰাধান্য লাভ কৰিবলৈ ধৰে। নামনি অসমত কোচ ৰাজত্ব পতনৰ ফলত আহোম সকলে উজনি অসমক সাংস্কৃতিক কেন্দ্ৰলৈ পৰিৱৰ্তন কৰে। ১৮৩৬ চনত বেপ্টিষ্ট মিছনেৰী সকলেও নিজৰ কাৰ্যৰ কেন্দ্ৰস্থল হিচাপে উজনি অসম বিশেষকৈ শিৱসাগৰ অঞ্চলক নিৰ্বাচন কৰি লয়। ফলত ১৮৪৬ চনত প্ৰথম মাহেকীয়া কাকত 'অৰুণোদয়' এই অঞ্চলৰ পৰাই প্ৰকাশ পায়। তাৰ পিছৰ পৰাই উজনি অসমৰ ভাষাত কিতাপ পত্ৰ, আলোচনী আদি ৰচনাৰ সংখ্যা বাঢ়ি আহে। এনেদৰে এটা উপভাষাই ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, ধাৰ্মিক আদি কাৰনবশতঃ মৰ্যদাপ্ৰাপ্ত হয় আৰু সকলো লোকে এই ভাষাটোকে মান্যভাষাৰূপে আনুষ্ঠানিক কাম কাজত প্ৰয়োগ কৰে। সেয়েহে প্ৰায় সোতৰ শতিকাৰ পৰাই উজনি অসমৰ ভাষাটোকে অসমৰ মান্যভাষা ৰূপে অভিহিত কৰা হৈছে।

উপভাষা হ'ল ভাষা এটাৰ কথিত ৰূপৰ নিদৰ্শন আৰু মান্যভাষা লিখিত ৰূপৰ নিদৰ্শন। তেনেস্থলত উজনি অসমৰ উপভাষা আৰু মান্যভাষা একেই বোলা কথাষাৰ কিমানদূৰ গ্ৰহণযোগ্য? উপভাষা হ'ল মানুহৰ মুখৰ ভাষা; ই সময়ৰ লগে লগে পৰিৱৰ্তন হ'ব পাৰে। ইয়াৰ প্ৰয়োগৰ ক্ষেত্ৰত নিৰ্দিষ্ট কোনো ধৰা-বন্ধা নিয়ম নাই। কিন্তু এটা ভাষা মান্যতাপ্ৰাপ্ত হোৱাৰ লগে লগেই কিছুমান নিয়মৰ দ্বাৰা ব্যাকৰণগতভাৱে পৰিচালিত হয়। এই নিয়ম মান্য ভাষাই মানি চলে। অৱশ্যে অসমৰ মান্যভাষা উজনি অসমৰ ভাষাৰ ভিত্তিত গঢ়ি উঠা বুলি কোৱাত দ্বিমত নাই কিন্তু উজনি অসমৰ উপভাষা মানেই মান্যভাষা হ'ব নোৱাৰে।

উজনি অসমতো অঞ্চলবিশেষে ভালেমান উপভাষা দেখিবলৈ পোৱা যায়। সেই অঞ্চলৰ উপভাষাৰ লগত মান্যভাষাৰ কিছু কিছু ক্ষেত্ৰত অমিল

থকা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে নগএগ্ৰ লোকৰ ভাষা আৰু শিৱসাগৰীয় লোকৰ কথিত ভাষাৰ মাজত কিছুক্ষেত্ৰত অমিল দেখা যায়। তেনেদৰে ধেমাজী অঞ্চলৰ ভাষা আৰু ডিব্ৰুগড় অঞ্চলৰ ভাষাও সম্পূৰ্ণ একে নহয়। আকৌ, সেইবোৰ অঞ্চলৰ কথিত ভাষাৰ লগত মান্য ভাষাৰো প্ৰচুৰ অমিল প্ৰত্যক্ষ কৰা যায়। আমি মন কৰিলে দেখিম যে মান্য অসমীয়াৰ সম্বন্ধবাচক শব্দ 'ৰৰদেউতা' উজনিৰ উপভাষাত 'বৰতা' বা 'ব-তা' হিচাপেহে প্ৰয়োগ হয়। এনেধৰণৰ আন কিছুমান শব্দ তলত দেখুওৱা হ'ল —

| মান্যভাষা | উজনিৰ উপভাষা |
|---|---|
| বৰষুণ | ব-ষুন |
| আৰু | আউ |
| খুৰা | খুৱা |
| সৰু | সউ |
| নমস্কাৰ | নমস্কা |
| খুৰী | খুই |
| পঢ়া | পহা |
| নোৱাৰো | নোৱাও |
| নকও | নঅও |
| নেকি (হয়-নেকি) | নি (হয় নি) |
| গৰু | গউ |
| বঢ়াই | বহাই |
| কৰিব | কইব |
| পাৰো | পাও |
| ল'ৰা | ল'আ |
| বুঢ়া | বুহা/বুহ্হা |

উপভাষা এটা মান্যপ্ৰাপ্তি হোৱাৰ পিছত সে ভাষাটোৱে মানুহৰ ওপৰত ক্ৰিয়া কৰে। মানুহে সে ভাষাটো লিখিবলৈ আৰু ৰাজহুৱা স্থানত ক'বলৈও ব্যৱহাৰ কৰিবলগীয়া হয়। কিন্তু উপভাষাৰ ক্ষেত্ৰত এটা উপভাষা সেই উপভাষী সকলৰ বাহিৰে অইন অঞ্চলৰ মানুহে লিখাতো দূৰৰ কথা, কওঁতেও প্ৰয়োগ নকৰিব পাৰে। উপভাষা এটা মানুহৰ মুখনিসৃত ভাষা। কথা কওঁতে মানুহে নীতি-নিয়ম মানি নচলে আৰু সেইবাবেই এটা ভাষাৰ ঠাই বিশেষে ভিন্ন উপভাষা থকা দেখিবলৈ পোৱা যায়। হয়তো সেইবাবেই উজনিৰ উপভাষা ক্ৰমাৎ মান্য-অসমীয়াৰ পৰা ভিন্ন হৈছে। আনহাতে মান্যভাষাই ব্যকৰনগত সকলো নিয়ম মানি চলিবলৈ বাধ্য। সেয়েহে আমাৰ উজনিৰ লোক সকলেও কথিত অৱস্থাত ঘৰুৱাভাৱে ভাষাৰ যি কোনো এটা ৰূপ ব্যৱহাৰ কৰিলেও আনুষ্ঠানিক কাম কাজত লিখিত ৰূপটোহে প্ৰয়োগ কৰে। তেনেস্থলত উজনিৰ উপভাষা বৰ্তমানে মান্য-অসমীয়াৰ পৰা কিছু কিছু শব্দগত আৰু বাক্যগত দিশত আঁতৰি অহাটো লক্ষনীয়।

অসমৰ উজনি আৰু নামনি দুয়োটা অঞ্চলৰ উপভাষাতে স্থানীয় ৰূপ কিছুমান আছে।[১] এই বিষয়ে কিন্তু বৰ্ত্তমানলৈ বিস্তৃত আলোচনা হোৱা দেখা নাযায়। তথাপিও ইয়াৰ পৰা এটা কথাত নিশ্চিত হ'ব পাৰি যে উজনি অঞ্চলৰ ভাষাতো ভিন্ন ৰূপ আছে। কিন্তু এইটোও সত্য যে মান্যভাষাৰ ভিন ভিন স্থানীয় ৰূপ থাকিব নোৱাৰে। সেইবাবে কোৱা হয় মান্যভাষা আৰু উপভাষা, ভাষাৰ দুটা ভিন্ন ভাগ। সেই উপভাষা লাগিলে উজনিৰেই হওঁক বা নামনিৰেই হওঁক। অৱশ্যে মান্যভাষা এটা উপভাষাৰ পৰাই সৃষ্টি হয়। কিন্তু যি

উপভাষাক ভিত্তি কৰি মান্যভাষা গঢ়ি উঠে সেই উপভাষাটো কালৰ গতিত পৰিৱৰ্তন হ'ব পাৰে, কিন্তু মান্যভাষা এটা বহু সময়লৈ একেই থাকে।

ওপৰৰ কথাখিনি বিশ্লেষন কৰি চালে যদিও মাত্ৰ কেইটামান উদাহৰনেৰে কথাবোৰ মানি ল'বলৈ হয় তথাপিও এটা কথা স্পষ্ট যে উপভাষা আৰু মান্যভাষা অধ্যয়নৰ ক্ষেত্ৰত এটা ভাষাৰ মাজৰ শব্দবোৰৰ সাদৃশ্য-বৈসাদৃশ্যবোৰ খুব সূক্ষ্ম হৈ ধৰা দিয়ে। গতিকে তেনেস্থলত ভাষাৰ মাজত এটা বা দুটা অমিলো প্ৰধান অন্তৰায় হ'ব পাৰে। তাৰোপৰি উজনিৰ উপভাষা আৰু মান্যভাষাৰ মাজৰ অমিলৰ অন্যতম এটি প্ৰধান কাৰন হ'ল সুৰ। উপভাষাত সুৰৰ যিয়েই প্ৰয়োগ নহওঁক মান্যভাষাত ই কাৰ্যকৰী নহয়। উজনি-নামনিৰ উপভাষাৰ মাজত যিমানেই পাৰ্থক্য নাথাকক মান্যভাষা সকলোৰে বাবে একে। সেইবাবেই উজনিত উচ্চাৰিত হোৱা "আউ" শব্দ লিখোতে 'আৰু' হে ব্যৱহাৰ কৰা হয়। উজনি অঞ্চলৰ মুখনিসৃত ভাষা বৰ্ত্তমানে পৰিৱৰ্ত্তিত হৈ মান্যভাষাৰ পৰা ফালৰি কাটিছে বাবেই উজনিৰ উপভাষা আৰু মান্যভাষা প্ৰায় একেই কিন্তু সম্পূৰ্ণ একে নহয়। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**১. ভাষাবিজ্ঞান, গোস্বামী উপেন্দ্ৰনাথ, পৃ ঃ ১০**

# অসমীয়া কবিতা আৰু হেম বৰুৱাৰ কবিতা

● কৰবী দা
স্নাতক প্ৰথম যান্মাসি

অসমীয়া সাহিত্যৰ ইতিহাস বহু হাজাৰ বছৰ পুৰণি। আমি যদিও প্ৰাক্ শংকৰী যুগৰ কবিসকলৰ আগতে অসমীয়া ভাষাত ৰচিত সাহিত্যৰ ধাৰাবাহিক নিদৰ্শন নাপাও তথাপিও চৰ্যাগীতৰ আৱিষ্কাৰে আমাক এই সম্পৰ্কে চিন্তা কৰিবলৈ বাধ্য কৰায়। চৰ্যাপদৰ পৰৱৰ্তী মৌখিক সাহিত্যৰাজিৰ পিছত চতুৰ্দশ শতিকাৰ প্ৰাক্ শংকৰী যুগৰ কাব্য সাহিত্য প্ৰধানত বিভিন্ন বংশ আৰু প্ৰান্তৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত ৰচিত হৈছিল। সেই সময়ৰ কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ আছিল মাধৱ কন্দলি।

সাহিত্যৰ ইতিহাস বস্তুটো বৰ টান। কাৰণ তাৰ প্ৰথম খোজৰ সাঁচ বিচাৰি বহুবাট উজাই যাব লাগে। কবিতাৰ ক্ষেত্ৰত এই কাম আৰু কঠিন হৈ পৰে। কাৰণ কোনোবা এটা ঠাইত গীত আৰু কবিতা একে হৈ পৰে। কবিতাৰ প্ৰথম চানেকী বিচৰি লোকগীতৰ ওচৰ নাচাপিলে নহয়। কিন্তু কবিতাৰ ৰূপ আৰু প্ৰকৃতি ইমানেই বিচিত্ৰ যে লোকগীতবোৰক কবিতা বুলি ধৰি ললেও তাত অসম্পূৰ্ণতাৰ প্ৰশ্ন থাকি যায়। অসমীয়া কবিতাৰ ইতিহাসত মৌখিক যুগৰ গীতি-সাহিত্যতে প্ৰথম কবিতাৰ বীজ বিচাৰি পোৱা যায় যদিও লিখিত সাহিত্যৰ আলমতহে ইতিহাস লিখিবলৈ সহজ। কবিতাৰ ইতিহাস আলোচনা কৰিলে অসমীয়া কবিতাৰ গতি আৰু প্ৰকৃতিৰ বিচিত্ৰ সৌন্দৰ্য চকুত পৰে। পুৰ কবিতা সৰল আৰু সুন্দৰ, অলংকাৰ প্ৰয়োগত ভাৰাক্রা সুন্দৰীৰ দৰে চমক লগা নতুন কবিতা স্বাভাৱিকতে ৰমনীয় নাৰীৰ ৰহস্যময়ী প্ৰকৃতিৰ দৰেই কিছু পৰিমাণে দুৰ্বোধ্য। কিন্তু দুয়ো ক্ষেত্ৰতে কবিতা কবিতাই : যন্ত্ৰণাক্লিষ্ট মানুহৰ বাবে প্ৰেম আৰু মমতাৰে ভৰা এখনি শান্তিৰ আশ্ৰয়।

বৰ্তমান কালৰ আটাইতকৈ বিতৰ্কিত বিষয়েই হল কবিতা। দিনক দিনে নতুন ৰূপেৰে জিলিকি উঠা নতুন কবিতাই এতিয়াও পাঠকৰ মন জয় কৰিব পৰা নাই। জোনাকী কাকতৰ যোগেদি অসমীয়া ৰোমাণ্টিক কবিতাৰ উদ্ভৱ হয়। পৰম্পৰাগত কাব্যৰীতিৰ পৰা ফালৰি কাটি আহি পশ্চিমীয়া প্ৰভাবেৰে ৰঞ্জিত হৈ অসমীয়া ৰোমাণ্টিক কবিসকলে অসমীয়া কাব্য জগতত নতুন চিন্তাৰ লহৰ তুলিলে। বিশ্বযুদ্ধৰ বিধ্বংসী ৰূপ, ঔপনিবেশিক শাসন-শোষণ, মাৰ্ক্সবাদী চিন্তাৰ প্ৰাদুৰ্ভাৱ যান্ত্ৰিক আৰু কোলাহলময় জীৱন আদি বিষয়বস্তুৱে উত্তৰজোনাকী যুগৰ কবিতাক এটি বিশেষ গতি প্ৰদান কৰে। ইয়াৰে ফলশ্ৰুতিৰূপে আধুনিক অসমীয়া কবিতাৰ উন্মেষ ঘটে। প্ৰকৃতাৰ্থত আধুনিক অসমীয়া কবিতাৰ শুভাৰম্ভ হয় পঞ্চম দশকত পচোৱা কাকতৰ যোগেদি। ইয়ো পাশ্চাত্যৰ কবিতা আৰু

চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত। ৰোমাণ্টিক বৈশিষ্ট্যৰ পৰা আঁতৰি আহি বাস্তৱ দৃষ্টিভংগীয়ে আধুনিক কবিতাত স্থান পালে। চিত্ৰকল্পবাদ, প্ৰতীকবাদ আদিয়ে আধুনিক অসমীয়া কবিতাক আংগিকৰ ক্ষেত্ৰত নতুন ৰূপ প্ৰদান কৰিলে। এই যুগৰ প্ৰতিনিধি স্থানীয় কবি হ'ল হেম বৰুৱা। পঞ্চম দশকটোক হেম বৰুৱাৰ যুগ বুলিও অভিহিত কৰিব পাৰি। তেওঁ অসমীয়া কবিতাৰ আধুনিক ধাৰাটোৰ প্ৰৱৰ্তক আৰু প্ৰাণকেন্দ্ৰ। কবিতা হ'ল এবিধ দুৰূহ কলা আৰু ই সকলোৰে বাবে নহয়। অসমীয়া কবিতাত এই ধাৰণা সোমাই পৰে হেম বৰুৱাৰ দিনৰ পৰা তেতিয়াৰ পৰাই অসমীয়া কবিতাত আধুনিকতা সোমাই পৰে। হেম বৰুৱাৰ কবিতালৈ মন কৰিলে দেখা যায় যে কবিৰ মন নানা জটিল বিষয়বস্তুৰে ভাৰাক্ৰান্ত। হেম বৰুৱাৰ ভিতৰৰ ৰাজনীতিকজন বহুতো কবিতাতে ওলাই আহিছে। অসমীয়া নতুন কবিতাৰ সংশয় আৰু সন্ধানৰ সন্ধিক্ষণতে হেম বৰুৱাৰ আৱিৰ্ভাৱ হৈছিল। ৰমন্যাসিক কবিতাই আমুৱাই পেলোৱা পাঠকৰ বাবে হেম বৰুৱাৰ কবিতাত আছিল নতুন দিশৰ সম্ভেদ। হেম বৰুৱাৰ কবিতাত বিস্তৃত বিষয়ৰ অৱতাৰণা দেখা যায়। আধুনিক ইংৰাজী সাহিত্যৰ লগত তেওঁৰ নিবিড় পৰিচয় আছিল। হেম বৰুৱাই টি. এছ. এলিয়েটৰ প্ৰেৰণাত কথ্য ভাষাৰ ব্যৱহাৰ, গহীন, আৰু চপল স্বৰৰ সংমিশ্ৰণ, বিষয়বস্তুৰ মিশ্ৰ সংস্থাপনৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ পথিকৃত হিচাপে নিজৰ স্থান অধিকাৰ কৰিছে। পশ্চিমীয়া সাহিত্যৰ আধুনিক ধাৰাটোৰ সৈতে যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যক সংযুক্ত কৰাত প্ৰধান ভূমিকা লৈছিল হেম বৰুৱাই। হেম বৰুৱাই আধুনিক সাহিত্যৰ ধাৰণাটো নাগৰিক মানসিকতাৰ লগত জড়িত বুলি অভিমত আগবঢ়াইছে। টি. এছ. এলিয়েট নিৰ্দেশিত আধুনিক সাহিত্য চিন্তাৰ পথটোৰে তেওঁ অনুগামী। আধুনিক কবিতাৰ বিশিষ্ট ভাষা ৰীতি হেম বৰুৱাৰ হাততে গঢ় লৈ উঠিছিল। তেওঁৰ ভাষা ৰীতিত এক প্ৰকাৰৰ কোমলতাৰো সমাবেশ ঘটিছিল। হেম বৰুৱাৰ বৰ্ণনামুখী ভাষাত থকা এক প্ৰকাৰৰ সাৱলীলতা মন কৰিবলগীয়া। চল্লিশৰ দশকৰ জয়ন্তী যুগৰ কবিতাতকৈ এই ভাষা বহু পৰিমাণে আধুনিক অনুভূতিশীলতাৰ লগে লগে যে মননশীলতাৰো সংযোগ সাধন হ'ব লাগে সেই কথা হেম বৰুৱাই গভীৰভাবে অনুধাবন কৰিছিলঃ "যি কবিতাই চিন্তাৰ উদ্ৰেক কৰিব পাৰে নাইবা অনুভূতি ছটিয়াই মগজুক জগাই তুলিব পাৰে, তেনে কবিতাৰ সমাদৰ বৰ্তমান সমাজত বাঢ়ি আহিছে। (হেম বৰুৱাৰ কৈফয়ৎ, বালিছন্দা)। হেম বৰুৱা বাংলা কবি সমৰ সেনৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল। বংগৰ কবি সমৰ সেনৰ অনুকৰণত হেম বৰুৱাই এবিধ ছন্দৰীতিৰ প্ৰচলন কৰিছিল। এই ছন্দত এবিধ লয় আছিল। সৰল গাঁৱলীয়া জীৱনৰ লগত একাত্মতাই হেম বৰুৱাৰ কবিতাসমূহ সজীৱ আৰু স্পন্দনপূৰ্ণ কৰি ৰাখিছে। তেওঁৰ প্ৰথম কাব্য 'বালিছন্দা'ত এই আবেগৰ প্ৰগলভতা অনুভৱ কৰিব পাৰি। তেওঁৰ দ্বিতীয় কাব্য সংকলন 'মনময়ূৰী'ত আশাৰ বিপৰীতে আশা ভঙ্গ আৰু হুমুনিয়াহহে মূৰ্ত হৈছে। বালিছন্দাত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে উত্তাল ধ্বনি শুনা যায়, মন ময়ূৰীত দেশ-প্ৰেমৰ বাণী উচ্চাৰিত হৈছে, প্ৰেৰণাময় অতীতৰ সোঁৱৰণ পোৱা যায়। মানুহৰ জীৱন সংগ্ৰাম আৰু তাৰ মাজেৰে বিৰিঙি উঠা অকনমান আশাৰ ৰেঙণি তেওঁৰ কবিতাত দেখা যায়।

তেওঁৰ কবিতাত আছে প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি অনাস্থা, নতুন সমাজ গঢ়াৰ আশা, সাধাৰণ মানুহৰ আশা-নিৰাশাৰ প্ৰতিফলন, প্ৰেমৰ লগত জড়িত হৈ থকা জীৱন মমতা ৰোমাণ্টিক, কাৰুণ্য, স্পন্দিত গদ্যৰ দৰে ছন্দ প্ৰয়োগ, কেতিয়াবা এটি খং আৰু প্ৰতিবাদৰ সুৰ। হেম বৰুৱাৰ কবিতাৰ ভিতৰত বহুবোৰতেই আছে পাণ্ডিত্য আৰু নগৰীয়া সভ্যতাই ফোপোলা কৰি পেলোৱা মানুহৰ ৰূপ। আজিৰ মানুহে নীলা আকাশৰ সৌন্দৰ্য চাব নাজানে, জোনাকত জুৰ ল'বলৈ আজৰি নাই। যান্ত্ৰিক সভ্যতাই মানুহৰ সুকুমাৰ মনটো দিনে দিনে মাৰি পেলাইছে। এনেবোৰ মনোভাৱ তেওঁৰ "এটা সাজ" কবিতাটোত সুন্দৰকৈ ফুটি উঠিছে। হেম বৰুৱাৰ কবিতাত সমাজ সচেতন মন এটাৰ লগত প্ৰাচীন মূল্যবোধৰ সংমিশ্ৰণ ঘটিছে। সহজ-সৰল বিৱৰণৰ মাজত চমকপ্ৰদ চিত্ৰ এয়ে হেম বৰুৱাৰ বৈশিষ্ট্য। এক অশান্তি আৰু অতৃপ্তিৰ ভাৱ হেম বৰুৱাৰ কবিতাত দেখা যায়। তদুপৰি আছে এক কোমল বিষন্নতাবোধ। "মমতাৰ চিঠি"ত প্ৰকাশ পোৱা এই বিষন্নতাবোধে হৃদয় কঁপাই তোলে। তেওঁৰ সমসাময়িক আৰু পৰৱৰ্তী কবিসকলৰ শব্দৰ ইন্দ্ৰজাল কালৰ বতাহে যেতিয়া বিৱৰ্ণ কৰি পেলায়, তেতিয়াও নিজৰ মহিমাতে সৰস সজীৱ হৈ থাকিব হেম বৰুৱাৰ "মমতাৰ চিঠি" আৰু "আইতা"। এই দুটা কবিতাৰ কলা-কৌশল ইমান উচ্চস্তৰৰ যে তাত কৌশলৰ দাগ নাই। দুয়োটা যেন অকৃত্ৰিম উপলব্ধিৰ দুটা মুকুতা।

অসমীয়া নতুন কবিতাত হেম বৰুৱাৰ সৰ্বশ্ৰেষ্ঠ অৱদান হ'ল পিছৰ চাম কবিলৈ দি থৈ যোৱা পথৰ নিৰ্দেৰ্শনা। ■

**সহায়ক গ্ৰন্থ ঃ**

**অসমীয়া কবিতা ঃ কৰবী ডেকা হাজৰিকা।**

# লোক সংস্কৃতিত — কাহুৰী পূজা

● সংগীতা শৰ্মা

মানুহৰ বিশ্বাসৰ ফলতে নানা নীতি-নিয়ম সাধিত হয়। লোক জীৱনৰ ওপৰত ধৰ্মভাৱৰ প্ৰভাৱ গভীৰ। প্ৰকৃতিৰ নানা কাৰ্যকলাপত মানুহে বিভিন্ন দেৱতা-অপদেৱতা আদিৰ ক্ৰিয়া দেখিবলৈ পায়। সেয়ে লোক জীৱনৰ দৃষ্টিত বতাহ-বৰষুণ, বিজুলী, বানপানী আদি প্ৰাকৃতিক লীলা-খেলা, অপদেৱতাৰ মহিমা মাথোন।

কাহুৰী আইৰ পূজা এটি ধৰ্মীয় নীতি কাৰ্য। 'কাহ' শব্দৰ পাছত 'উৰী' প্ৰত্যয় যোগ দি কাহুৰী শব্দটো কোৱা হৈছে। কাহৰ অধিষ্ঠাত্ৰী দেৱীগৰাকীয়েই 'কাহুৰী দেৱী'। দক্ষিণ ভাৰতৰ পৰম্পৰাত কাহুৰীদেৱী ৰূপে স্থান পোৱা দেৱী গৰাকী 'কোকলমা'। উল্লেখ্য যে, কাহুৰী দেৱী শিতেলী দেৱী আইৰ ভনী।

বসন্ত ৰোগ আমি সকলোৰে জনো প্ৰায়ভাগ ল'ৰা-ছোৱালীৰে বসন্ত ৰোগৰ পিছত কাহৰ দ্বাৰা আক্ৰান্ত হয়। তেনে হোৱাৰ ফলত লোক জীৱনৰ বিশ্বাস অনুসৰি শিতেলী আইৰ ভনীয়েক কাহুৰী আইৰ কু-দৃষ্টি পৰা বিশ্বাস কৰে। সেয়ে কাহ বসন্ত ৰোগৰেই আন এটি ৰূপ। বসন্ত যেনেকৈ মাৰাত্মক ৰোগ তেনেদৰে কাহো এবিধ যন্ত্ৰণাদায়ক ৰোগ। এই ৰোগত আক্ৰান্ত ল'ৰা-ছোৱালী বা ব্যক্তিয়ে অধিক কষ্ট ভোগ কৰিব লাগে। সৰু ল'ৰা-ছোৱালীয়ে বিশেষকৈ আহাৰ বা মাকৰ গাখীৰ খোৱাৰ পিছত বহু সময়লৈ কাহি থাকে আৰু শেষত বমিও হৈ যায়। এই ৰোগৰ বাবে বুকু, পিঠি আৰু মূৰৰ বিষ হয়। এনে অৱস্থাত লোক বাসীসকলে কোনো দেৱ-দেৱী, অপদেৱতাৰ কু-দৃষ্টিত হোৱা বুলি আই কাহুৰী পূজা কৰে। আই শব্দটো এই কাৰণে লগোৱা হৈছিল যে এই ৰোগত আক্ৰান্ত হোৱা শিশু ব্যক্তিয়ে নিৰাময় হ'বলৈ কাহুৰী পূজা কৰিছিল আৰু তেওঁৰ সৈতে আপোন ভাব কৰি ল'ব বা সম্বন্ধ স্থাপন কৰিবলৈ এটা আখ্যা দিব লাগে বুলি কল্পনা কৰিছিল। সেয়ে 'আই' শব্দটো যোগ দিয়া হৈছিল।

শীতলা দেৱীক অৰ্থাৎ বসন্ত ৰোগৰ পৰা মুক্ত হ'বলৈ জনলোকে শীতলা পূজা, শীতলা নামৰ আয়োজন কৰে ঠিক তেনেকৈ তেওঁৰ ভনীয়েক কাহুৰী আইকো সন্তুষ্ট কৰিবলৈ নাম কীৰ্ত্তন কৰে। শীতলা-পূজাৰ দৰে কাহুৰী পূজা নকৰে। কাহুৰী আইক সন্তুষ্ট কৰিবলৈ নামহে ধৰা হয়। অৱশ্যে পূজা পদ্ধতি নাম কীৰ্ত্তনতকৈ জটিল, তথাপি আপাত দৃষ্টিভংগীত 'পূজা কৰা' আৰু 'নাম ধৰা' এই দুয়োটা পদ্ধতিৰ ভিতৰত পাৰ্থক্য নাই বুলি ক'ব পাৰি। বোধকৰো সেই ফাললৈ লক্ষ্য কৰিয়েই জনলোকে

কাহুৰী আইৰ নাম ধৰাক কাহুৰী পূজা বুলিব খুজিছে বা বুলিছে। এই পূজাৰ সাধাৰণ বৈশিষ্ট্য হৈছে স্ত্ৰী প্ৰধান। এই পূজাত পুৰুষৰ কোনো স্থান নাই। নাৰী সমাজতে বিশেষভাৱে এই পূজা সীমিত। কাহুৰী আইৰ পূজাত বা নামত লগা দ্ৰব্যবোৰ অন্য দেৱ-দেৱীৰ পূজাত লগা দ্ৰব্য সাধাৰণতে বেলেগ হয়। এই পূজাৰ বাবে আঠিয়াকল (ভীমকল), মাটিমাহ নাইবা ইয়াৰ দাইল, আহু চাউলৰ প্ৰয়োজন। দৰাচলতে কাহৰ বাবে আঠিয়া কল, মাটিমাহৰ দাইল অত্যন্ত অপকাৰী। কাহত বিশেষভাবে অপকাৰী বস্তু বা সামগ্ৰীবোৰ কাহুৰী দেৱীৰ পূজাত নৈবেদ্য স্বৰূপে দিয়াটো তাৎপৰ্যপূৰ্ণ।

কাহুৰী আইৰ পূজাৰ বা নাম ধৰাৰ কিছু নিয়ম আছে। এই পূজা আবেলি মাজ চোতালত পতা হয়। সেয়ে মাজ চোতালখন গোবৰ মাটিৰে ভালদৰে মুচি ঠিক সোমাজতে এটা খুটি পুতি, খুটিটোৰ ওপৰত এটা জাপি উবুৰিকৈ থোৱা হয়। সাধাৰণতে জাপিটোৱে চন্দ্ৰতাপৰ কাম কৰে। আৰু ইয়াৰ ঠিক পশ্চিমফালে কিছু দূৰত চুবুৰীৰ গাভৰু-তিৰোতা আৰু বুঢ়ী কেইজনীমান ঢাৰী-পাটী পাৰি বহে। জাপিটোৰ তলত এটা সৰু বেদী নিৰ্মাণ কৰি তাৰ ওপৰত এখন শৰাই পাতি ধূপ-ধূনাৰ ব্যৱস্থা কৰা হয়। নিয়ম অনুসাৰে শৰাইখনত তিয়াই থোৱা মাটিমাহ চাৰি মুঠি আৰু সোঁমাজত আহু চাউল এমুঠি দিয়া হয় আৰু চাৰিটা আঠিয়াকল দিয়া হয়। এই পূজাত বগাফুলৰ স্থান দেখা যায়। শৰাইখন বগা ফুলৰ মালাৰে সজোৱা হয়। বেদীটোৰ চাৰিওফালেও ফুল চতিয়াই দিয়া হয়। শৰাইখনৰ পশ্চিমে অকণমান দূৰৈত খৰাহি এটাত তিওৱা মাটি মাহ, নিমখ, আদা, আহু চাউল দুমুঠিমান দিয়া হয়। আন খৰাহী এটাত আঠিয়া কল ৰখা হয়। কিছুমানে আকৌ আহু চাউলৰ পিঠাগুৰি খুন্দি আঠিয়া কল, গুৰ, গাখীৰ মিহলাই ভোগ দিয়ে। সকলোখিনি তৈয়াৰ হোৱাৰ পিছত আইসকলে নিৰ্দিষ্ট এক লয়ত আৰু ভংগীত দুয়োখন হাতেৰে চাপৰি বজাই 'জয় কৃষ্ণ হৰি বোলা' বুলি ভগৱানক স্তুতি কৰে। নিয়ম অনুসাৰে আই কেইজনীয়ে নাম প্ৰসংগ গুণানুকীৰ্তন কৰিব লয়। তলত কাহুৰী আইৰ পূজাত গোৱা পদ বা গীতৰ উল্লেখ কৰা হ'ল —

দিহা ঃ

ইঘাটে ধুইলা আইৰে প্ৰসাদ
যি ঘাটে লাগিলা ঢৌ।
ঢৌতে মাৰিলা পুঠি খলিহনা
কমনী ধৰিলা ৰৌ।।

পদ ঃ

দ পুখুৰীৰে দল হৰি হৰি হৰি
দ পুখুৰীৰে দল।
চানা আইৰ থানতে নটুৱা খুলীয়া
ডাঙৰ আইৰ থানতে ঢোল।।
মাঝ পথৰে আছে মিঠা আম এডেলি
ঢৌৰে ঢৌৰে তল যায়
হৰি মোৰ শলা লগৌ হৰি মোৰ বন্তি লগৌ
ক'ৰবাত বা তৰেণি পায়।।

অৱশেষত গুণাকীৰ্ত্তন শেষ হয় আৰু গৃহস্থই সেৱা জনাই আয়তীসকলে আশীৰ্বাদ দিয়ে। পিছত ভোগ প্ৰসাদ বিতৰণ কৰে। সেইদিনা ৰাতি বেদীখন তেনেকৈয়ে থকে। ৰাতিপুৱাই গা-পা ধুই গৃহস্থই

চাফ-চিকুণ কৰি সেইবোৰ পুখুৰীত উটুৱাই দিয়ে।

বসন্ত কালত বসন্ত ৰোগৰ লগতে নানা ৰোগে ল'ৰা ছোৱালীবোৰক আক্ৰান্ত কৰে আৰু আমাৰ অতীজৰ জনলোকে লোক বিশ্বাস হিচাপে দেৱতা-অপদেৱতা বুলি নাম গুণানুকীৰ্ত্তন কৰে। কাহুৱী দেৱীকো তেনেদৰে লোক বিশ্বাস অনুসৰি পূজা বা নাম প্ৰসংগ কৰে। গোৱালপাৰাৰ টুকুৰা গাঁওত অৱস্থিত টুক্ৰেশ্বৰী মন্দিৰৰ গাতে লাগি থকা কাহুলী থানৰ অধিষ্ঠাত্ৰী দেৱীক কাহুৰী দেৱীৰ থান বুলি জনাজাত। কোনো লোকৰ কাহ হ'লে তাত গৈ তামোল-পাণ, চুণ, ধপাত আদিৰে পূজা কৰিলে কাহ নিৰাময় হোৱা বিশ্বাস আজিও প্ৰচলিত। ■

গ্ৰন্থপঞ্জী ঃ


১। অসমৰ লোক সংস্কৃতি ঃ লীলা গগৈ

২। অসমৰ সংস্কৃতি ঃ লীলা গগৈ

৩। অসমীয়া লোক সংস্কৃতিৰ আভাষ ঃ নবীন চন্দ্ৰ শৰ্মা

# লোক সংস্কৃতিত হিন্দু ধৰ্মৰ বিবাহ উৎসৱ

● জোনালী দেৱী
প্ৰাক্তন ছাত্ৰী
অসমীয়া বিভাগ

লোক সংস্কৃতি বুলিলে সাধাৰণতে 'লোক' শব্দই গাঁৱলীয়া অনাখৰী লোকক বুজায় আৰু সংস্কৃতিয়ে লোক জীৱনৰ ভাৱ-ভাষা, কথা-বতৰা, আচাৰ-ব্যৱহাৰ আদিক বুজায়। বিভিন্ন জাতি-ধৰ্মবোৰৰ বিবাহ-উৎসৱ বিলাক বেলেগ। হিন্দু ধৰ্মৰো বিবাহ বেলেগ। বিবাহ অসমীয়া সমাজৰ প্ৰাণময় উৎসৱ। বিবাহক মাংগলিক কাৰ্য বুলিও কোৱা হয়।

লোক সাহিত্যৰ এটা প্ৰধান অংগ হ'ল বিয়াগীত। বিয়াগীত হৈছে সামাজিক অনুষ্ঠানমূলক গীত। বিয়াৰ লগত বিয়াগীতৰ ওতপ্ৰোত সম্বন্ধ আছে।

বিবাহৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ যেতিয়া বিয়াৰ দিন ধাৰ্য্য কৰা হয় তেতিয়া ল'ৰা ঘৰৰ মানুহে ছোৱালীৰ ঘৰত গৈ দিন ধাৰ্য্য কৰে। ছোৱালী ঠিক কৰাৰ সময়ত প্ৰথমতে ল'ৰাঘৰৰ বয়োজ্যেষ্ঠ মানুহে যোৱা নিয়ম আছে। কিছুমান এনেকুৱা নিয়ম আছে কইনা ঠিক কৰিবৰ যোৱাৰ সময়ত ৭জন, ৫জন নহ'লে ৩ জন যায়।

অসমীয়া সমাজত বিবাহ উৎসৱত জোৰণৰ আগৰ পৰা বিয়াৰ আঠ মঙলা লৈ বহুতো পৰ্ব থাকে। বিয়াত যাত্ৰা সান্দহ খুন্দা, সুৱাগৰ ধান বনা, জোৰণ, ঘটচিতা, অধিবাস, শ্ৰাদ্ধ কৰা, পানী তোলা, গোঁসাই পূজা কৰা, কইনা আৰু দৰাক গা-ধুৱোৱা, সুৱাগুৰি তোলা, দৰা আদৰি আনি বিয়া শেষ হোৱা সময়লৈকে কেইবাটাও অনুষ্ঠান আছে। এই অনুষ্ঠানবিলাকৰ লগত ৰজিতা খুৱাই বিয়াগীত গোৱা হয়।

অসমীয়া সমাজত বিয়াৰ ৩দিন বা ৫দিন আগতে যাত্ৰা সান্দহ খুন্দা আৰু সুৱাগৰ ধান বনা হয়। এই নিয়ম এতিয়াও আমাৰ সমাজত প্ৰচলিত হৈ আছে। যাত্ৰা সান্দহ খুন্দা আৰু সুৱাগৰ ধান বনা সময়ত গোৱা ধেমালি গীত ঃ

"ঢেঁকী কৰে হেকাৰ বেকাৰ এ
মৌলা বাৰী লৰে,
এঙ্কোৰ ঘৰোতে চাট্যা মুহনি
ঢেঁকী প্যাত্প্যা নৰে।"

বিয়াৰ আগদিনাক জোৰণ বুলি কোৱা হয়। অসমীয়া সমাজত জোৰণক তেলোৰ ভাৰ বুলি কোৱা হয়। এই পৰ্বত দৰা ঘৰৰ মানুহে কইনা ঘৰলৈ জোৰণ দিবলৈ যায়। জোৰোণ দিবলৈ গ'লে নাৰিকল, মাছ, কইনাৰ কাপোৰ, অলংকাৰ, মাহ-হালধি, দৈ, মিঠাই, তামোল-পাণৰ ঠোক, সেন্দুৰ, আৰ্চি, ফণি আদি লৈ যোৱা হয়। সময় বা লগ্ন মতে কইনাক জোৰণ পিন্ধোৱা হয়। অসমীয়া সমাজত কইনাক দৰাৰ মাকে জোৰণ পিন্ধায়। দৰাৰ মাকে প্ৰথমেই তামোল কটাৰীৰ তামোলটো কইনাৰ শিৰত থৈ তাৰ ওপৰত জোৰণৰ

বাবে নিয়া আঙঠি দি সুগন্ধি তেল তিনিবাৰ কইনাৰ মূৰত দি সেই আঙঠিৰে গোলা সেন্দূৰ শিৰত পিন্ধায়। মুহূৰ্ততে এজনী ছোৱালী পত্নীলৈ, বোৱাৰীলৈ ৰূপান্তৰিত হয়। দৰাৰ মাকে কইনাৰ গাৰ অলংকাৰবোৰ খুলি দৰাঘৰীয়া অলংকাৰ পিন্ধাই দিয়ে। অলংকাৰ পিন্ধোৱাৰ সময়ত গোৱা গীত ঃ

"মাৰাৰ অলংকাৰ থোৱাহে ৰুক্মিণী
ঐ ৰাম দেউতাৰাৰ অলংকাৰ থোৱাহে;
দ্বাৰকাৰ শ্ৰীকৃষ্ণই অলংকাৰ পঠেছি
ঐ ৰাম হাত মোৰ কৰি লোৱাহে।।"

এনেদৰে জোৰণৰ নিয়মবোৰ কৰা হয়। জোৰণ শেষ হোৱাৰ পিছত আয়তীসকলে দৰা-কইনা দুয়োখন ঘৰতে ঘট চিতাই। ঘট চিতোতে গোৱা গীত ঃ

"আয়াৰে মাকেহে
মাতিছি কিয়া
কুমাৰোৰ টেকেলি উলিয়াই দিয়াত
কুমাৰোৰ টেকেলি কৰিবা কি
পঞ্চ আয়তীক চিটিবা দি"

"আকাশত জিলিকে
থোপাথুপি তৰা
সৰস্বতী ঘট চিটে
নাচে অপেস্বৰা।।"

জোৰণৰ পিচদিনা পুৱা দৰা-কইনা দুয়ো ঘৰতে দুয়োৰে দেউতাকে অধিবাস আৰু নান্দীমুখ শ্ৰাদ্ধ কৰে। অধিবাস চলি থকা সময়তে দৰা-কইনা দুয়োকে মূৰত তেল দিয়া হয়। শ্ৰাদ্ধৰ লগতে গোঁসাই পূজাও কৰা হয়। অধিবাসত বহি থকা সময়তে দৰা-কইনাৰ মাক আৰু আত্মীয়-কুটুম সকলে পানী তুলিবলৈ যায়। দৰা-কইনা ধোওৱাৰ বাবে যি ঠাইৰ পৰা পানী তুলি অনা হয় সেই পুখুৰী বা নদীক গংগা, যমুনা আদি নামেৰে নামাকৰণ কৰে। পানী তোলোতে গোৱা গীত ঃ

"ফুল চন্দন তুলসী
ভৰিল নে নভৰিল
ৰাধা তোমাৰ কলচী
পাঞ্চ বৰণীয়া
ফুল চন্দন তুলসী
পাঞ্চটি টেকেলি
ফুল চন্দন তুলসী
ভৰিল নে নভৰিল
ৰাধা তোমাৰ কলচী।"

শ্ৰাদ্ধ আৰু অধিবাস শেষ হোৱাৰ পিছত দৰা-কইনা দুয়োকে নাপিতে নখ কমোৱায়। তাৰ পিছত দৰা-কইনা দুয়োকে কলগছৰ তলত মা-হালধিৰে গা ধুওৱা হয়। গা ধুওৱা গীত ঃ

"আগে দিবা মাহা বটা এ মাজন্ত শিৰত
হালধিৰ ৰক্ষা সানি ঘঁহিবা গাঁওত।"

"গা ধুই উঠিহে মাকক সুধিছে
কি কাপোৰ পিন্ধিবা পায় হে
ছাঁতে শুকুৱা মুঠিতে লুকুৱা
সেই কাপোৰ পিন্ধিবা পায়হে।।"

গা ধুৱাই উঠি দৰা-কইনাক চোতালত দাঙি অনা হয়। দৰা-কইনাৰ মাকে মুখত পানী লৈ কেইজনীমান আয়তীৰ সৈতে সুৱাগুৰী তুলিবলৈ যায়। সুৱাগুৰী তোলোতে গোৱা গীত ঃ

"ইচেনী বিচেনী বাপা ঘূৰণীৰে দৈ
কৈকে যাবা চানা বাপা অত সৈন্য লৈ।।"

তাৰ পাছত দৰা-কইনাৰ ঘৰত গধূলি আলহী-অতিথিসকলক আপ্যায়ন কৰা হয়। ৰাতি সময় বা লগ্ন মতে দৰাই কইনা ঘৰলৈ কইনাক বিয়া কৰাবলৈ যায়। কইনা ঘৰৰ কলপুলিৰ গেটত দৰাক কইনাৰ দেউতাকে দৈ গাখীৰেৰে ভৰি ধুৱাই চৌৰৰেৰে বৰি আনে। হোমক সাক্ষী কৰি দেউতাকে কইনাক বিয়া দিয়ে। ৰাতি কইনা ঘৰত বিভিন্ন নিয়ম থাকে। দৰা-কইনাক দুয়োকে লগুণ গাঁঠি দিয়ে। বিয়াৰ আখৈ তোলাৰ পিছত কুশ কাটি গোত্ৰ ছেদ কৰাটো অসমীয়া সমাজত বিয়াসমূহৰ নিয়ম। এই সময়ত পুৰোহিতৰ মন্ত্ৰবিলাক বৰ বেদনাদায়ক, অতি মৰ্মস্পৰ্শী। সেই সময়ত গোৱা গীত ঃ

"আখৈ তোলা, আখৈ তোলা
মৰমৰে ভাই, মৰমৰে ভাই
আজিৰ পৰা তোমাৰ লগত
গোত্ৰ চিঙি যায়।।"

বিয়াৰ শেষত দৰা-কইনাক দেউতাকে ঘৰৰ ভিতৰলৈ লৈ যায়। ঘৰৰ ভিতৰত দৰা-কইনাক কইনাৰ মাকে আগ দিয়া আঙঠি লুকুৱা আদি নিয়মবোৰ কৰে। দৰা-কইনাৰ আঙঠি লুকুৱাৰ সময়ত গোৱা গীত ঃ

"বেৰাত দেখি নাচপি বাপা এ হে
বেৰাত আছে চেলা
আয়াৰ দেখি নাপচি বাপা এ হে
মাৰি দিবো থেলা।।"

এনেকৈয়ে নানা নিয়মৰ মাজেৰে বিয়া শেষ হয়। শেষত দৰা-কইনা চোতাললৈ আহি সমাজৰ মানুহৰ মাজত সেৱা লয়। এনেদৰে বিয়া সমাপন হয়।

বিয়াৰ আঠদিনৰ পিছত হিন্দু ধৰ্মত কইনা ঘৰত আঠমঙলা পতা হয়। কইনা ঘৰত যেতিয়া দৰা আৰু দৰাৰ লগত আত্মীয়-কুটুম যায় তেতিয়া আঠ বিধ ব্যঞ্জনেৰে ভাত দিয়া হয়। ইয়াকে আঠমঙলা বুলি কেৱা হয়। এয়াই অসমীয়া সমাজৰ হিন্দু ধৰ্মৰ বিবাহ উৎসৱ। ■

**গ্ৰন্থপঞ্জী ঃ**

১। লোক-সংস্কৃতিৰ দৃষ্টিপাত ঃ বিমলা দেৱী
২। অসমৰ লোক সংস্কৃতি ঃ লীলা গগৈ

# ধূলিৰ সহজ আপেক্ষিকতা

● বন্তি শৰ্মা
অংশকালীন প্ৰবক্তা
এম. এন. চি. বালিকা মহাবিদ্যালয়

এদিন আইনষ্টাইন আহিল
মোৰ আলহী কোঠাত বহি একান্তমনে
বেহেলাত বিথোভেনৰ সুৰ তুলিলে
চাহ-পানী খাই বিদায় লোৱাৰ সময়ত
কৈ গ'ল মাথো,
এই অহা আৰু যোৱাটোতো আপেক্ষিক কথা

তাৰ পিছত আৰু অজস্ৰবাৰ মোৰ জীৱনত
অহা আৰু যোৱাৰ কিমান আপেক্ষিকতা
জীৱনৰ ভুল আৰু শুদ্ধৰ হিচাপ বিহীন দলিলত
কিমান বাৰ আইনষ্টাইনৰ আপেক্ষিক অহা-যোৱা

জীৱনৰ সুমিষ্ট ফল বুলি বুটলি লও অজস্ৰ ভুল
বাৰে পাছি ভুলেৰে ভৰি থাকে মোৰ ভঁৰাল

মইতো এদিন আৰম্ভ কৰিছিলোঁ মোৰ যাত্ৰা
সুন্দৰৰ পৰা সুন্দৰতমলৈ ওম্ তমসো মা ........

জীৱনৰ পংকিলতাই শিকালে মোক
পংকিলতাই জীৱনৰ সহজ সত্য

শৈশৱতে বালি খেলি থাকোতে ভাবিছিলো
ধূলি বালিয়েই মাথো পংকিলতা
জীৱনৰ দূৰত্ব অতিক্ৰম কৰোতে
বুজি পালো ধূলিৰ সহজ আপেক্ষিকতা ■

# মোৰ জীৱন সমীক্ষা

● সংগীতা শৰ্মা
ষষ্ঠ সান্মাষিক

তুমি ছাগে ভাবিছা মোৰ জীৱন এক জটিল
সমীৰণ,
উহু মিছা কথা,
মোৰ জীৱন এখন খোলা কিতাপ।
ৰং-বিৰং, হাঁহি-কান্দোনৰ ঠেকা লাগি
বুকুৰ তেজবোৰ কলা হ'ল,
হৃদয়ৰ বগা কাগজত কলা তেজেৰে
লিখিছো জীৱনৰ অতীত বৰ্তমানবোৰ।
যিজনে চকু ফুৰায় তেওঁ বুজিব পাৰে,
তুমিওঁ বুজিব পাৰিবা,
হয়তো লাগিব পাৰে অকমান সময় আৰু চেষ্টা।
বিশ্বাস কৰা অৰুণিমা!
তুমি যি বিছাৰা ময়ো বিছাৰো
নিমাত কিয় তুমি?
এতিয়া শুনিবলৈ বৈ আছো
তোমাৰ এযাৰি মিঠা মাতৰ বাবে। ■

# অসমীয়া বিভাগৰ গৌৰৱ

| | | | |
|---|---|---|---|
| ১। | অনুৰাধা শৰ্মা | প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান | ১৯৯৫-৯৬ |
| ২। | নৱনীতা কলিতা | প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান | ১৯৯৮-৯৯ |
| ৩। | হীৰামণি তালুকদাৰ | প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান | ২০০০-০১ |
| ৪। | মিতালী বৰ্মন | প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান | ২০০০-০১ |
| ৫। | শুভশ্ৰী কলিতা | প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান | ২০০১-০২ |
| ৬। | মইনা ডেকা | প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান | ২০০১-০২ |
| ৭। | মীৰা বৈশ্য | প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান | ২০০১-০২ |
| ৮। | দীপামণি হালৈ | প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান | ২০০২-০৩ |
| ৯। | ডালিমা কাকতি | প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান | ২০০৪-০৫ |
| ১০। | হিৰুমণি কলিতা | প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান | ২০০৬-০৭ |
| ১১। | তুলিকা বৰ্মন | প্ৰথম শ্ৰেণীৰ নৱম স্থান | ২০০৬-০৭ |
| ১২। | দীপামণি বৰ্মন | প্ৰথম শ্ৰেণীৰ একাদশ স্থান | ২০০৬-০৭ |
| ১৩। | ডলি কলিতা | প্ৰথম শ্ৰেণী | ২০০৭-০৮ |
| ১৪। | নীলাক্ষি পাটোৱাৰী | প্ৰথম শ্ৰেণী | ২০০৮-০৯ |
| ১৫। | পল্লৱী ডেকা | প্ৰথম শ্ৰেণী | ২০১০-১১ |
| ১৬। | নমিতা মজুমদাৰ | প্ৰথম শ্ৰেণী | ২০১০-১১ |
| ১৭। | ভনিতা দেৱী | প্ৰথম শ্ৰেণী | ২০১১-১২ |
| ১৮। | ডেউজী দেৱী | প্ৰথম শ্ৰেণী | ২০১১-১২ |
| ১৯। | ছাজিদা আহমেদ | প্ৰথম শ্ৰেণী | ২০১১-১২ |
| ২০। | মেঘালী তালুকদাৰ | প্ৰথম শ্ৰেণী | ২০১১-১২ |
| ২১। | নিষ্ঠা শইকীয়া | প্ৰথম শ্ৰেণী | ২০১১-১২ |
| ২২। | সংগীতা কলিতা | প্ৰথম শ্ৰেণী | ২০১২-১৩ |
| ২৩। | ভনিতা দেৱী | প্ৰথম শ্ৰেণী | ২০১২-১৩ |
| ২৪। | ঋতুপৰ্ণা শালৈ | প্ৰথম শ্ৰেণী | ২০১২-১৩ |
| ২৫। | নীলাক্ষি তালুকদাৰ | প্ৰথম শ্ৰেণী | ২০১২-১৩ |
| ২৬। | ভানুমতী কাশ্যপ | প্ৰথম শ্ৰেণী | ২০১২-১৩ |
| ২৭। | সংগীতা কলিতা | প্ৰথম শ্ৰেণী | ২০১২-১৩ |

| | | | |
|---|---|---|---|
| ২৮। | দীক্ষিতা গোস্বামী | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ২৯। | তৃষ্ণা কলিতা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩০। | বৰষা ৰাণী দত্ত | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩১। | গীতুমণি শৰ্মা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩২। | সংগীতা কলিতা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩৩। | নিশা ডেকা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩৪। | কৰিশ্মা তালুকদাৰ | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩৫। | দিপ্তী বেজবৰুৱা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩৬। | ছাবিজান বেগম | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩৭। | ববিতা দেৱী | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩৮। | হীৰামণি বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৩৯। | অন্তিমা ডেকা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৪০। | গায়ত্ৰী দেৱী | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৪১। | পাপৰি ডেকা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৪২। | ধৰিত্ৰী বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৪৩। | চুমি হাজৰিকা | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৪৪। | নন্দিতা দাস | প্ৰথম শ্ৰেণী | ২০১৩-১৪ |
| ৪৫। | হিমাক্ষী মজুমদাৰ | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৪৬। | দেৱাশ্ৰী শৰ্মা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৪৭। | অংকিতা বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৪৮। | প্ৰীতিৰেখা ডেকা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৪৯। | লোপামুদ্ৰা দেৱী | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫০। | নন্দিতা দাস | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫১। | চন্দনা দাস | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫২। | ডলি ডেকা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫৩। | তৰালি বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫৪। | অৰ্পিতা শৰ্মা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫৫। | প্ৰধানী দেৱী | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫৬। | অনামিকা বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |

| | | |
|---|---|---|
| ৫৭। নিপা ভট্ট | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫৮। পাপৰি হালৈ | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৫৯। বৰ্ণালী কলিতা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬০। হীৰামণি বেগম | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬১। কৰবী ডেকা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬২। পিংকী হালৈ | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬৩। দীপামণি ডেকা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬৪। লীজা ছেহনাজ | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬৫। ৰিমলি বৈশ্য | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬৬। অপৰ্ণা বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬৭। ডলি দাস | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬৮। ডিম্পী কলিতা | প্ৰথম শ্ৰেণী | ২০১৪-১৫ |
| ৬৯। ছন্দামিতা গোস্বামী | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭০। ধৰিত্ৰী কলিতা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭১। মৌচুমী শৰ্মা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭২। মনিষা আখতাৰা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭৩। হিমাক্ষী ডেকা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭৪। ভনীতা বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭৫। শিল্পীকা শৰ্মা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭৬। বনশ্ৰী শৰ্মা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭৭। নিলাক্ষী দত্ত | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭৮। জুনু ৰাজবংশী | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৭৯। পল্লবী বৰ্মন | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮০। পম্পী দাস | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮১। জুহি মেধি | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮২। সুস্মিতা বৈশ্য | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮৩। পাৰবিন চুলতানা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮৪। দীপশিখা দেৱী | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮৫। ৰিংকুমণি কলিতা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |

| | | | |
|---|---|---|---|
| ৮৬। | হিমাক্ষী বৈশ্য | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮৭। | ৰেচমিনা বেগম | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮৮। | বনশ্ৰী দেৱী | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৮৯। | জোনা দেৱী | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯০। | কৃষ্ণা বৰা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯১। | জুমি পাটোৱাৰী | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯২। | ছেহনাজ আখতাৰ | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯৩। | জেচমিন চুলতানা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯৪। | ছয়নিকা কলিতা | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯৫। | নাদিয়া হাবিব | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯৬। | মৌচুমী শৰণীয়া | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |
| ৯৭। | দিপ্তী দাস | প্ৰথম শ্ৰেণী | ২০১৫-১৬ |





